# অন্বেষণ

দশম বছৰ ■ একাদশ সংখ্যা ■ ডিচেম্বৰ, ২০২৩






## শীতনিদ্ৰা

## সেউজ শক্তি

## গীনিজ ৱৰ্ল্ড ৰেকৰ্ডছ

## নেন'বিজ্ঞান আৰু নেন'প্ৰযুক্তিবিদ্যা





## প্ৰাকৃতিক ভাস্কৰ্য্য লেখাটোৰ লগত সম্পৰ্কিত ছবি


এলিফেণ্ট ৰক


ৰেড ফ্লুট গুহা


ৰিঙিং ৰক


ফিংগেল কেভ


ঈগল পইণ্ট


আইচ কেভ

# অন্বেষণ

**দশম বছৰ, একাদশ সংখ্যা, ডিচেম্বৰ, ২০২৩ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com

## সূচীপত্ৰ

২ **সেউজ শক্তিনো কি?**
■ অভিজিত শৰ্মা বৰুৱা

৪ **এন আৰ নাৰায়ণা মূৰ্তি**
■ ডলী চৌধুৰী

৭ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী

১০ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী

১১ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

১৭ **শীতনিদ্ৰা**
■ শ্বেহনাজ আহমেদ

১৮ **দ্বাদশ বাণিজ্যৰ পাছত**
■ জোনালী দেৱী

১৯ **ISO–1901, 1902 ইত্যাদি**
■ মানসজ্যোতি শইকীয়া

২১ **কুইজ**
■ দীপাংকৰ কৌশিক

২২ **বন্ধুত্ব**
■ ময়ংক পাঠক

২৪ **চোৰ**
■ খ্যাতি তৃষ্ণা দেৱী

২৫ **অভিজ্ঞতা**
■ উজ্জীৱন তালুকদাৰ

২৭ **মা**
■ পূবাঞ্চী দাস

২৭ **গণিত**
■ এমিলী বৰগোহাঞি

২৭ **মই অক'মানি পেংগুইন**
■ চতুৰ্থী শিৰম

২৮ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন

৩০ **গী দ্য মোপাছা আৰু তেওঁৰ 'দ্য নেক্লেছ'**
■ দোলন বৰা

৩২ **হেলথ্ ইক'নমিক্স**
■ অপৰ্ণা দেৱী

৩৩ **চুড'কু**

৩৪ **Stories from World Classics**
■ Nisha Devi

৩৫ **Did You Know**
■ Neha Bora

৩৬ **নেন'বিজ্ঞান আৰু নেন'প্ৰযুক্তিবিদ্যা**
■ নৰজ্যোতি তালুকদাৰ

৩৮ **প্ৰাকৃতিক ভাস্কৰ্য্য**
■ নিবেদিতা তালুকদাৰ

৩৯ **গীনিজ ৱৰ্ল্ড ৰেকৰ্ডছ**
■ নিভা ৰাণী ৰায়

**সম্পাদক** : ডা° নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ড° লিপিমণি দত্ত, ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)

**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা
**ছবি** : কন্দৰ্প শৰ্মা
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**আৰ্হি পাঠ** : কুলধৰ কলিতা
**মূল্য** : পঁচিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰ দ্বাৰা মুদ্ৰিত।*

# সেউজ শক্তিনো কি?

**অভিজিত শৰ্মা বৰুৱা**



সেউজ শক্তি (Green Energy) হ'ল—সৌৰ শক্তি, বতাহ শক্তি বা জল শক্তিৰ দৰে নবীকৰণযোগ্য প্ৰাকৃতিক শক্তিৰ উৎসৰ পৰা প্ৰদূষণবিহীন পদ্ধতিৰে উৎপাদন কৰা বিদ্যুৎ শক্তি। সেউজ শক্তিৰ সেউজ শব্দটোৱে দৰাচলতে কোনো বৰণ নুবুজায়। ই এই কথাহে বুজায় যে এই শক্তি উৎপাদন প্ৰক্ৰিয়াত পৰিবেশৰ কোনো ক্ষতি হ'ব নোৱাৰিব আৰু এখন সেউজ বিশ্ব সৃষ্টি হোৱাত ই অৰিহণা যোগাব। ইয়াক সাধাৰণতে নবীকৰণযোগ্য শক্তি উৎসৰ পৰা পোৱা যায় যদিও নবীকৰণযোগ্য শক্তি আৰু সেউজ শক্তিৰ মাজত কিছু পাৰ্থক্য আছে। এই দুয়ো শক্তিৰ মাজৰ মূল পাৰ্থক্যটো হ'ল যে সেউজ শক্তিয়ে সেউজগৃহ (greenhouse) গেছ বা আন প্ৰদূষক দ্ৰব্য উৎপাদন কৰি পৰিবেশৰ কোনো অপকাৰ কৰিব নালাগিব, কিন্তু নবীকৰণযোগ্য শক্তিৰ ক্ষেত্ৰত কেতিয়াবা এনে প্ৰদূষক উৎপন্ন হ'বও পাৰে।

নবীকৰণ অযোগ্য জীৱাশ্ম ইন্ধনৰ ভিতৰত অন্যতম হ'ল—ভূগৰ্ভস্থ গেছ, পেট্ৰল-ডিজেল, কয়লা আদি। পৃথিৱীত তেনেবোৰ ইন্ধন সৃষ্টি হওঁতে নিযুত নিযুত বছৰ লাগিছিল আৰু নতুনকৈ তেনে উৎস সৃষ্টি হ'বও নোৱাৰে। কিন্তু আমি সেই সঞ্চিত জীৱাশ্ম ইন্ধন অতিমাত্ৰা হাৰত খৰচ কৰি সেইবোৰ প্ৰায় নিঃশেষ কৰি আনিছোঁ। আনহাতে এইবোৰ ইন্ধনৰ ক্ষেত্ৰত প্ৰদূষণৰ সৃষ্টি হয়েই বাবে তেনে ইন্ধনৰ পৰা পোৱা শক্তি কোনোপধ্যে সেউজ শক্তি হ'ব নোৱাৰে। তদুপৰি সকলো নবীকৰণযোগ্য শক্তি উৎসৰ পৰা উৎপাদিত শক্তিও সেউজ শক্তি নহয়। উদাহৰণস্বৰূপে, বহনক্ষম অৰণ্যৰ পৰা জীৱভৰৰ দহন কৰি পাব পৰা শক্তি নবীকৰণযোগ্য শক্তি হ'লেও সেউজ শক্তি নহয়। কাৰণ এই প্ৰক্ৰিয়াত বায়ুমণ্ডলৰ বাবে অপকাৰী কাৰ্বন ডাইঅক্সাইডৰ দৰে সেউজগৃহ গেছ উৎপন্ন হয়।

**সেউজ শক্তিৰ উৎসবোৰ কি কি?**

সেউজ শক্তিৰ উৎসবোৰ সাধাৰণতে প্ৰাকৃতিকভাৱে সৃষ্টি হয়। এনে শক্তিৰ উৎপাদন প্ৰক্ৰিয়াবোৰত খনন, ড্ৰিলিং আদি পদ্ধতিসমূহো এৰাই চলা হয়, কাৰণ সেইবোৰে পৰিবেশতন্ত্ৰত বাধাৰ সৃষ্টি কৰিব পাৰে।

সেউজ শক্তিৰ উৎসবোৰৰ ভিতৰত মূল ছবিধ উৎস হ'ল—সৌৰ শক্তি (solar energy), বতাহ শক্তি (wind energy), জল শক্তি (hydal energy), ভূতাপীয় শক্তি (geothermal energy), জীৱভৰ (biomass) আৰু জীৱইন্ধন (biofuel)। এইকেইটা উৎসৰ ভিতৰত বতাহ শক্তি, সৌৰ শক্তি আৰু জল শক্তিৰ ব্যৱহাৰেই বেছি। বতাহ শক্তি আৰু সৌৰ শক্তিক আমি ঘৰুৱা ব্যৱহাৰৰ উপযোগী হোৱাকৈ কম পৰিমাণত উৎপাদন কৰিব পাৰোঁ আৰু আনহাতে একোটা বৃহৎ অঞ্চল সামৰি ল'ব পৰাকৈ বেছি পৰিমাণতো উৎপাদন কৰিব পাৰোঁ।

**সৌৰ শক্তি**

সূৰ্য্যৰ পৰা পোৱা শক্তি বা সৌৰ শক্তি আমাৰ বাবে শক্তিৰ এক সুন্দৰ উৎস। সৌৰ শক্তি কে'বাটাও দিশৰ পৰা লাভজনক শক্তিৰ উৎস। প্ৰথম কথা হ'ল—সৌৰ শক্তিৰ বাবে কোনো খৰচ ভৰিব নালাগে। পৃথিৱীলৈ তাপ আৰু পোহৰ শক্তি পঠিওৱাৰ বাবদ সূৰ্য্যই কোনো 'বিল' নপঠিয়ায়। দ্বিতীয় লাভজনক দিশটো হ'ল—সৌৰ শক্তি অফুৰন্ত। আমি যদি বিশেষ কৌশলৰ সহায়ত আমাৰ বাবে প্ৰয়োজনীয় শক্তি সৌৰ শক্তিৰ পৰাই আহৰণ কৰোঁ, তেন্তে ভৱিষ্যতে আন বিকল্প উৎসৰ কথা চিন্তা নকৰিলেও হ'ব। সৌৰ শক্তিৰ তৃতীয়টো লাভজনক কথাটো হ'ল—ই প্ৰদূষণমুক্ত। এই

সৌৰ শক্তি প্ৰধানকৈ ফটোভল্টেইক (photovoltaic) কোষযুক্ত সৌৰ পেনেলৰ দ্বাৰা ব্যৱহাৰযোগ্য বিদ্যুৎ শক্তিলৈ পৰিৱৰ্তন কৰা হয়। এতিয়া উন্নত প্ৰযুক্তিৰ দ্বাৰা কম খৰচতে সৌৰ শক্তিৰ পৰা বিদ্যুৎ শক্তি পাব পৰা যায়।

**বতাহ শক্তি**

বতাহৰ শক্তি ব্যৱহাৰ কৰি তাক উপযোগী আন শক্তিলৈ ৰূপান্তৰিত কৰা এক উৎকৃষ্ট আহিলা হ'ল বায়ু কল বা উইণ্ড মিল। যীশুখ্ৰীষ্টৰ জন্মৰ কে'বাশ বছৰৰ আগৰ পৰাই মানুহে বায়ু কল ব্যৱহাৰ কৰাৰ কথা জনা যায়। মধ্যযুগত ইউৰোপৰ বহু ঠাইতে বায়ু কল আছিল। প্ৰধানকৈ পানী পাম্প কৰা, শস্য গুড়ি কৰা আদি কামত এই বায়ু কলবোৰ ব্যৱহাৰ কৰা হৈছিল। বায়ু কলৰ সহায়ত বিদ্যুৎ শক্তি উৎপাদনৰ কাম আৰম্ভ হয়— কুৰি শতিকাৰ প্ৰথমাৰ্ধত। তেনে ধৰণৰ বায়ু কলত কিছুমান পাংখা থাকে। বতাহে বেগেৰে আঘাত কৰি সেইবোৰ পাংখা ঘূৰাব ধৰে। পাংখাৰ লগত সংযুক্ত থাকে এটা টাৰ্বাইন আৰু টাৰ্বাইনৰ লগত এটা জেনেৰেটৰ। গতিকে পাংখা ঘূৰাৰ লগে লগে টাৰ্বাইন-জেনেৰেটৰো ঘূৰে আৰু বিদ্যুৎ উৎপাদনৰ কাম আৰম্ভ হৈ যায়।

**জল শক্তি**

জান-জুৰি-নদী আদিৰে বৈ অহা আৰু জলপ্ৰপাতৰ দৰে ওপৰৰ পৰা বেগেৰে নামি অহা পানীৰ গতি শক্তিকে সাধাৰণভাৱে জল শক্তি বুলিব পাৰি। যথেষ্ট উচ্চতাত থকা পানীৰ স্থিতি শক্তিক আৰু বেগেৰে বৈ থকা পানীৰ গতি শক্তিক আমি ব্যৱহাৰযোগ্য শক্তিলৈ ৰূপান্তৰিত কৰিব পাৰোঁ। আনহাতে বিভিন্ন গভীৰতাত থকা পানীৰ উষ্ণতাৰ পাৰ্থক্যক উপযুক্তভাৱে ব্যৱহাৰ কৰি তাৰ পৰাও শক্তি আহৰণ কৰিব পৰা যায়। পানীৰ ঘনত্ব বায়ুতকৈ প্ৰায় আঠশ গুণ বেছি। গতিকে গতিশীল বায়ুতকৈ গতিশীল পানীৰ পৰা তুলনামূলকভাৱে যথেষ্ট বেছি শক্তি লাভ কৰিব পৰা যায়। কি পদ্ধতিৰে, কেনেকৈ আৰু কিমান বিদ্যুৎ শক্তি আহৰণ কৰা হয়, তাৰ ওপৰত নিৰ্ভৰ কৰি জল শক্তিক কিছুমান ভাগত বিভক্ত কৰিব পৰা যায়। সেইবোৰ হ'ল—জলবিদ্যুৎ শক্তিকেন্দ্ৰ (বৃহৎ বান্ধৰ সহায়ত), মাইক্ৰ' জলবিদ্যুৎ কেন্দ্ৰ, বান্ধবিহীন জলবিদ্যুৎ কেন্দ্ৰ, তৰংগ শক্তি, জোৱাৰ-ভাটাৰ শক্তি, সাগৰৰ তাপ শক্তি ৰূপান্তৰণ (ocean thermal energy conversion—চমুকৈ OTEC) পদ্ধতি আদি।

**ভূতাপীয় শক্তি**

ভূ-অভ্যন্তৰত যথেষ্ট পৰিমাণৰ তাপ শক্তি সঞ্চিত হৈ থাকে। সেই শক্তিকে আমি সাধাৰণভাৱে ভূতাপীয় শক্তি বুলি কওঁ। এই শক্তি সাধাৰণতে ভূত্বক বা পৃথিৱীৰ খোলাৰ পৰা কেইবা কিল'মিটাৰ অভ্যন্তৰত সঞ্চিত হৈ থাকে। তাক পুনৰুদ্ধাৰ কৰি আনি পৃথিৱীৰ উপৰিভাগৰ এক শক্তিকেন্দ্ৰ কাৰ্য্যক্ষম কৰাটো বৰ সহজ কাম নহয়। তদুপৰি এনে কামত বহুত বেছি মূলধন খৰচ হয়। কিন্তু এবাৰ তেনে এটা শক্তি উৎপাদন কেন্দ্ৰ স্থাপন কৰি ল'ব পাৰিলে, তাৰ পৰা কম ব্যয়তে বিদ্যুৎ শক্তি পাব পৰা যায়। সেয়েহে ভূতাপীয় শক্তিৰ দ্বাৰা চালিত শক্তিকেন্দ্ৰৰ সংখ্যা এতিয়া বাঢ়ি আহিছে। ভূতাপীয় শক্তি নবীকৰণযোগ্য শক্তি উৎস হয় নে নহয়, সেই বিষয়ে বিতৰ্কৰ স্থল আছে। কিন্তু 'ইণ্টাৰনেছনেল এনাৰ্জি এজেন্সি'ৰ মতে ভূতাপীয় শক্তি নিঃশেষ হৈ নাযায়, পৃথিৱীৰ অভ্যন্তৰত ইয়াৰ পুনঃসৃষ্টি হৈয়েই থাকিব আৰু সেইবাবে এই শক্তি নবীকৰণযোগ্য শক্তি।

**জীৱভৰ**

উদ্ভিদজগতে সালোকসংশ্লেষণ প্ৰক্ৰিয়াৰ যোগেদি নিজৰ দেহত খাদ্য প্ৰস্তুত কৰে, এই খাদ্যৰ সহায়ত উদ্ভিদৰ শ্ৰীবৃদ্ধি হয় আৰু জীৱভৰৰ (biomass) সৃষ্টি হয়। উদ্ভিদৰ সৃষ্টি, তাত সংঘটিত হোৱা সালোকসংশ্লেষণ বিক্ৰিয়া আৰু উদ্ভিদৰ বৃদ্ধি যিহেতু অনবৰতে চলি থকা এক অনৱচ্ছিন্ন প্ৰক্ৰিয়া, সেই বাবে কিছু নিয়ম-নীতি বা সীমাবদ্ধতাৰ মাজেৰে খৰচ কৰিলে পৃথিৱীত জীৱভৰৰ অভাৱ কাহানিও নহ'ব। গতিকে জীৱভৰৰ পৰা পাব পৰা শক্তি নবীকৰণযোগ্য শক্তি।

**জীৱইন্ধন**

জীৱইন্ধন সাধাৰণতে দুই প্ৰকাৰৰ হ'ব পাৰে— ইথানলৰ দৰে জীৱ এলকহল আৰু জীৱ ডিজেল বা উদ্ভিদ তেলৰ (vegetable oil) দৰে জীৱ তেল। স্বাভাৱিকতে হোৱা বা কেতিয়াবা কৰ্ষণ কৰিও লোৱা কিছুমান বিশেষ উদ্ভিদৰ পৰা জীৱ ডিজেল পাব পৰা যায়। আমাৰ 'ভোট এৰা' গছৰ পৰাও জীৱ ডিজেল নিষ্কাসন কৰা হয়। তদুপৰি জীৱ-জন্তুৰ দেহত থকা বিশেষ তেল বা চৰ্বীৰ পৰাও জীৱ ডিজেল পাব পাৰি। আমি সাধাৰণতে ব্যৱহাৰ কৰা ডিজেল

## বিশেষ নিবন্ধ

ইঞ্জিনসমূহত পোনপটীয়াভাৱে এই জীৱ ডিজেল ব্যৱহাৰ কৰিব পৰা যায়। কেতিয়াবা অৱশ্যে ইঞ্জিনৰ সামান্য পৰিবৰ্তন কৰিবলগীয়া হ'ব পাৰে।

**সেউজ শক্তিয়ে বাৰু জীৱাশ্ম ইন্ধনৰ পৰা পোৱা শক্তিক প্ৰতিস্থাপন কৰিব পাৰিবনে?**

সেউজ শক্তিৰ জীৱাশ্ম ইন্ধনক প্ৰতিস্থাপন কৰাৰ সামৰ্থ্য আছে। অৱশ্যে তাৰ বাবে বিভিন্ন প্ৰকাৰৰ সেউজ শক্তি উৎসৰ প্ৰয়োজন হ'ব। উদাহৰণস্বৰূপে, ভূতাপীয় শক্তিক এনে ধৰণৰ অঞ্চলতহে ব্যৱহাৰ কৰিব পৰা যায়, য'ত তাক সহজে পাব পাৰি। বতাহ শক্তি এক সুন্দৰ সেউজ শক্তি উৎস যদিও বতাহ বেছিকৈ নবলা অঞ্চলত তেনে শক্তি ব্যৱহাৰ কৰিব নোৱাৰি। সেইবোৰৰ তুলনাত সৌৰ শক্তি প্ৰায় সকলো ঠাইতে উপলব্ধ। কিন্তু তাতো এটা সমস্যা আছে যে ৰাতি বা সূৰ্য্যৰ পোহৰ নথকা অঞ্চলত সৌৰ শক্তি পাব নোৱাৰি। এতিয়া অৱশ্যে দিনত সৌৰ শক্তিৰ পৰা উৎপাদিত বিদ্যুৎ শক্তিক বেটাৰীনিৰ্ভৰ এক ব্যৱস্থাৰ জৰিয়তে ৰাতি ব্যৱহাৰ কৰিব পৰাকৈ সঞ্চিত কৰি ৰাখিব পৰা পদ্ধতিৰো বিকাশ ঘটিছে। একে সময়তে আৰু একে ঠাইতে বিভিন্ন প্ৰকাৰৰ সেউজ শক্তি উৎপাদন কেন্দ্ৰ স্থাপন কৰিব পাৰিলেহে ই জীৱাশ্ম ইন্ধনৰ স্থান ল'ব পাৰিব। এনে এক অৱস্থাত উপনীত হ'বৰ বাবে আমি এতিয়াও কিছু বছৰ পিছ পৰি আছোঁ। কিন্তু এই ক্ষেত্ৰত আমি সৰ্বোচ্চ গুৰুত্ব দিবই লাগিব। কাৰণ তেতিয়াহে আমি জলবায়ুৰ নেতিবাচক পৰিবৰ্তন ৰোধ কৰিব পাৰিম, দ্ৰুত গতিত কমি অহা জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ কমাব পাৰিম আৰু এক বহনক্ষম ভৱিষ্যতৰ দিশলৈ আগ বাঢ়ি যাব পাৰিম। ❖

## অনুকৰণীয় ব্যক্তিত্ব

# এন আৰ নাৰায়ণা মূৰ্তি

■ ডলী চৌধুৰী



১৯৬২ চনৰ জুন মাহ। ৰেল ষ্টেছনত থিয় হৈ থকা এজন ১৬ বছৰীয়া কিশোৰ, চকু-মুখত ফুটি উঠিছে দৃঢ়তা আৰু কিবা এটা কৰাৰ দুৰন্ত হেঁপাহ। কিন্তু তেওঁ অতি দুখমনে বিদায় দিছে চেন্নাই (তেতিয়াৰ মাদ্ৰাজ) অভিমুখে ৰেলত উঠি যাত্ৰা আৰম্ভ কৰিবলৈ ওলোৱা তেওঁৰ ভালেসংখ্যক বন্ধু-বান্ধৱক। বন্ধুসকল যাব পঢ়িবলৈ, এক নতুন পোহৰেৰে আলোকিত হৈ উঠিব তেওঁলোকৰ ভৱিষ্যতৰ পৃথিৱীখন। কিন্তু এই কিশোৰজন! তেওঁ কিয় নাযায়? চকু দুটা মুদি প্লেটফৰ্মত থকা বেঞ্চখনত বহি দিলে তেওঁ। চকুৰ আগত ভাহি আহিল অজস্ৰ ছবি। বন্ধু-বান্ধৱৰ লগত কটোৱা সেই সুমধুৰ সময়। বন্ধু-বান্ধৱৰ লগত কৰা বিভিন্ন আলোচনা, আইআইটিৰ বাবে কৰা প্ৰস্তুতি আদি কথাবোৰে তেওঁৰ মনত দোলা দিবলৈ আৰম্ভ কৰিলে। সেই সময়ত আইআইটি (IIT) আৰু আন আন প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুতি কৰাটো আজিকালিৰ নিচিনা সহজ নাছিল। এই ল'ৰাজন আৰু তেওঁৰ বন্ধুসকলৰ লগত কোনো বিশেষ ধৰণৰ প্ৰসংগ পুথি-পাঁজিও নাছিল। কেৱল আছিল তেওঁলোকৰ অসাধাৰণ বুদ্ধিমত্তা, প্ৰচুৰ কৰ্ম শক্তি, উদ্যম আৰু ইজন সিজনৰ সংগ। সেই সময়ত আইআইটিত নামভৰ্তি কৰিব পৰাটো যেন জীৱনৰ চৰম প্ৰাপ্তি আছিল। যেতিয়া লগৰ ল'ৰাবিলাকে কিবা জটিল প্ৰশ্নৰ সমাধান উলিয়াবলৈ যুঁজিব লগা হৈছিল, তেওঁ নিমিষতে সেইবিলাক সমাধা কৰি লগৰীয়াক সহায় কৰিছিল। গণিত, বিজ্ঞানৰ বিষয়সমূহে তেওঁৰ লাজকুৰীয়া চকু দুটিলৈ পোহৰ আনি দিছিল। এইবিলাক কথা সুঁৱৰি তেওঁ বহু সময় প্লেটফৰ্মৰ বেঞ্চখনতেই বহি থাকিল। আকৌ

এবাৰ বন্ধুসকলৰ কথা মনত পৰিল তেওঁৰ, "তই কিবাকৈ হ'লেও এডমিছন ল'ব লাগিছিল।" হয় তেৰোঁ বাংগালুৰুৰ পৰাই প্ৰবেশ পৰীক্ষা দিছিল আৰু সোতৰ নম্বৰ স্থানসহ এই পৰীক্ষাত উত্তীৰ্ণও হৈছিল। বৰ আগ্ৰহেৰে দেউতাকক যেতিয়া তেওঁ এই ভাল খবৰটো দিছিলগৈ, দেউতাকে পঢ়ি থকা খবৰ কাগজখন আঁতৰাই তেওঁক কৈছিল, "মই তোমাক লৈ গৰ্বিত, কিন্তু আইআইটিৰ মাচুল ভৰিবলৈ মোৰ ইমান ধন নাই, তদুপৰি তুমি বছৰৰ শেষতহে বৃত্তিৰ ধন পাবা।" দেউতাকৰ এনে কথাই তেওঁৰ অন্তৰত যথেষ্ট কষ্ট দিছিল যদিও তেওঁ পিতৃৰ অসহায় অৱস্থাৰ কথা গভীৰভাৱে উপলব্ধি কৰিব পাৰিছিল। দেউতাকৰ আন এটা বক্তব্যই তেওঁৰ জীৱনৰ দিক নিৰ্ণয় কৰিছিল। দেউতাকে কৈছিল, "সদায় মনত ৰাখিবা, কোনো শিক্ষানুষ্ঠান বা ডাঙৰ ডাঙৰ অনুষ্ঠানে তোমাৰ জীৱনলৈ সমৃদ্ধি কঢ়িয়াই আনিব নোৱাৰে, বৰঞ্চ তুমি নিজেই চেষ্টা কৰিলে য'ৰে পৰা নহ'লেও তোমাৰ জীৱনটো সমৃদ্ধিশালী কৰি তুলিব পাৰিবা।" দেউতাকৰ এই কথাখিনিকেই বুকুত সযতনে আঁকোৱালি তেওঁ এইবাৰ বেঞ্চখনৰ পৰা উঠি থিয় হ'ল আৰু মনতে প্ৰতিজ্ঞা কৰিলে যে তেওঁ কিবা এটা কৰিবই আৰু জীৱনটো বিচৰা ধৰণে গঢ় দিব।

একালৰ এই কিশোৰজনেই হ'ল নাগৱাৰা ৰামাৰাও নাৰায়ণা মূৰ্তি চমুকৈ এন আৰ নাৰায়ণা মূৰ্তি। ভাৰতীয় বহুৰাষ্ট্ৰীয় কোম্পানী ইনফ'চিচ লিমিটেডৰ জন্মৰ আঁৰৰ প্ৰতিভাশালী ব্যক্তিসকলৰ অন্যতম এন আৰ নাৰায়ণা মূৰ্তি হ'ল বৰ্তমান ভাৰতবৰ্ষৰ প্ৰসিদ্ধ উদ্যোগপতিসকলৰ এজন। এই ইনফ'চিচৰ স্থাপন আৰু ইয়াৰ সফলতা সুনিশ্চিত কৰাত এন আৰ নাৰায়ণা মূৰ্তিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

এন আৰ নাৰায়ণা মূৰ্তিৰ জন্ম হয় ১৯৪৬ চনৰ ২০ আগষ্টত কৰ্ণাটক ৰাজ্যৰ মহীশূৰ নামৰ এখন চহৰৰ এটা মধ্যবিত্ত পৰিয়ালত। দেউতাক এগৰাকী শিক্ষক আছিল। তেওঁৰ আঠজন ভাতৃ আৰু এগৰাকী ভনীয়েক। পৰিয়ালটো আৰ্থিকভাৱে সিমান স্বচ্ছল নাছিল। তেওঁ চৰকাৰী বিদ্যালয়তেই শিক্ষা জীৱনৰ পাতনি মেলিছিল। পাছত ১৯৬৭ চনত নেছনেল ইন্সটিটিউট অব ইঞ্জিনিয়াৰিঙৰ পৰা তেওঁ ইলেকট্ৰিকেল ইঞ্জিনিয়াৰিঙত স্নাতক ডিগ্ৰী লাভ কৰে আৰু ১৯৬৯ চনত কাণপুৰ আইআইটিৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

শৈশৱৰ পৰাই তেওঁ অত্যন্ত মেধাৱী আছিল। গণিত আৰু পদাৰ্থবিজ্ঞান বিষয় দুটাৰ প্ৰতি তেওঁৰ বিশেষ আকৰ্ষণ আছিল। ঘৰুৱা পৰিৱেশত পিতৃ-মাতৃৰ পৰা তেওঁ সাধুতা, পৰোপকাৰ, নিঃস্বাৰ্থ সেৱাৰ মনোভাব আদি গুণ লাভ কৰিছিল। প্ৰত্যেক তিনি বছৰৰ মূৰে মূৰে দেউতাকৰ ইখন ঠাইৰ পৰা সিখন ঠাইলৈ বদলি হৈছিল বাবে কৰ্ণাটক ৰাজ্যৰ বিভিন্ন ঠাই তেৰোঁ ভ্ৰমি ফুৰিছিল বাবে বহু অভিজ্ঞতাৰে তেওঁ পুষ্ট হৈ উঠিছিল। ইংৰাজী কিতাপৰ প্ৰতি আছিল তেওঁৰ বিশেষ আকৰ্ষণ। অতি কম বয়সতেই তেওঁ ইংৰাজ কবি, সাহিত্যিক, নাট্যকাৰ উইলিয়াম শ্বেক্সপিয়েৰৰ ৰচনাৰাজি পঢ়িবলৈ আৰম্ভ কৰিছিল। কিতাপৰ উপৰি কোমল বয়সৰ পৰাই তেওঁ পশ্চিমীয়া সংগীতৰ প্ৰতিও আকৰ্ষিত হৈছিল আৰু এই আকৰ্ষণৰ কাৰণ আছিল তেওঁৰ দেউতাকৰ এনে সংগীতৰ প্ৰতি থকা ৰাপ।

তেওঁৰ মাতৃ এগৰাকী সাধাৰণ গৃহিণী আছিল যদিও, এটা বৃহৎ পৰিয়াল পোহপাল দি কেনেদৰে সুচাৰুৰূপে সকলো বিষয় সামৰিব পাৰি সেই কথা জানিছিল। মাতৃৰ পৰাও তেওঁ শিকিছিল বিলাই দিয়াৰ আনন্দ, মৰম-চেনেহেৰে সকলোকে আঁকোৱালি ল'ব পৰা মূল্যবোধৰ শিক্ষা। শৈশৱৰ সুখকৰ অথচ সংগ্ৰামেৰে ভৰপূৰ অভিজ্ঞতাই সৃষ্টি কৰিছে আজিৰ পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ উদ্যোগপতিসকলৰ অন্যতম, ভাৰতীয় বহুৰাষ্ট্ৰীয় কোম্পানী ইনফ'চিচ লিমিটেডৰ প্ৰতিষ্ঠাপক এন আৰ নাৰায়ণা মূৰ্তিক।

নাৰায়ণা মূৰ্তিয়ে এক অপ্ৰচলিত কেৰিয়াৰৰ পথ বাছি লৈছিল। তেওঁলৈ নাই বুলিলেও পাঁচটাতকৈ অধিক চাকৰিৰ প্ৰস্তাৱ আহিছিল বিদেশৰ পৰা। কিন্তু এইবিলাক তেওঁ গ্ৰহণ নকৰিলে। আনকি তেওঁ সহজে লাভ কৰিব পৰা চৰকাৰী চাকৰি কৰাৰ কথাও নাভাবিলে। ইয়াৰ কাৰণ হিচাপে ক'ব পাৰি যে তেওঁৰ জীৱনত গুৰুত্বপূৰ্ণ

আৰু গভীৰ প্ৰভাৱ পেলোৱা তেওঁৰ কেইগৰাকীমান শিক্ষাগুৰু। তেওঁ নিজমুখে এই কথা কৈছে যে হাইস্কুলীয়া জীৱনত তেওঁ প্ৰধান শিক্ষক হিচাপে পোৱা কে ভি নাৰায়ণৰ প্ৰভাৱে তেওঁক আজিৰ স্থানত উপনীত কৰাইছে। আকৌ মহীশূৰৰ নেছনেল ইন্সিটিটিউট অব ইঞ্জিনিয়াৰিঙৰ (National Institute of Engineering) প্ৰফেছৰ ড° এন কৃষ্ণমূৰ্তিৰ নিচিনা শিক্ষকে তেওঁৰ জ্ঞান চকু মুকলি কৰিছিল। তেওঁ তেওঁৰ ছাত্ৰসকলক ভাৰতৰ বাহিৰৰ ঠাইত কি ঘটি আছে সেইবিলাক কথা জানিবলৈ দিছিল। সেয়েহে মহীশূৰৰ বিই ডিগ্ৰী আৰু কাণপুৰ আইআইটিৰ এমটেক ডিগ্ৰী দুটাক সাৰোগত কৰি তেওঁ জীৱনৰ আটাইতকৈ ডাঙৰ সিদ্ধান্তটো লৈছিল কম্পিউটাৰ বিজ্ঞানৰ জগতখনত, ১৯৬৯ চনত। তেওঁ যোগদান কৰিছিল আহমেদাবাদৰ IIMত মাত্ৰ ৮০০ টকা মাহিলি দৰমহাত, মুখ্য ছিষ্টেম প্ৰগ্ৰেমাৰ হিচাপে। পৰৱৰ্তী সময়ত ১৯৮১ চনত লগৰ আন ৬ জন ইঞ্জিনিয়াৰৰ সৈতে লগ হৈ ঐতিহাসিক ইনফ'চিচ স্থাপন কৰে। ১৯৮১ চনৰ পৰা ২০০২ চনলৈ এই কোম্পানীটোৰ CEO, মুখ্য কাৰ্য্যবাহী বিষয়া হিচাপে, ২০০২ চনৰ পৰা ২০০১ চনলৈ চেয়াৰমেন আৰু ২০১১ চনৰ পৰা বৰ্তমানলৈ তেওঁ এই কোম্পানীৰ এমেৰিটাছ চেয়াৰমেন পদত অধিষ্ঠিত।

*

১৯৮১ চনত নাৰায়ণা মূৰ্তিয়ে তেওঁৰ আন ৬ গৰাকী বন্ধুৰ সৈতে লগ লৈ ইনফ'চিচ প্ৰতিষ্ঠা কৰাৰ সময়ত কিন্তু কোনোজনৰে হাতত পৰ্য্যাপ্ত মূলধন নাছিল। তেনেহ'লে কোম্পানীটো প্ৰতিষ্ঠা কৰিছিল কেনেদৰে? তেওঁলোকে বিভিন্ন শুভাকাংক্ষী তথা প্ৰতিষ্ঠানৰ পৰা ধন সংগ্ৰহ কৰিছিল। এইসকলৰ ভিতৰত অন্যতম আছিল নাৰায়ণা মূৰ্তিৰ পত্নী সুধা মূৰ্তি। তেওঁৰ হাতত ১০,০০০ টকা সাঁচতীয়া ধন আছিল। এই ধনৰাশি তেওঁ গিৰীয়েক সহিতে সেই ৬ জন বন্ধুক দি কোম্পানীটো প্ৰতিষ্ঠা কৰাত সহায় কৰিছিল। এইখিনিতে উল্লেখযোগ্য যে সুধা মূৰ্তি এগৰাকী প্ৰথিতযশা লেখক তথা সমাজসেৱক। ভাৰত চৰকাৰে সুধা মূৰ্তিক ২০০৬ চনত পদ্মশ্ৰী আৰু চলিত বৰ্ষত পদ্মভূষণ বঁটাৰে বিভূষিত কৰে।

কোম্পানীটোৰ আৰম্ভণিৰ দিনবিলাক যথেষ্ট প্ৰত্যাহ্বানপূৰ্ণ আছিল। গ্ৰাহকক আকৰ্ষণ কৰাৰে পৰা বজাৰত নিজৰ স্থিতি সবল কৰিবলৈ ভালেখিনি শ্ৰমৰ প্ৰয়োজন হৈছিল দলটোৰ। এনে সময়ো আহিছিল যে কোম্পানীটোৰ অৱস্থা থৰক-বৰক হৈ বন্ধ হোৱাৰ উপক্ৰম হৈছিল। সেই সময়ত নাৰায়ণা মূৰ্তিৰ সহযোগীসকলে কোম্পানীটো বিক্ৰী কৰাৰ পক্ষপাতী আছিল। তেওঁলোকৰ মাজত চাৰি ঘণ্টা জুৰি এক বৈঠক হৈছিল আৰু সকলোৱে প্ৰায় অন্তিম সিদ্ধান্তত উপনীত হৈছিল যে তেওঁলোকে কোম্পানীটো বিক্ৰী কৰিব। এনে এক সময়তে নাৰায়ণা মূৰ্তিয়ে প্ৰস্তাৱ দিছিল যে তেৱেঁই কোম্পানীটো কিনি ল'ব আৰু কৈছিল "আমাৰ দেশত কামটো কষ্টকৰ হ'ব, কিন্তু তেওঁলোকে এদিন পোহৰ দেখিবই।" নিমিষতে আনকেইজন সদস্যয়ো কৈ উঠিছিল, "আমিও তোমাৰ লগত আছোঁ।" 'চেণ্টাৰ মাৰাথন' আৰম্ভ হ'ল বুলি সকলোৱে সমস্বৰে প্ৰতিজ্ঞা কৰিলে। কোম্পানী বিক্ৰী কৰা, লোকচান ভৰা আদি কথাবোৰ মনৰ পৰা উলিয়াই দিবলৈ তেওঁলোক দৃঢ়প্ৰতিজ্ঞ হ'ল। তাৰ সলনি কেনেদৰে কোম্পানীটোৰ সৰ্বাংগীণ উন্নতি সাধিব পাৰি সেই কথাত কায়মনোবাক্যে, একান্তভাৱে নিৰন্তৰ সাধনা কৰি যাবলৈ সকলোৱে মন স্থিৰ কৰিলে। আৰু তাৰ ফল সকলোৰে সমুখত। ইনফ'চিচ বৰ্তমান পৃথিৱীৰ শীৰ্ষ এশটা কোম্পানীৰ ভিতৰত এটা। কোম্পানীটোৰ আন্তঃগাঁথনি মজবুত কৰি তোলা, কৰ্মস্থলীৰ পৰিৱেশ আনন্দময় কৰি সকলো কৰ্মচাৰীৰ বাবে এক সুখকৰ বাতাবৰণ সৃষ্টি কৰাটোও তেওঁলোকৰ অন্যতম লক্ষ্য আছিল। তদুপৰি ধন-সম্পত্তি বা টকা-পইচা সম্পৰ্কত নাৰায়ণা মূৰ্তিৰ ধাৰণা এয়ে যে প্ৰচুৰ ধন-সম্পদৰ গৰাকী হোৱাৰ সুযোগ লাভ কৰাজনে সমাজলৈ ধনাত্মক পৰিৱৰ্তন আনিবলৈ যত্নপৰ হোৱা উচিত। সুখ-বিলাসৰ এক নিৰ্দিষ্ট পৰিধিৰ মাজত থাকি এনে কাম কৰিব পাৰি বুলি তেওঁৰ আন সহযোগী সকলেও ভাবে। ❖

## বিশিষ্ট চলচ্চিত্ৰ পৰিচালক হেমেন দাসৰ দেহাৱসান



ৰজত কমল বঁটা বিজয়ী যশস্বী চলচ্চিত্ৰ নিৰ্মাতা হেমেন দাসৰ যোৱা ১৭ নৱেম্বৰ তাৰিখে ৭৭ বছৰ বয়সত দেহাৱসান ঘটে। ১৯৪৬ চনৰ ১ ছেপ্টেম্বৰত আঁহতগুৰিৰ এটা অতি সাধাৰণ পৰিয়ালত জন্মগ্ৰহণ কৰা বিশিষ্ট পৰিচালক, অভিনেতা, সু-লেখক দাসে ১৯৭০ চনতে অসমৰ সংস্কৃতি তথা সাহিত্য জগতখনৰ লগত ঘনিষ্ঠভাৱে জড়িত হৈ পৰে। বিভিন্ন বাধা-বিঘিনি অতিক্ৰম কৰি তেওঁ ১৯৯০ চনত অসমৰ ঐতিহ্যপূৰ্ণ কৃষ্টি ম'হযুঁজক প্ৰতীক হিচাপে লৈ 'যুঁজ' নামৰ চলচ্চিত্ৰখন নিৰ্মাণ কৰে। উল্লেখযোগ্য যে ১৯৯১ চনত এইখন চলচ্চিত্ৰই ৰজত কমল বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। তেওঁৰ আন কেইখনমান চলচ্চিত্ৰ হৈছে—গৰখীয়া, আঁহতগুৰিৰ নতুন বাট, মৃগনাভি ইত্যাদি। দাসৰ দ্বাৰা ৰচিত কেইখনমান জনপ্ৰিয় গ্ৰন্থ হৈছে—নাট্যশিল্প, পম খেদি, অভিনয়, চিনেমা চিনেমা, ভিন্নস্বাদ, শিল্পচিন্তা আদি। তেওঁৰ দ্বাৰা ৰচিত দুখন উল্লেখযোগ্য নাটক হৈছে—কল্পতৰু আৰু শান্তিযুদ্ধৰ বাবে। ভাৰত চৰকাৰৰ চেণ্ট্ৰেল ব'ৰ্ড অৱ ফিল্ম চাৰ্টিফিকেছনৰ উত্তৰ-পূৰ্বাঞ্চলৰ একমাত্ৰ সন্মানীয় ব'ৰ্ড সদস্য হিচাপে কাৰ্য্যনিৰ্বাহ কৰা পৰিচালক দাসৰ প্ৰচেষ্টাত জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ' চৌহদত ফিল্ম চেন্সৰৰ আঞ্চলিক কাৰ্য্যালয় স্থায়ীভাৱে স্থাপন কৰা হয়। অসমৰ সাহিত্য-সংস্কৃতিলৈ আগ বঢ়োৱা অনৱদ্য অৱদানৰ স্বীকৃতি স্বৰূপে পৰিচালক দাসক ১৯৯৭ চনত ভাৰতীয় দলিত সাহিত্য অকাডেমীৰ ড° আম্বেদকাৰ ফেল'শ্বিপ প্ৰদান কৰা হয়। অসম চৰকাৰৰ সাহিত্যিক বঁটা লাভ কৰা দাসক সাংস্কৃতিক মহাসভাই জীৱন জোৰা সাধনা বঁটা প্ৰদান কৰিছে।

## বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত চেম্পিয়ন অষ্ট্ৰেলিয়া




যোৱা ১৯ নৱেম্বৰ তাৰিখে আহমেদাবাদত অনুষ্ঠিত ১৩ সংখ্যক ক্ৰিকেট বিশ্বকাপ প্ৰতিযোগিতাৰ ফাইনেল খেলত আয়োজক দেশ ভাৰতক পৰাজিত কৰি অষ্ট্ৰেলিয়াই চেম্পিয়নৰ খিতাপ দখল কৰিবলৈ সক্ষম হয়। বিশ্বৰ সৰ্ববৃহৎ ক্ৰিকেট ষ্টেডিয়াম আহমেদাবাদৰ নৰেন্দ্ৰ মোডী ষ্টেডিয়ামত অনুষ্ঠিত খেলত ভাৰতে প্ৰথমতে বেটিং কৰি আটাইকেইটা উইকেট হেৰুৱাই নিৰ্ধাৰিত ৫০ অ'ভাৰত ২৪০ ৰানহে কৰিবলৈ সক্ষম হয়। ইয়াৰ বিপৰীতে অষ্ট্ৰেলিয়াই ৪৩ অভাৰতে মাত্ৰ চাৰিটা উইকেট হেৰুৱাই ২৪১ ৰান কৰি বিজয় সাব্যস্ত কৰে। ডেৰমাহ ধৰি চলা এই প্ৰতিযোগিতাত মুঠ ৪৮খন খেল অনুষ্ঠিত হয়। আয়োজক ভাৰতে লীগ পৰ্য্যায়ৰ সকলোবোৰ মেচতে (১০ খন) জয়লাভ কৰি ফাইনেল খেলখনত পৰাজয় স্বীকাৰ কৰিবলগীয়া হয়। প্ৰতিযোগিতাখনত মুঠ ১১টা ইনিংছ খেলি ভাৰতৰ বিৰাট কোহলীয়ে ৭৬৫ ৰান সংগ্ৰহ কৰি প্ৰতিযোগিতাৰ 'শ্ৰেষ্ঠ খেলুৱৈ'ৰ (man of the tournament) সন্মান লাভ কৰিবলৈ সক্ষম হয়। ফাইনেল খেলখনত ১২০টা বলত ১৩৭ ৰান কৰি অষ্ট্ৰেলিয়াৰ ট্ৰেভিছ হেডে 'মেন অৱ দ্যা মেচ'ৰ সন্মান লাভ কৰে। মুঠ ১০খন দেশে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাৰ চেম্পিয়ন দলটোৱে ট্ৰফীৰ লগতে ৪.২৮ নিযুত মাৰ্কিন ডলাৰৰ অৰ্থ পুৰস্কাৰ লাভ কৰে। উল্লেখযোগ্য যে বিৰাট কোহলীয়ে ছেমিফাইনেল

খেলত নিউজিলেণ্ডৰ বিৰুদ্ধে শতৰান কৰি মুঠ ৫০টা শতকেৰে শচীন তেণ্ডুলকাৰৰ এদিনীয়া খেলৰ ৰেকৰ্ড ভংগ কৰি বিশ্ব অভিলেখ গঢ়ে।

## গোৱা ৰাষ্ট্ৰীয় ক্ৰীড়াৰ সফল সামৰণি




যোৱা ২৬ অক্টʼবৰৰ পৰা ৯ নৱেম্বৰলৈ গোৱাত অনুষ্ঠিত ৩৭ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমে চমকপ্ৰদ প্ৰদৰ্শন দেখুৱাবলৈ সক্ষম হয়। এই বৰ্ষৰ ৰাষ্ট্ৰীয় ক্ৰীড়াত উৎকৃষ্ট প্ৰদৰ্শনেৰে অসমে ১৪টা সোণ আৰু ২০টা ৰূপৰ পদকসহ মুঠ ৫৬টা পদক লাভ কৰিবলৈ সক্ষম হয়। এই বৰ্ষত অসমৰ খেলুৱৈয়ে ২৭ বিধ খেলত অংশ লৈ ১৪ বিধ খেলত পদক অৰ্জন কৰিবলৈ সমৰ্থ হয়। গোৱা ৰাষ্ট্ৰীয় ক্ৰীড়াত প্ৰথমবাৰৰ বাবে অন্তৰ্ভুক্ত হোৱা 'পেনচাক ছিলাট' আৰু 'কালাৰিপায়াট্টু' খেল দুবিধত অসমে মুঠ ১৩টা পদক লাভ কৰিবলৈ সমৰ্থ হয়। পদকবিজয়ী তিনিটা শীৰ্ষ দলৰ স্থিতি হৈছে—

| দল | সোণ | ৰূপ | ব্ৰঞ্জ | মুঠ |
|---|---|---|---|---|
| মহাৰাষ্ট্ৰ | ৮০ | ৬৯ | ৭৯ | ২২৮ |
| ছাৰ্ভিছেজ | ৬৬ | ২৭ | ৩৩ | ১২৬ |
| হাৰিয়ানা | ৬২ | ৫৫ | ৭৫ | ১৯২ |

পদক তালিকাত ১৪টা সোণসহ অসমে ১২ নম্বৰ স্থান অধিকাৰ কৰে। পৰৱৰ্তী ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া উত্তৰাখণ্ডত অনুষ্ঠিত হʼব বুলি কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰে।

## ছেইনিছ পালাচিয়ছলৈ মিছ ইউনিভাৰ্ছ-২০২৩ খিতাপ

যোৱা ১৯ নৱেম্বৰত মধ্য আমেৰিকাৰ দেশ এল ছালভাডʼৰত অনুষ্ঠিত ৭২ সংখ্যক ব্ৰহ্মাণ্ড সুন্দৰী প্ৰতিযোগিতাত নিকাৰাগুৱাৰ ২৩ বছৰীয়া ছেইনিছ পালাচিয়ছে ২০২৩ বৰ্ষৰ 'মিছ ইউনিভাৰ্ছ' খিতাপ দখল



কৰে। মিছ ইউনিভাৰ্ছ-২০২৩ খিতাপ দখল কৰা ছেইনিছ পালাচিয়ছ হৈছে এনে সন্মান লাভ কৰা নিকাৰাগুৱাৰ প্ৰথমগৰাকী মহিলা। বিশ্বৰ ৯০ খন দেশে অংশগ্ৰহণ কৰা এই ব্ৰহ্মাণ্ড সুন্দৰী প্ৰতিযোগিতাত চূড়ান্ত বিজয়ীৰ খিতাপ লাভ কৰিবলৈ সক্ষম হোৱা ছেইনিছ পালাচিয়ছ হৈছে টিভি অনুষ্ঠানৰ আঁত ধৰোঁতা আৰু মডেল। এই প্ৰতিযোগিতাত মিছ থাইলেণ্ড এণ্টʼনিয়া পৰচিল্ডে প্ৰথম ৰানাৰআপ আৰু মিছ অষ্ট্ৰেলিয়া মৰায়া উইলছনে দ্বিতীয় ৰানাৰআপৰ সন্মান লাভ কৰে। প্ৰতিযোগিতাত ভাৰতৰ শ্বেতা শ্বাৰদাই শীৰ্ষ-২০ত স্থান লাভ কৰে।

## এছিয়া মহাদেশৰ শ্ৰেষ্ঠ পিকিং বিশ্ববিদ্যালয়

যোৱা ৮ নৱেম্বৰ তাৰিখে প্ৰকাশিত কিউ এছ বিশ্ববিদ্যালয় ৰেংকিঙত চীন দেশৰ পিকিং বিশ্ববিদ্যালয়ে এছিয়া মহাদেশৰ ভিতৰত শীৰ্ষ স্থান দখল কৰিবলৈ সক্ষম হয়। এছিয়া মহাদেশৰ মুঠ ৮৫৬ খন বিশ্ববিদ্যালয়ৰ ভিতৰত আইআইটি গুৱাহাটীয়ে ১১৭ সংখ্যক স্থান লাভ কৰে। এই বৰ্ষৰ তালিকাৰ শীৰ্ষৰ ১০ খনৰ ভিতৰত ভাৰতৰ এখনো শিক্ষানুষ্ঠানে স্থান লাভ কৰিবলৈ সক্ষম নহʼল যদিও আইআইটি, বম্বেই ৪০ সংখ্যক স্থান আৰু আইআইটি, দিল্লীয়ে ৪৬ সংখ্যক স্থান লাভ কৰে। উল্লেখযোগ্য যে মূলতঃ ১১টা শৈক্ষিক দিশত মূল্যায়ন কৰি বিশ্ববিদ্যালয়সমূহক স্থান দিয়া হৈছে। শিক্ষানুষ্ঠানখনৰ শৈক্ষিক মান, শিক্ষক-ছাত্ৰৰ অনুপাত, আন্তৰ্জাতিক স্তৰৰ গৱেষণা, শিক্ষক-কৰ্মচাৰীৰ পিএইচডি ডিগ্ৰী, ফলাফল আদি ক্ষেত্ৰসমূহ সূক্ষ্মভাৱে বিবেচনা কৰি তালিকা প্ৰস্তুত

কৰা হয়। প্ৰকাশিত তালিকাত চীনৰ পিকিং বিশ্ববিদ্যালয়ে একেৰাহে দ্বিতীয় বৰ্ষলৈ প্ৰথম স্থান পাবলৈ সক্ষম হয়। দ্বিতীয় আৰু তৃতীয় স্থান দখল কৰে কৰে হংকং বিশ্ববিদ্যালয় আৰু নেছনেল ইউনিভাৰ্ছিটি অব ছিংগাপুৰে। এই বৰ্ষত আমেৰিকা যুক্তৰাষ্ট্ৰৰ মেছাচুছেট্‌ছ ইন্সটিটিউট অফ টেকন'লজিয়ে (MIT) বিশ্বৰ শীৰ্ষ স্থান দখল কৰিবলৈ সক্ষম হয়।

## বিশ্ব শান্তি সূচকাংকৰ শীৰ্ষত আইচলেণ্ড



ইউৰোপৰ আইচলেণ্ড একেলেথাৰিকৈ পঞ্চদশ বৰ্ষৰ বাবে বিশ্বৰ সবাতোকৈ শান্তিপূৰ্ণ দেশ হিচাপে পৰিগণিত হৈছে। বিশ্ব শান্তি সূচকাংক আৰু অৰ্থনৈতিক শান্তি প্ৰতিষ্ঠানৰ যুটীয়া সহযোগত যোৱা ৯ নৱেম্বৰত প্ৰকাশিত তালিকাত ভাৰতে ১২৬ সংখ্যক স্থান লাভ কৰিছে। তালিকাখনত আইচলেণ্ডৰ পাছতে ডেনমাৰ্ক, আয়াৰলেণ্ড আৰু নিউজিলেণ্ডে স্থান লাভ কৰিছে আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই তালিকাখনত ১৩১ সংখ্যক স্থান লাভ কৰে। এই তালিকাত উত্তৰ কোৰিয়া সৰ্বনিম্ন স্থানত থাকে।

## মালদ্বীপৰ নতুন ৰাষ্ট্ৰপতি ড° মহম্মদ মুইজ্জু



যোৱা ১৭ নৱেম্বৰ তাৰিখে ড° মহম্মদ মইজ্জুই মালদ্বীপৰ অষ্টমগৰাকী ৰাষ্ট্ৰপতি হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰে। অভিযন্তা হিচাপে কৰ্মজীৱন আৰম্ভ কৰা ৪৫ বছৰীয়া মইজ্জুক দেশখনৰ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ মুথাছিম আদনানে ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ কৰোৱায়। ভাৰতৰ কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু তথা কমনৱেলথ দেশৰ অধ্যক্ষকে ধৰি বিভিন্ন ৰাষ্ট্ৰপ্ৰধানৰ উপস্থিতিত শপত গ্ৰহণ অনুষ্ঠিত হয়। ভাৰতৰ বাবে এই বৰ্ষৰ নিৰ্বাচন অত্যন্ত গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। ভাৰতৰ সমৰ্থক প্ৰাৰ্থী প্ৰাক্তন ৰাষ্ট্ৰপতি ইব্ৰাহিম চোলীহ নিৰ্বাচনত চীন দেশ সমৰ্থিত প্ৰাৰ্থী ড° মুইজ্জুৰ হাতত পৰাজিত হয়।

## হামাছ—ইজৰাইলৰ যুদ্ধবিৰতি ঘোষণা

যোৱা ৭ অক্ট'বৰ তাৰিখে আৰম্ভ হোৱা ইজৰাইল-পেলেষ্টাইনৰ সংঘাত নিৰাময়ৰ বাবে ২৪ নৱেম্বৰত হামাছ আৰু ইজৰাইলৰ মাজত যুদ্ধবিৰতি চুক্তি সম্পাদন কৰা হয়। সম্পাদিত যুদ্ধবিৰতি চুক্তি কাৰ্য্যকৰী কৰা হয় আৰু ২৪ নৱেম্বৰৰ সন্ধিয়া হামাছে ২৪ জন আৰু ইজৰাইলে ৩৯ গৰাকী ব্যক্তিক মুক্তি দিয়ে। কাটাৰ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মধ্যস্থতাত হামাছ আৰু ইজৰাইলৰ মাজত চাৰিদিনীয়া যুদ্ধবিৰতি চুক্তি স্বাক্ষৰিত হৈছে। যুদ্ধবিৰতি চুক্তিখনত থকা মূল দফাকেইটাৰ শিৰোনাম হৈছে—যুদ্ধবিৰতি (৪ দিন), উভয়পক্ষৰ পণবন্দী মুক্তি, দিনৰ নিৰ্দিষ্ট সময়ত উত্তৰ গাজাত বিমান চলাচল বন্ধ আৰু দক্ষিণ গাজাত বিমান চলাচল সামগ্ৰিকভাৱে বন্ধ। ৫০ জন পণবন্দীৰ বিনিময়ত ইজৰাইলে দেশখনত বন্দী হৈ থকা ১৫০ গৰাকী পেলেষ্টাইনী মহিলা-শিশুক মুক্তি দিব। লগতে প্ৰতি ১০ অতিৰিক্ত পণবন্দীৰ মুক্তিত যুদ্ধবিৰতি এদিনকৈ বৃদ্ধি কৰা হ'ব।

ইতিমধ্যে হামাছৰ নৌবাহিনীৰ কমাণ্ডাৰক হত্যা কৰা হৈছে আৰু গাজাত নিহতৰ সংখ্যা ১৫ হাজাৰলৈ বৃদ্ধি পাইছে তথা প্ৰায় ১৬ লাখ লোক গৃহহীন হৈ পৰিছে। আনহাতে ইজৰাইলত নিহত লোকৰ সংখ্যা ১৬০০ জন আৰু আহতৰ সংখ্যা ৫,৬০০ জন। ৰাষ্ট্ৰসংঘই গাজাত ইজৰাইলৰ অমানৱীয় আক্ৰমণ বন্ধ কৰাবলৈ প্ৰস্তাৱ গ্ৰহণ কৰিছে আৰু বিভিন্ন দেশে পেলেষ্টাইনক ঔষধ আৰু খাদ্যসামগ্ৰীৰ যোগান আগ বঢ়াই আছে। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

# খবৰৰ লেছেৰি বোটলা

**(২১ অক্টোবৰ, ২০২৩ৰ পৰা ২০ নৱেম্বৰ, ২০২৩লৈ)**

২৪ **অক্টোবৰ** : ভাৰতৰ কিংবদন্তি স্পীন বলাৰ তথা অধিনায়ক বিষেণ সিং বেদীৰ ৭৭ বছৰ বয়সত মৃত্যু হয়।

- অসমৰ বৰ্ণিল চাংমাইয়ে এছিয়ান জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপত স্বৰ্ণ পদক লাভ কৰে।
- বিশিষ্ট সাংবাদিক তথা চিত্ৰ সমালোচক অৰুণলোচন দাসৰ ৭১ বছৰ বয়সত দেহাৱসান ঘটে।

২৫ **অক্টোবৰ** : এনচিইআৰটিয়ে স্কুলীয়া পাঠ্যপুথিত 'ইণ্ডিয়া' নামটোৰ সলনি 'ভাৰত' নামটো ব্যৱহাৰ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক প্ৰস্তাৱ দাখিল কৰে।

২৭ **অক্টোবৰ** : বিশিষ্ট অৰ্থনীতিবিদ তথা চীনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী লী কেকিয়াঙৰ ৬৮ বছৰ বয়সত দেহাৱসান হয়।

২৮ **অক্টোবৰ** : লেখক, সাংবাদিক সঞ্জয় হাজৰিকাক মুম্বাইত ৰটাৰী ৰাইটিং ফৰ পীচ বঁটা প্ৰদান কৰা হয়।

২৯ **অক্টোবৰ** : 'সময়' গীতটোৰ বাবে অসমৰ নীশান্ত নিতুলে আমেৰিকা যুক্তৰাষ্ট্ৰৰ 'ট্ৰেক মিউজিক এৱাৰ্ড-২০২৩'ৰ শ্ৰেষ্ঠ গীতৰ বঁটা লাভ কৰে।

৩০ **অক্টোবৰ** : জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা প্ৰাক্তন মন্ত্ৰী শৰৎ বৰকটকীৰ ৮৮ বছৰ বয়সত মৃত্যু হয়।

৩১ **অক্টোবৰ** : মানৱবিশিষ্ট গগনযান অভিযানৰ প্ৰাৰম্ভিক পৰীক্ষণ ইছৰোৱে সফলভাৱে সম্পন্ন কৰে।

- ফুটবল মহাতাৰকা লায়নেল মেছীয়ে অষ্টমবাৰৰ বাবে 'বেলন ডিঅৰ' বঁটা লাভ কৰে।

১ **নৱেম্বৰ** : প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাই যৌথভাৱে আগৰতলা-আখউৰা (বাংলাদেশ) ৰেল সেৱা উদ্বোধন কৰে।

৪ **নৱেম্বৰ** : নেপালত ভূমিকম্পত প্ৰায় ২০০ লোকৰ প্ৰাণহানি হয়।

- ভূটানৰ ৰজা জিগমে খেচৰ ৱাংচুকে অসম ভ্ৰমণ কৰে আৰু দুয়োখন দেশৰ মাজত কেইবাটাও দ্বিপাক্ষিক সিদ্ধান্ত গ্ৰহণ কৰা হয়।

৫ **নৱেম্বৰ** : এছিয়ান চেম্পিয়নছ ট্ৰফী (মহিলা) হকী প্ৰতিযোগিতাত ভাৰতে চেম্পিয়ন খিতাপ লাভ কৰে।

৬ **নৱেম্বৰ** : অৱসৰপ্ৰাপ্ত আইএএছ বিষয়া হীৰালাল চামাৰীয়াক ভাৰতৰ নতুন মুখ্য তথ্য আয়ুক্ত হিচাপে নিযুক্তি দিয়া হয়।

৭ **নৱেম্বৰ** : ইছৰোৱে প্ৰেৰণ কৰা আদিত্য এল-১ যানখনে সৌৰ ধুমুহাৰ বিৰল দৃশ্য প্ৰেৰণ কৰিবলৈ সক্ষম হয়।

৯ **নৱেম্বৰ** : ভাৰত আৰু মালয়েছিয়াই নিজ মুদ্ৰা (টকা আৰু ৰিনগিট) ব্যৱস্থাৰ জৰিয়তে প্ৰত্যক্ষ ব্যৱসায় কৰিবলৈ চুক্তিবদ্ধ হয়।

১২ **নৱেম্বৰ** : আমেৰিকা যুক্তৰাষ্ট্ৰই বৰ্তমান বিশ্বৰ মুঠ জনসংখ্যা ৮০০ কোটি বুলি ঘোষণা কৰে।

১৩ **নৱেম্বৰ** : ভাৰতত বম্বে ষ্টক এক্সেঞ্জৰ সূচাংকই পোনপ্ৰথমবাৰৰ বাবে ৬৫ হাজাৰ পইণ্ট স্পৰ্শ কৰে।

১৪ **নৱেম্বৰ** : ছাহাৰা ইণ্ডিয়া পৰিবাৰৰ অধ্যক্ষ সুব্ৰত ৰয়ৰ ৭৫ বছৰ বয়সত মৃত্যু হয়।

১৫ **নৱেম্বৰ** : ভাৰতীয় বেটাৰ বিৰাট কোহলীয়ে এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত কেৰিয়াৰৰ ৫০টা শতৰাণ কৰি বিশ্ব অভিলেখ গঢ়ে।

১৬ **নৱেম্বৰ** : চীনত বিশ্বৰ সবাতোকৈ দ্ৰুতবেগী ইণ্টাৰনেট সেৱা (প্ৰতি ছেকেণ্ডত ১২০০ জিবিৰ গতি) আৰম্ভ কৰা হয়।

১৭ **নৱেম্বৰ** : জ্যেষ্ঠ আইপিএছ বিষয়া আলোক শৰ্মাক স্পেচিয়েল প্ৰটেকছন গ্ৰুপৰ (SPG) সঞ্চালক হিচাপে নিযুক্তি দিয়া হয়।

- বিশ্বকাপ প্ৰতিযোগিতাৰ বাবে যোগ্যতা নিৰ্ধাৰণকাৰী মেচত (ফুটবল) ভাৰতে কুৱেইটক হৰুৱাই চাঞ্চল্যৰ সৃষ্টি কৰে।

১৮ **নৱেম্বৰ** : ভাৰতীয় ৰিজাৰ্ভ বেংকৰ প্ৰাক্তন গৱৰ্ণৰ এছ ভেংকিটাৰামাননৰ ৯২ বছৰ বয়সত মৃত্যু হয়।

২০ **নৱেম্বৰ** : গোৱাত অনুষ্ঠিত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় ফিল্ম ফেষ্টিভেল প্ৰতিযোগিতাত অসমৰ উৎপল বৰপূজাৰী জুৰি ব'ৰ্ডৰ সদস্যৰূপে মনোনীত হয়। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## অসম দিৱস বা চ্যুকাফা দিৱস



চাওলুং চ্যুকাফা আহোম সাম্ৰাজ্যৰ প্ৰতিষ্ঠাপক আছিল। ১২২৮ খৃষ্টাব্দৰ ১৬ আঘোণ (২ ডিচেম্বৰ) তাৰিখে তেওঁ পাটকাই পৰ্বত পাৰ হৈ সৌমাৰপীঠত উপস্থিত হৈছিল বুলি জনা যায়। চ্যুকাফাই প্ৰতিষ্ঠা কৰা আহোম সাম্ৰাজ্যই ৬০০ বছৰৰো অধিক সময় অসমত নিজৰ প্ৰভুত্ব বিস্তাৰ কৰিছিল। চ্যুকাফাই অসমত বাস কৰা সকলো জাতি-জনজাতিকে একত্ৰিত কৰিছিল। বৰ অসম গঢ়াত চ্যুকাফাৰ অৱদান সেয়েহে চিৰস্মৰণীয়। প্ৰথমগৰাকী আহোম স্বৰ্গদেউ চ্যুকাফাৰ স্মৃতিত প্ৰতি বছৰে চ্যুকাফা দিৱস পালন কৰা হয়। ১২২৮ চনৰ ২ ডিচেম্বৰতে তেওঁ আহোম ৰাজ্য প্ৰতিষ্ঠা কৰিছিল বুলি অনুমান কৰি এই ঐতিহাসিক দিনটোক 'চ্যুকাফা দিৱস' বুলি অভিহিত কৰা হয়। এই বিশেষ দিনটোক 'অসম দিৱস' নামেৰেও জনা যায়। ১৯৮৭ চনৰ পৰা এই দিৱস উদ্‌যাপন কৰি অহা হৈছে। ছৈখোৱা অঞ্চলৰ এগৰাকী সমাজকৰ্মী ভীমকান্ত বুঢ়াগোহাঁইৰ প্ৰচেষ্টাত এই দিৱসৰ আৰম্ভণি ঘটে। ❖

## মানৱ অধিকাৰ দিৱস

বিশ্বৰ প্ৰতিজন মানুহেই শান্তিপূৰ্ণ জীৱন যাপন কৰিব বিচাৰে। এটা মৰ্য্যাদাসম্পন্ন জীৱন জীয়াই থাকিবৰ বাবে প্ৰতিজন মানুহকে কিছুমান অধিকাৰৰ প্ৰয়োজন হয়। এই অধিকাৰসমূহকে মানৱ অধিকাৰ বুলি কোৱা হয়। সমগ্ৰ বিশ্বতে প্ৰতি বছৰে ১০ ডিচেম্বৰ তাৰিখটো 'মানৱ অধিকাৰ দিৱস' হিচাপে পালন কৰা হয়। সকলোৰে মানৱ অধিকাৰৰ সংৰক্ষণ আৰু সুৰক্ষা দিয়াৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৯৪৮ চনৰ ১০ ডিচেম্বৰ তাৰিখে সাৰ্বজনীন মানৱ অধিকাৰ ঘোষণা পত্ৰ গ্ৰহণ কৰাৰ চিনস্বৰূপে ১৯৫০ চনৰ পৰা প্ৰতি বছৰে ১০ ডিচেম্বৰত এই দিৱস পালন কৰি অহা হৈছে। উল্লেখযোগ্য যে ১৯৪৬ চনৰ ফেব্ৰুৱাৰী মাহত ৰাষ্ট্ৰসংঘই 'মানৱ অধিকাৰ আয়োগ' গঠন কৰিছিল। এই আয়োগ প্ৰতিষ্ঠাৰ উদ্দেশ্য আছিল জাতি, ধৰ্ম, ভাষা, লিংগ নিৰ্বিশেষে মানৱ অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ প্ৰদান কৰা। সংগঠনটোৰ জন্মক্ষণত ইয়াৰ সদস্য সংখ্যা আছিল ১৮ জন। ১৯৬২ চনত আয়োগৰ সদস্য সংখ্যা ২১ জনলৈ বৃদ্ধি কৰা হয়। পুনৰ ১৯৯০ চনত ইয়াৰ সদস্য সংখ্যা ৫৩ জন কৰা হয়। মানৱ অধিকাৰ আয়োগৰ সদস্যসকল তিনি বছৰীয়া কাৰ্য্যকালৰ বাবে নিৰ্বাচিত হয়। সংখ্যাগৰিষ্ঠ মতৰ ওপৰত ভিত্তি কৰি আয়োগে সিদ্ধান্ত গ্ৰহণ কৰে। ❖

# অসমীয়া ফকৰা-যোজনা

## আপোন হাত জগন্নাথ, পৰত আশ বনত বাস

আনৰ ওপৰত নিৰ্ভৰশীল মানুহ কেতিয়াবা বিপদত পৰিব লগা হয়। কিবা এটা কাম আনে কৰি দিব বুলি বৈ থাকিলে সময়ত গৈ সেই কামটো সম্পন্ন হৈ নুঠিবও পাৰে। পৰত আশ্ৰয় লৈ থকা মানুহ বনবাসী হোৱাৰ দৰে দুৰ্ভাগ্যৰ মুখামুখিও হ'ব লগাত পৰে। কোনো এটা কাম নিজে হাতে-কামে লাগি কৰিলে যি সুফল পোৱা যায়, তাৰ বিপৰীতে আনৰ ওপৰত নিৰ্ভৰ কৰি থাকিলে তাৰ ওলোটা ফলহে পোৱা যায়। পৰনিৰ্ভৰশীলতাৰ কুফলৰ কথা বুজাবলৈ এই যোজনাফাকি ব্যৱহাৰ কৰা হয়।

**প্ৰায়োগিক বাক্য : ইমান অভিলাষী প্ৰকল্প এটা লৈছ—অলপ হাতে-কামেও লাগ, তেতিয়াহে কামটো হৈ উঠিব; কথাতে কয় নহয় আপোন হাত জগন্নাথ, পৰত আশ বনত বাস। ❖**

## কুমলীয়া আদা পায়, ভৰিৰে মোহাৰি খায়



আদাৰ বাকলি সাধাৰণতে কটাৰীৰে গুচোৱা হয়। কিন্তু কুমলীয়া আদাৰ বাকলি গুচাবলৈ কটাৰীৰ প্ৰয়োজন নহয়; হাতেৰে মোহাৰি দিলেই বাকলি আঁতৰি যায়। কুমলীয়া আদা সদৃশ সৰল তথা দুৰ্বল মানুহবোৰকো সহজে বশীভূত কৰিব পাৰি। অসৎ, দুষ্ট প্ৰকৃতিৰ মানুহে দুৰ্বল মানুহবোৰক বশীভূত কৰাৰ অপচেষ্টাত সততে লিপ্ত হয়।

**প্ৰায়োগিক বাক্য : বছৰ বছৰ ধৰি হোজা ৰতনৰ ওপৰত সেই দদায়েকটোৱে কমখন অত্যাচাৰ কৰা নাইনে? ইয়াকে কয় বোলে কুমলীয়া আদা পায়, ভৰিৰে মোহাৰি খায়। ❖**

### তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ (নৱেম্বৰ)

১ । ৰাচিন ৰবীন্দ্ৰ ২। ৰবীন্দ্ৰ সৰকাৰ ৩। জন ফ'ছে । (সাহিত্যৰ ন'বেল বঁটা বিজয়ী) ৪। ৰোহিত শৰ্মা (২০১৯) ৫। আশাপূৰ্ণা দেৱী (১৯৬৫) ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## শুৱলা ভাষা

**আমি সততে ভুল কৰি থকা কেইটিমান শব্দৰ শুদ্ধৰূপ এনে ধৰণৰ—**

| ভুল | শুদ্ধ | প্ৰায়োগিক বাক্য |
|---|---|---|
| গৌৰাবান্বিত | গৌৰৱান্বিত | শিক্ষাৰ্থীসকলৰ সফলতা দেখি শিক্ষকসকল গৌৰৱান্বিত হ'ল। |
| ছুটি | ছুটী | বিদ্যালয় ছুটীৰ পাছত নাটকৰ আখৰা কৰা হ'ব। |
| যোৱাকালি | কালি | কালি তুমি বিদ্যালয়লৈ কিয় নাহিলা? |
| অহাকালি | কাইলৈ | মই কাইলৈ গাঁৱলৈ যাম। |
| সিঁচৰিত | সিঁচৰতি | মেজখনত বহুত কলম সিঁচৰতি হৈ আছে। |
| উপলদ্ধি | উপলব্ধি | বহু পলমকৈ মই মোৰ ভুলটো উপলব্ধি কৰিলোঁ। |
| উদ্ধোধন | উদ্বোধন | মুখ্যমন্ত্ৰী মহোদয়ে নতুন দলংখন উদ্বোধন কৰিলে। |
| শুশ্ৰুষা | শুশ্ৰূষা | ৰোগীজনক তেওঁ ভালদৰে সেৱা-শুশ্ৰূষা কৰি আৰোগ্য কৰিলে। |
| আৰ্শীবাদ | আশীৰ্বাদ | সন্তানক পিতৃ-মাতৃয়ে সদায় আশীৰ্বাদ দিয়ে। |

## চান্দনি চ'ক



দিল্লীৰ চান্দনি চ'কৰ নাম নুশুনা মানুহ নিশ্চয় নোলাব। ই হৈছে দিল্লীৰ এক প্ৰসিদ্ধ বাণিজ্যিক অঞ্চল। চান্দনি চ'কৰ পৰিকল্পনা তথা প্ৰতিষ্ঠা কৰিছিল মোগল সম্ৰাট শ্বাহজাহানৰ কন্যা জাহানাৰা বেগমে। ইয়াৰ এটা পুখুৰীত চন্দ্ৰৰ পোহৰ (চান্দনি) অতি মনোৰমকৈ প্ৰতিফলিত হোৱা বাবে ইয়াৰ নাম চান্দনি চ'ক ৰখা হৈছিল। চান্দনি চ'ক প্ৰথমে লালকিল্লাৰ লাহোৰ গেটৰ পৰা জুম্মা মছজিদলৈকে বিস্তৃত আছিল। চান্দনি চ'কৰ ভিতৰত আছিল ডাঙৰ আবাস গৃহ আৰু সৰু সৰু আলিৰ কাষে কাষে নানান দোকান-পোহাৰ। সেই দোকানবোৰত দামী জকমকীয়া বস্তুবোৰ বিক্ৰী কৰা হৈছিল। বিক্ৰেতাসকলৰ বাবে ই আছিল অতি লাভজনক ঠাই। চান্দনি চ'কৰ গৰিমা আজিও অব্যাহত আছে। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

## প্ৰশাসনীয় পৰিভাষা

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| অপ্ৰাসংগিক, বিসংগতিপূৰ্ণ | incongruous | আগভাগ | intiative |
| | | নিষেধাজ্ঞা | injunction |
| উমনি দিয়া যন্ত্ৰ | incubator | আঘাত | injury |
| নিৰ্দেশক, সূচক | indicator | অন্যায় | injustice |
| পৰোক্ষ | indirect | নিৰ্দোষী | innocent |
| অপৰিহাৰ্য্য | indispensable | অন্তঃসীমা | innerline |
| ব্যক্তিগত | individual | অযুক্তিকৰ | inordinate |
| অনুৰক্ত | infatuated | অনুশাসন | inscriptions |
| হীনমন্যতা | inferiority complex | অধিচিহ্ন | insignia |
| | | অদ্ৰৱণীয় | insoluble |
| অনুপ্ৰৱেশ | infiltration | পৰিদৰ্শন | inspection |
| স্ফীতি | inflation | পৰিদৰ্শক | inspector |
| অনানুষ্ঠানিক | informal | উচটনি দিয়া | instigate |
| তথ্য | information | কিস্তি | instalment |
| বংশগত | inherited | সংস্থা, অনুষ্ঠান | institute |
| উপকৰণ, উপাদান | ingredient | বাদ্য | instrument ❖ |

*(উৎস : অসম চৰকাৰৰ ৰাজনৈতিক বিভাগে প্ৰকাশ কৰা প্ৰশাসনীয় পৰিভাষা)*

# অসমৰ নদ-নদী



**কপিলী নদী (ইংৰাজী :** Kopili River) : কপিলী নৈ ব্ৰহ্মপুত্ৰৰ এখন দক্ষিণ পাৰৰ উপনৈ। ই অসমৰ মধ্যাংশৰ সবাতোকৈ ডাঙৰ আৰু অতি গুৰুত্বপূৰ্ণ নৈ। কপিলী নৈ মেঘালয় মালভূমি আৰু বৰাইল পৰ্বতৰ পৰা উৎপত্তি হৈ ডিমা হাছাও জিলাৰে অসমত প্ৰবেশ কৰিছে। কপিলী নৈৰ অৱবাহিকাই অসমৰ উত্তৰ কাছাৰ পাহাৰ, কাৰ্বি আংলং আৰু নগাঁও—এই কেইখন জিলাৰ প্ৰত্যেকৰে গৰিষ্ঠ অংশবিশেষৰ উপৰি মেঘালয় ৰাজ্যৰ একাংশও সামৰিছে। প্ৰাচীন ভাৰতৰ সাংখ্য দৰ্শনৰ প্ৰৱৰ্তক কপিল মুনিৰ নামৰ পৰা নদীখনৰ নামৰ উৎপত্তি হৈছে। কপিলী জলবিদ্যুৎ প্ৰকল্পৰ পৰা উৎপাদিত বিদ্যুৎ শক্তিয়ে উত্তৰ-পূব অঞ্চলৰ বিদ্যুৎ শক্তিৰ চাহিদা ভালেখিনি পূৰাব পাৰিছে। কপিলী নদী অসমৰ ডিমা হাছাও জিলা, পশ্চিম কাৰ্বি আংলং জিলা, কাৰ্বি আংলং জিলা, হোজাই জিলা, নগাঁও জিলা, মৰিগাঁও জিলা আৰু কামৰূপ মহানগৰ জিলাৰ মাজেৰে বৈ গৈছে। নদীখনৰ মুঠ দৈৰ্ঘ্য ২৯০ কিল'মিটাৰ আৰু ইয়াৰ অৱবাহিকাৰ মাটিকালি ১,৬৪২ বৰ্গ কিল'মিটাৰ। কপিলী নদীত প্ৰায় ৫৪ বিধ প্ৰজাতিৰ মাছ আছে।

**কলং নদী (ইংৰাজী** : Kolong River) : কলং হৈছে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ এখন উপনৈ। ইয়াৰ দৈৰ্ঘ্য প্ৰায় ২৫০ কিল'মিটাৰ। কলঙ নামটোৰ উৎপত্তি সম্পৰ্কে বিভিন্নজনে বিভিন্ন মত আগ বঢ়াইছে। এটা কিংবদন্তি অনুসৰি অতীজতে দিখৌ নৈখনহে নগাঁও জিলাৰ মাজেদি বৈ গৈছিল। পিতৃবধি আৰিমত্ত ৰজাই আৰিকাটি মুখত পানীত জাঁপ মাৰি পৰি আপোনঘাতী হোৱাত তেওঁৰ শৰটো বহন কৰাৰ বাবে দিখৌৰ কলংক হয় আৰু কলংক শব্দৰ পৰা দিখৌৰ সেইছোৱা নদীৰ নাম হেনো কলং হয়। আন এক জনশ্ৰুতি অনুসৰি কলং শব্দটো কলন শব্দটোৰ পৰা অহা, কলন শব্দই কোনো উত্তম ঠাইকে বুজায়। কলং নৈখন নগাঁও জিলাৰ পূব ভাগৰ কুকুৰাকটা পাহাৰৰ নামনিত ব্ৰহ্মপুত্ৰৰ পৰা ফাটি জিলাখনৰ মাজেদি গলৰ হাৰ এধাৰিৰ দৰে জখলাবন্ধা, কলিয়াবৰ, নগাঁও, ৰহা, মৰিগাঁও আৰু জগী আদি ঠাইৰ মাজেদি বা কাযেদি বৈ কামৰূপ জিলাৰ পূবভাগৰ কাজলীমুখত গৈ আকৌ ব্ৰহ্মপুত্ৰত পৰিছে। কলং আৰু ব্ৰহ্মপুত্ৰৰ মাজত কেইবাখনো নৈ আৰু বিস্তৰ জলাহ ঠাই আছে। অতীজতে কলংখন এখন ডাঙৰ আৰু গুৰুত্বপূৰ্ণ নৈ আছিল। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## বিপদৰ বন্ধু

বিপদৰ বন্ধুহে প্ৰকৃত বন্ধু—এই কথাষাৰ আমি আটায়ে শুনি আহিছোঁ। কথাষাৰৰ সত্যতাও আমি অনুভৱ কৰোঁ। কিন্তু বন্ধু বুলি ক'লে আমি কেৱল লগ-সমনীয়া বা অন্য আপোন মানুহকে বুজোঁ নেকি বাৰু? মানুহৰ বাহিৰে আন জীৱ-জন্তু, গছ-গছনি আমাৰ বন্ধু হ'ব পাৰেনে বাৰু? আহাচোন এনে ধৰণৰ কথা থকা কাহিনী এটা পঢ়ি লওঁ।

এয়া মিকু নামৰ এটি দুষ্ট ল'ৰাৰ কাহিনী। সি বৰ আচৰিত প্ৰকৃতিৰ। আনৰ বাৰীৰ পৰা মধুৰিআম, জামু, কমলা আদি সি কাৰো অনুমতি নোলোৱাকৈ পাৰি আনি খায়; গছবোৰো ভাঙে। মূল্যবান গছবোৰ সি কোনো কাৰণ নোহোৱাকৈ কাটি-ছিঙি নষ্ট কৰে। তাৰ এনে ধৰণৰ আচৰণৰ বাবেই তাৰ কোনো বন্ধু নাই। সিহঁতৰ গাঁওখনৰ একাষে থকা নৈ এখনৰ পাৰত অকলে অকলে উমলি-জামলিয়ে সি সময়বোৰ অতিবাহিত কৰে। নৈখনে প্ৰতিটো বাৰিষাতেই বানপানীৰ সৃষ্টি কৰে। বানপানীলৈ মিকুৰ বৰ ভয়। সি সাঁতুৰিবও নাজানে। নৈখনৰ পাৰত বহি সি বানপানীৰ কথাই ভাবি থাকে। ইফালে গছ কটাৰ বদ অভ্যাসটোৰ বাবে সি মাক-দেউতাকৰ পৰা শাস্তিও পায়। চুবুৰিৰ মুকুল খুৰায়ো তাক মইনা মেললৈ মাতি নি গছপুলি ৰুবলৈ দিছিল। গছ যে বৰ উপকাৰী সম্পদ সেই কথাও বুজাইছিল। মিকুক দেউতাকেও কৈছিল—গছৰ পৰা পোৱা কাঠৰ সহায়ত মানুহে কিদৰে ঘৰ-দুৱাৰ সাজিব পাৰে, ৰন্ধা-বঢ়া কৰিব পাৰে, বানপানী, গৰা খহনীয়া ৰোধ কৰাতো গছে কিদৰে বাধা দিব পাৰে। অথচ মিকুৱে এই কথাবোৰত কেতিয়াও গুৰুত্ব নিদিয়ে।

বাৰিষা হোৱাৰ লগে লগে প্ৰতি বছৰৰ দৰে সেই বছৰো মিকুহঁতৰ গাঁৱত বানপানী হ'ল। বানপানী হ'লে ওখ ঠাইলৈ যাব বুলি ভাবি থকা মিকুৱে আগ-পিছ নুগুণি, মাক-দেউতাক আৰু ভায়েকলৈ বাট নাচাই মথাউৰি অভিমুখে দৌৰিবলৈ ধৰিলে। পাছে সি বেছি দূৰ দৌৰিব নোৱাৰি পানীৰ মাজত আবদ্ধ হৈ পৰিল। পানীৰ মাজত অকলশৰীয়া হৈ মিকুৱে কান্দিবলৈ ধৰিলে। সোঁতে উটুৱাই লৈ যোৱাৰ ভয়ত সি গছ এজোপাক সাবটি ধৰিলে। দেউতাক-মাকে দিয়া সজ উপদেশবোৰলৈ তাৰ তেতিয়াহে মনত পৰিল। গছ যে মানুহৰ বাবে বৰ উপকাৰী সেই কথা বিপদৰ সময়তহে সি উপলব্ধি কৰিলে। হঠাৎ সি সাবটি থকা গছজোপা পানীৰ কোবাল সোঁতত উভাল খাই পৰিল। সি গছজোপাক আৰু জোৰেৰে সাবটি ধৰিলে। গছজোপাই নবচালে তাক যে বচাওঁতা আৰু কোনো নাই সেই কথা সি ভালদৰেই বুজি পালে। গছজোপাৰ সৈতে মিকুও পানীৰ সোঁতত উটি গৈ থাকিল। ইফালে মিকুৰ দেউতাকে মিকুক গছজোপাৰ সৈতে দেখা পাই উদ্ধাৰ কৰিবৰ বাবে আগ বাঢ়ি গ'ল।

ইমানদিনে গছবোৰৰ প্ৰতি অলপো যত্ন নোলোৱা মিকুৱে নিজৰ ভুল বাৰুকৈয়ে উপলব্ধি কৰিলে। গছ যে মানুহৰ প্ৰকৃত বন্ধু সেই কথা সি বুজি পালে। 'বিপদৰ বন্ধু' নামৰ এই কাহিনীটো লিখিছে গুণমণি নাথে। নেশ্যনেল বুক ট্ৰাষ্টে প্ৰকাশ কৰা এই কিতাপখনৰ মূল্য ৩৫ টকা। ❖

# শীতনিদ্ৰা

■ চেহনাজ আহমেদ



নিদ্ৰা সকলো জীৱৰ বাবে প্ৰয়োজনীয়। সকলো শাৰীৰিক পৰিশ্ৰমৰ অন্তত নিদ্ৰাই জীৱক পৰৱৰ্তী সময়ৰ কামৰ বাবে সাজু কৰি তোলে। কিন্তু জীৱৰ মাজত অন্য এক নিদ্ৰা বিৰাজমান যি সাধাৰণ নিদ্ৰাতকৈ কিছু ব্যতিক্ৰম। কিছুমান জীৱৰ এই ব্যতিক্ৰমী নিদ্ৰাবিধেই হ'ল শীতনিদ্ৰা।

শীতনিদ্ৰাৰ সময়ত প্ৰাণীৰ শৰীৰৰ উষ্ণতা কমি যায়, উশাহ-নিশাহ, হৃদস্পন্দন লেহেমীয়া হয় আৰু বিপাকীয় হাৰ কমি যায়। প্ৰাণীসমূহৰ নিদ্ৰা বিশেষকৈ শীতকালত দেখা যায় বাবে ইয়াক শীতনিদ্ৰা (hibernation) বুলি কোৱা হয়।

কিছুমান প্ৰাণীৰ গ্ৰীষ্মকালতো এনে নিষ্ক্ৰিয়তা আৰু বিপাকীয় হাৰ হ্ৰাস পোৱা দেখা যায়। সাধাৰণতে শীতকালত খাদ্যৰ অভাৱ হয়, ফলত নিজৰ শৰীৰৰ শক্তি সঞ্চয় কৰি জীয়াই থাকিবলৈ প্ৰাণীবোৰে গভীৰ নিদ্ৰালৈ যায়। কিছুমান স্তন্যপায়ী প্ৰাণীয়ে গৰ্ভাৱস্থাতো শীতনিদ্ৰালৈ যায়। শীতনিদ্ৰাৰ সময়ছোৱা ভালদৰে অতিবাহিত কৰিবলৈ জীৱবিধে যথেষ্ট শক্তি শৰীৰত জমা কৰিব লাগে। সেইবাবে শীতনিদ্ৰা আৰম্ভ হোৱাৰ আগতে জীৱবোৰে প্ৰচুৰ পৰিমাণে খাদ্য খায় আৰু শক্তি নিজৰ শৰীৰত চৰ্বীৰ ৰূপত জমা কৰি ৰাখে।

এই প্ৰাণীবোৰ শীতনিদ্ৰাত বহু সময় ধৰি থাকে যদিও এক নিৰ্দিষ্ট সময়ৰ পাছত এক উত্তেজনাৰ দ্বাৰা এই টোপনি বাধাপ্ৰাপ্তও হয়। ই এক প্ৰাকৃতিক প্ৰক্ৰিয়া। এনেদৰে শীতনিদ্ৰাত থকা প্ৰাণীসমূহে মাজে মাজে কিয় সাধাৰণ অৱস্থালৈ ঘূৰি আহে তাৰ স্পষ্ট কাৰণ ঠাৱৰ কৰিব পৰা হোৱা নাই। তথাপি অনুমান কৰা হয় যে শীতনিদ্ৰাত থকা প্ৰাণীবোৰৰ ৰোগ প্ৰতিৰোধৰ বাবে মাজে মাজে শৰীৰৰ উষ্ণতা বৃদ্ধি হোৱাৰ প্ৰয়োজন। সেইবাবে শৰীৰটো মাজে মাজে স্বাভাৱিক উষ্ণতালৈ ঘূৰি আহে।

সাধাৰণতে চাৰিওফালৰ পৰিৱেশত খাদ্যৰ অভাৱত কিছুমান প্ৰাণী শীতনিদ্ৰাত প্ৰৱেশ কৰে যদিও আন কিছুমান প্ৰাণী, যেনে—ইউৰোপীয় হেজহগ, কিছুমান নিগনিজাতীয় প্ৰাণীয়ে এক বাধ্যতামূলক শীতনিদ্ৰাত প্ৰৱেশ কৰে। চাৰিওফালে পৰ্য্যাপ্ত পৰিমাণৰ খাদ্য থকা সত্ত্বেও এই প্ৰাণীবোৰৰ এক নিৰ্দিষ্ট সময়ত শৰীৰৰ উষ্ণতা কমিবলৈ ধৰে আৰু হৃদযন্ত্ৰ আৰু শ্বাস-প্ৰশ্বাসৰ হাৰ লেহেমীয়া হ'বলৈ ধৰে।

আনহাতে আন কিছুমান প্ৰাণীয়ে ঐচ্ছিকভাৱে শীতনিদ্ৰাত প্ৰৱেশ কৰে। এই শীতনিদ্ৰা প্ৰধানকৈ অতিপাত ঠাণ্ডা আৰু খাদ্যৰ অভাৱত হয়। এনে প্ৰাণীবোৰে শীতনিদ্ৰাত প্ৰৱেশ কৰাৰ আগমুহূৰ্তত বেছি পৰিমাণে চৰ্বীজাতীয় খাদ্য গ্ৰহণ কৰে যাতে শীতনিদ্ৰাৰ কালছোৱাত এই শক্তি ব্যৱহাৰ কৰিব পাৰে।

এক ব্যতিক্ৰমী শীতনিদ্ৰা দেখুওৱা প্ৰাণী হ'ল শামুক। শামুকৰ কিছুমান প্ৰজাতিয়ে গৰম আৰু ঠাণ্ডা দুয়োটা পৰিৱেশতে শীতনিদ্ৰাত প্ৰৱেশ কৰে। শামুকে নিজৰ শৰীৰৰ পৰা ওলোৱা শ্লেষ্মা নামৰ আঠাজাতীয় পদাৰ্থেৰে খোলাবোৰ বন্ধ কৰি ৰাখি যিকোনো সম্ভাব্য বিপদৰ পৰা নিজকে ৰক্ষা কৰিব পাৰে। সেইবাবেই শামুকে সকলো বতৰৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিব পাৰে। প্ৰজাতি অনুসৰি শামুকৰ শীতনিদ্ৰালৈ যোৱাৰ সময় বেলেগ বেলেগ হয়।

আন এবিধ ব্যতিক্ৰমী শীতনিদ্ৰা প্ৰদৰ্শন কৰা প্ৰাণী হ'ল সাপ। সাপৰ কিছুমান প্ৰজাতিয়ে বহু মাহ ধৰি শীতনিদ্ৰাত থাকিব পাৰে, আকৌ আন কিছুমান প্ৰজাতিয়ে কেই সপ্তাহমানহে শীতনিদ্ৰাত থাকে। ঠিক সেইদৰে বাদুলিৰ শীতনিদ্ৰাত থকা সময় ২ ঘণ্টাৰ পৰা আৰম্ভ কৰি কেইবামাহো হ'ব পাৰে।

জীৱৰ প্ৰজাতি, শাৰীৰিক অৱস্থা পৰিবেশৰ উষ্ণতা আদিৰ ওপৰত নিৰ্ভৰ কৰি শীতনিদ্ৰাৰ সময় দিন, সপ্তাহ, মাহ বা বছৰ জুৰিও হ'ব পাৰে। গৱেষকসকলে মানুহৰ ক্ষেত্ৰত এনে শীতনিদ্ৰা সম্ভৱ হ'ব পাৰে নে নাই তাৰ বিষয়ে অধ্যয়ন কৰি আছে। পৰ্য্যাপ্ত খাদ্য নহ'লে শীতনিদ্ৰাই শক্তি সংৰক্ষণত যিদৰে কাম কৰে ভৱিষ্যতলৈ বিভিন্ন পৰিবেশত মানুহৰ ক্ষেত্ৰত ইয়াক ব্যৱহাৰ কৰিব পাৰিলে বহুতো কাম সুবিধাজনক হৈ পৰিব বুলি গৱেষকসকলে মত পোষণ কৰে। ❖



# দ্বাদশ বাণিজ্যৰ পাছত

■ জোনালী দেৱী

দ্বাদশৰ পাছত কি? দ্বাদশৰ পাছত আমি কোনটো পাঠ্যক্ৰমত স্নাতক বা স্নাতকোত্তৰ মহলাত অধ্যয়ন কৰিম বা কোন দিশত নিজৰ কেৰিয়াৰ গঢ় দিম সেই সিদ্ধান্ত লোৱাটো আমাৰ বাবে বৰ গুৰুত্বপূৰ্ণ। বাণিজ্য শাখাত দ্বাদশ শ্ৰেণী উত্তীৰ্ণ হোৱাৰ পাছত বহুতো কেৰিয়াৰ বিকল্প আছে। এই লেখাত তেনে কেইটামান বিকল্পৰ আলোচনা কৰা হ'ব।




**দ্বাদশ বাণিজ্যৰ পাছত উপলব্ধ বিভিন্ন পাঠ্যক্ৰম**

**চাৰ্টাৰ্ড একাউণ্টেন্সি** (Chartered Accountancy) : ভাৰতবৰ্ষৰ উচ্চমানৰ পাঠ্যক্ৰমৰ এক অন্যতম পাঠ্যক্ৰম হৈছে চাৰ্টাৰ্ড একাউণ্টেন্সি। যদি তুমি গণিত বিষয়ৰ সৈতে বাণিজ্য শাখাত উত্তীৰ্ণ হৈছা আৰু গণিত বিষয়টো ভাল পোৱা; লগতে এই বিষয়ত নিজৰ বিশ্লেষণাত্মক দক্ষতা আছে বুলি বিশ্বাস কৰা, তেনেহ'লে এই পাঠ্যক্ৰমৰ বাছনি তোমাৰ বাবে লাভজনক হ'ব।

**কোম্পানী সচিব** (Company Secretary, CS): কোম্পানী সচিব বা চিএছ পাঠ্যক্ৰম ভাৰতৰ কোম্পানী সচিব প্ৰতিষ্ঠানৰ (Institute of Company Secretaries of India) দ্বাৰা আগ বঢ়োৱা হয়। দ্বাদশৰ পাছত এই পাঠ্যক্ৰম গ্ৰহণ কৰিব বিচৰা শিক্ষাৰ্থীসকলে তিনিটা পৰ্য্যায়ত এই পাঠ্যক্ৰম অধ্যয়ন কৰিব লাগে। এই পৰ্য্যায় তিনিটা হ'ল—প্ৰথম ৮ মাহৰ চিএছ ফাউণ্ডেছন পাঠ্যক্ৰম, তাৰ পাছৰ ৯ মাহৰ কাৰ্য্যবাহী কাৰ্য্যসূচী (Executive Program) আৰু শেষৰ ১৫ মাহ ম্যাদৰ চিএছ পেছাদাৰী কাৰ্য্যসূচী (CS Professional Program)।

**ৰাণিজ্যত স্নাতক** (Bachelor of Commerce, B.Com.) : যিসকল শিক্ষাৰ্থীয়ে গণিত বিষয়ৰ অন্তৰ্ভুক্তিৰে বাণিজ্য শাখাত দ্বাদশ শ্ৰেণী উত্তীৰ্ণ হৈছে সেইসকল শিক্ষাৰ্থীৰ মাজত আটাইতকৈ জনপ্ৰিয় পাঠ্যক্ৰম হৈছে বি কম (সন্মান) (B.Com., Honours)।

এই খণ্ডত শিক্ষাৰ্থীসকলে বি কম একাউণ্টিং আৰু কৰ (B.Com Accounting and Taxation), বি কম পৰিসংখ্যা (B.Com Statistics), মেনেজমেণ্ট একাউণ্টিং আৰু আন্তৰ্জাতিক বিত্তত বি কম (B.Com in Management Accounting & International

Finance), একাউণ্টিঙত বি কম (B.Com in Accounting), প্ৰায়োগিক অৰ্থনীতিত বি কম (B.Com in Applied Economics) বেংকিং আৰু বিত্তত বি কম (B.Com in Banking & Finance) আদি বিভাগত এই ডিগ্ৰী পাঠ্যক্ৰম গ্ৰহণ কৰিব পাৰে। যিসকল শিক্ষাৰ্থীয়ে গণিত বিষয় অন্তৰ্ভুক্ত নকৰাকৈ বাণিজ্য শাখাত উত্তীৰ্ণ হৈছে সেইসকলে বি কম (সাধাৰণ) (B.Com, General), ব্যৱসায় প্ৰশাসনত বি কম (B.Com in Business Administration), বিপণনত বি কম (B. Com in Marketing), পৰ্য্যটন আৰু ভ্ৰমণ ব্যৱস্থাপনাত বি কম (B.Com in Tourism & Travel Management) আদি বিকল্পেৰে বি কম (B.Com) পাঠ্যক্ৰম গ্ৰহণ কৰিব পাৰিব।

**ব্যৱসায় প্ৰশাসনৰ স্নাতক** (Bachelor of Business Administration) : এই পাঠ্যক্ৰমত প্ৰধানকৈ ব্যৱসায় এটা চলোৱাৰ সকলো জটিল দিশ আদিৰ ওপৰত দক্ষতা আৰু জ্ঞান আহৰণৰ বাবে প্ৰয়োজনীয় শিক্ষা দিয়া হয়। এই পাঠ্যক্ৰম ব্যৱসায়, কোম্পানী বা সংগঠন এটাৰ ব্যৱস্থাপনাৰ লগতেই সাধাৰণতে জড়িত। যিসকল শিক্ষাৰ্থীয়ে দ্বাদশৰ পাছত এই পাঠ্যক্ৰমত যোগদান কৰিব বিচাৰে, তেওঁলোকে বিবিএৰ (BBA) পাছত এমবিএ (MBA) পাঠ্যক্ৰমত যোগদান কৰিব পাৰে।

উল্লিখিত পাঠ্যক্ৰমৰ উপৰি বাণিজ্য শাখাৰ শিক্ষাৰ্থীসকলে ব্যৱসায় প্ৰশাসনত স্নাতক আৰু বিধায়িনী আইনৰ স্নাতক (Bachelor of Business Administration and Bachelor of Legislative Law, BBALLB), সাংবাদিকতা আৰু গণসংযোগ বিষয়ৰ স্নাতক (Bachelor of Journalism & Mass Communication, BJMC) আদি পাঠ্যক্ৰমতো যোগদান কৰিব পাৰে। ❖

## নিবন্ধ

# ISO–1901, 1902 ইত্যাদি

■ মানসজ্যোতি শইকীয়া

ISO মানে হৈছে—ইণ্টাৰনেছনেল অৰ্গেনাইজেছন ফৰ ষ্টেণ্ডাৰডাইজেছন (International Organisation for Standardisation) অৰ্থাৎ আন্তঃৰাষ্ট্ৰীয় মানক সংস্থা। মন কৰিবলগীয়া কথাটো হ'ল যে সংস্থাটোৰ চমু নাম আইঅ'এছ (IOS) লিখা নহয়, তাৰ সলনি আইএছঅ'হে (ISO) লিখা হয়। ই গ্ৰীক ভাষাৰ ISOS শব্দৰ পৰা আহিছে, যাৰ অৰ্থ সমান। এই সংস্থাটোৱে বিভিন্ন ঔদ্যোগিক সা-সৰঞ্জাম, প্ৰযুক্তিগত সা-সামগ্ৰীৰ বিভিন্ন দিশ, যেনে—সুৰক্ষা, সামৰ্থ্য তথা ক্ষমতা, কাৰ্য্যদক্ষতা, আয়ুস আদি চালি-জাৰি চাই তাৰ গুণগত আৰু প্ৰামাণিক মান প্ৰস্তুত কৰি প্ৰকাশ কৰে।

আইএছঅ' এটা বেচৰকাৰী সংস্থা। ইয়াৰ মুখ্য কাৰ্য্যালয় ছুইজাৰলেণ্ডৰ জেনেভা চহৰত অৱস্থিত। বৰ্তমান বিশ্বৰ ১৪৮খন দেশ এই সংস্থাৰ সদস্য। কোনো সদস্য দেশৰ চৰকাৰী প্ৰতিষ্ঠানৰ বাহিৰেও ব্যক্তিগত বাণিজ্যিক আৰু উদ্যোগ প্ৰতিষ্ঠান সমূহীয়াভাৱে আইএছঅ'ৰ সদস্যভুক্ত হ'ব পাৰে। গতিকে ব্যৱসায় আৰু সমাজ উভয়ৰে প্ৰয়োজন পূৰণ কৰা 'সমাধান' নিশ্চিত কৰিবলৈ আইএছঅ'য়ে এডাল সাঁকোৰ দৰে কাম কৰে।

আইএছঅ'য়ে বিভিন্ন প্ৰতিষ্ঠানৰ মান নিৰ্ধাৰণ কৰি তাক একো একোটা সাংখ্যিক সূচকৰ দ্বাৰা নিৰ্দেশ কৰে। এনে সাংখ্যিক সূচকসমূহক প্ৰতিষ্ঠানসমূহৰ প্ৰকাৰৰ ওপৰত ভিত্তি কৰি কিছুমান পৰিয়ালত ভাগ কৰা হয়। উদাহৰণস্বৰূপে, ISO 1900 পৰিয়ালৰ আটাইবোৰ সূচক

যেনে, ISO 1901, 1902 ইত্যাদি চলচ্চিত্ৰ নিৰ্মাণ প্ৰক্ৰিয়াৰ লগত জড়িত। আইএছঅ’ 1901য়ে ১৬ মিমি. দৈৰ্ঘ্যৰ ফিল্মৰ ৰিলত কিমানটা ছিদ্ৰ থাকিব নিশ্চিত কৰে। ৰিলত থকা এই ছিদ্ৰসমূহতে ৰেকৰ্ড কৰা তথ্যবোৰ সংৰক্ষিত হৈ থাকে। একেদৰে ISO 1902য়ে কেমেৰা প্ৰজেক্টৰ আদি সঁজুলিৰ মাজত সামঞ্জস্য ৰক্ষা কৰা সূচক হিচাপে কাম কৰে। আইএছঅ’য়ে নিৰ্ধাৰণ কৰি দিয়া এনে মানদণ্ডৰ ফলতে যিকোনো দেশত নিৰ্মিত কেমেৰা হ’লেও সকলো চলচ্চিত্ৰ পৰিচালকে একে ধৰণে দৃশ্যগ্ৰহণ কৰিব পাৰে, যিকোনো চিনেমা গৃহত প্ৰদৰ্শিত কৰিব পাৰে। অৰ্থাৎ ক’ব পাৰি যে একে আইএছঅ’ মানবিশিষ্ট উপাদানসমূহ একেটা পদ্ধতিত ব্যৱহাৰৰ বাবে উপযোগী।

ISO, 9001 পৰিয়ালৰ বিভিন্ন সূচকসমূহে কোনো প্ৰতিষ্ঠানৰ গুণগত ব্যৱস্থাপনাৰ (qualitative management) দিশ নিৰ্দেশ কৰে। ইয়াৰ অৰ্থ হ’ল—কোনো প্ৰতিষ্ঠান বা নিৰ্মাণকাৰী সংস্থাই চৰকাৰী নিয়ন্ত্ৰণমূলক সীমাবদ্ধতাৰ মাজেৰে গ্ৰাহকক সন্তুষ্টি প্ৰদান আৰু প্ৰয়োজনীয়তা বৃদ্ধি কৰিবলৈ নিজৰ কৰ্মদক্ষতা উন্নীতকৰণৰ বাবে কেনে ব্যৱস্থা হাতত ল’ব সেয়া নিৰ্দেশ কৰে। একেদৰে ISO 1400 মূলতঃ ‘পৰিবেশ ব্যৱস্থাপনা’ৰ সৈতে জড়িত। ইয়াৰ অৰ্থ হ’ল—কোনো ঔদ্যোগিক প্ৰতিষ্ঠানৰ উৎপাদন, বিতৰণ আৰু নিষ্কাসন সম্বন্ধীয় কাৰ্য্যকলাপৰ দ্বাৰা পৰিবেশৰ ওপৰত হোৱা ক্ষতিকাৰক প্ৰভাৱ কম কৰিবলৈ কেনে ধৰণৰ ব্যৱস্থা হাতত ল’ব তাৰ মান নিৰ্দেশ কৰে। ISO 27001 পৰিয়ালৰ সূচকসমূহে কোনো প্ৰতিষ্ঠানৰ তথ্য-সুৰক্ষাৰ দিশটো চালি-জাৰি চায়। আজিৰ ম’বাইল-ইণ্টাৰনেটৰ যুগত গ্ৰাহকৰ তথ্যসমূহ অতি স্পৰ্শকাতৰ। এই তথ্যসমূহ বিভিন্ন প্ৰতিষ্ঠান, সংস্থাসমূহে কিদৰে সুৰক্ষিত কৰিব লাগে, কোনো ধৰণৰ ছাইবাৰ আক্ৰমণৰ দ্বাৰা তথ্যসমূহ চুৰি হ’লে কিদৰে মোকাবিলা কৰিব লাগে, এই সকলো ধৰণৰ নিৰ্দেশ প্ৰদান কৰে।

ISO 45001ৰ পৰিয়ালটো বৃত্তিগত স্বাস্থ্য আৰু সুৰক্ষা ব্যৱস্থাপনাৰ সৈতে জড়িত। ই কোনো প্ৰতিষ্ঠানৰ সমূহ কৰ্মচাৰীৰ স্বাস্থ্য, অৰ্থনৈতিক সুৰক্ষা নিশ্চিতকৰণৰ বাবে এক নিৰ্দিষ্ট মান নিৰ্ধাৰণ কৰি দিয়ে। ইয়ে মালিক-কৰ্মচাৰীৰ মাজত বৃত্তিগত সম্বন্ধ উন্নত কৰে, পাৰস্পৰিক নিৰ্ভৰশীলতাৰ মাজেৰে সামূহিক উন্নতিৰ পথ মুকলি কৰে।

একেদৰে ISO 50001 পৰিয়ালৰ সূচকসমূহে শক্তিখণ্ডৰ লগত জড়িত বিভিন্ন প্ৰতিষ্ঠানসমূহক নানান নিৰ্দেশনা দিয়ে। এইবোৰে প্ৰতিষ্ঠানসমূহৰ কাৰ্য্যক্ষমতা উন্নত কৰা, দক্ষতা বৃদ্ধি কৰা, খৰচ-পাতি হ্ৰাস কৰা, কাৰ্বন নিৰ্গমনৰ পৰিমাণ হ্ৰাস কৰা আদিত সহায় কৰে।

বিভিন্ন দেশৰ মাজত খাদ্য সামগ্ৰীৰ আমদানি-ৰপ্তানি হয়। এনে খাদ্য সামগ্ৰীৰ গুণগত মান আৰু সুৰক্ষা নিশ্চিত কৰাটো অতি গুৰুত্বপূৰ্ণ। উদাহৰণস্বৰূপে, খাদ্য সংৰক্ষণ কৰিবলৈ কেনে ধৰণৰ ৰাসায়নিক পদাৰ্থ কিমান মাত্ৰাত মিহলি কৰিব তাৰ সৰ্বসন্মত নিৰ্দেশনা থাকিব লাগে। ISO 22000 পৰিয়ালৰ সূচকসমূহে খাদ্য সুৰক্ষা ব্যৱস্থাপনাৰ লগত জড়িত এনে দিশসমূহ নিৰ্দেশ কৰে।

ISO 26000ৰ পৰিয়ালটোৱে সামাজিক দায়বদ্ধতাৰ ওপৰত স্পষ্ট নিৰ্দেশনা প্ৰদান কৰে। ইয়াৰ জৰিয়তে বিভিন্ন সংস্থা আৰু প্ৰতিষ্ঠানসমূহক নৈতিকভাৱে কাম কৰিবলৈ আৰু সমাজৰ কল্যাণৰ বাবে ইতিবাচক অৰিহণা যোগাবলৈ উৎসাহিত কৰে। কোনো প্ৰতিষ্ঠান অনাগত দিনত কি ধৰণৰ বিপদৰ সন্মুখীন হ’ব, কিদৰে মোকাবিলা কৰিব তথা আকস্মিক দুৰ্ঘটনা, যেনে—জুই, ভূমিকম্প আদিৰ পৰা হাত সাৰিবলৈ কেনে ধৰণৰ যাৱতীয় ব্যৱস্থা ল’ব আদি ধৰণৰ সকলো ‘বিপদ ব্যৱস্থাপনা’ৰ নিৰ্দিষ্ট মান ISO 31000 পৰিয়ালৰ অন্তৰ্গত।

এইবোৰ ISO মানদণ্ডৰ কিছুমান উদাহৰণহে। প্ৰযুক্তি আৰু উৎপাদন প্ৰক্ৰিয়াৰ পৰা আৰম্ভ কৰি স্বাস্থ্য সেৱা, পৰিবহণ আদি সকলো ক্ষেত্ৰকে সামৰি লোৱা হাজাৰ হাজাৰ মানদণ্ড আছে। ISO প্ৰামাণিক মানকসমূহে বিভিন্ন উদ্যোগ আৰু ক্ষেত্ৰ বিশেষে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা, গুণগত মান আৰু সুৰক্ষা প্ৰসাৰিত কৰাত সহায় কৰে। ❖

## কুইজ

■ দীপাংকৰ কৌশিক

**বিশ্বকাপ ক্ৰিকেটৰ বিভিন্ন তথ্যৰে এইমাহৰ শিতান সজোৱা হৈছে**

১। এইবাৰ ষষ্ঠবাৰৰ বাবে বিশ্বকাপ ক্ৰিকেটত জয়ী হয় অষ্ট্ৰেলিয়া। প্ৰথমবাৰ কোন বৰ্ষত দলটোৱে বিশ্বকাপ জয় কৰিছিল?

২। ১৯৯২ চনত প্ৰথমবাৰ বিশ্বকাপত প্ৰদান কৰা প্লেয়াৰ অৱ দ্য টুৰ্নামেণ্ট বঁটা কোনে লাভ কৰিছিল?

৩। ১৯৭৫ চনৰ প্ৰথম আৰু ১৯৭৯ চনৰ দ্বিতীয় বিশ্বকাপত চেম্পিয়ন হৈছিল একেখন দেশ। দেশখনৰ নাম কি?

৪। পুৰুষৰ বিশ্বকাপৰ পূৰ্বেই আৰম্ভ হৈছিল মহিলাৰ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা। এই প্ৰতিযোগিতা কিমান চনত আৰম্ভ হৈছিল ?

৫। ১৯৮৩ চনৰ বিশ্বকাপত ৱেষ্ট ইণ্ডিজক ফাইনেলত পৰাস্ত কৰি বিজয়ী হৈছিল ভাৰত। ২০১১ চনত ভাৰতে ফাইনেলত কাক পৰাভূত কৰিছিল?

৬। এঞ্জেলা মেথিউজ—এইবাৰৰ বিশ্বকাপত তেওঁ এক অনাকাংক্ষিত অভিলেখৰ অধিকাৰী হয়। অভিলেখটো কি?

৭। মহিন্দৰ অমৰনাথ, অৰৱিন্দ ডি ছিলভা, শ্বেন ৱাৰ্ণ আৰু ট্ৰেভিছ হেড—বিশ্বকাপৰ ইতিহাসত এই চাৰিগৰাকীৰ মাজত কি সাদৃশ্য আছে?

৮। ২০২৩ বৰ্ষৰ বিশ্বকাপত সৰ্বাধিক ২৪টা উইকেট কোনে দখল কৰে?

৯। ২০২৭ চনৰ চতুৰ্দশ বিশ্বকাপ তিনিখন দেশে যৌথভাৱে আয়োজন কৰিব। দেশ তিনিখনৰ নাম কি কি?

১০। ২০১৯ চনৰ বিশ্বকাপ জয় কৰিছিল ইংলেণ্ডে। নিউজিলেণ্ডৰ বিৰুদ্ধে ফাইনেলখন টাই হৈছিল। ছুপাৰ অভাৰো টাই হৈছিল। ইংলেণ্ডে কেনেদৰে জয়ী হৈছিল?

১১। বিশ্বকাপৰ ইতিহাসত ভাৰতৰ চেতন শৰ্মা কোনটো কৃতিত্বৰ অধিকাৰী হোৱা প্ৰথম খেলুৱৈ?

১২। ২০০৭ চনৰ বিশ্বকাপত কোনজন বেটছমেনে এটা অভাৰত ছটা ছিক্সাৰ কোৱাইছিল?

১৩। বিশ্বকাপৰ ইতিহাসত সৰ্বাধিক মুঠ ২,২৭৮ ৰানৰ অভিলেখ কোনজন খেলুৱৈৰ নামত আছে?

১৪। চিত্ৰ সংকেত—তেওঁৰ নামত আছে বিশ্বকাপত সৰ্বাধিক উইকেট দখলৰ অভিলেখ। খেলুৱৈগৰাকী কোন ? ❖




## তোমালোকৰ বাবে প্ৰশ্ন, ডিচেম্বৰ, ২০২৩

১। ম'বাইল ফোনৰ SIM কাৰ্ডৰ 'SIM' ৰ সম্পূৰ্ণ ৰূপটো কি?

২। থমাছ আৰু উবেৰ কাপ - কি খেলৰ সৈতে জড়িত?

৩। অসমীয়া সাহিত্যত 'বাউলী কবি' বুলিলে কাক জনা যায়?

৪। 'প্ৰফেট ছং' উপন্যাসখন কি কাৰণত শেহতীয়াকৈ চৰ্চালৈ আহিছে?

৫। কোনজন বিখ্যাত ভাৰতীয় গায়কৰ প্ৰকৃত নাম আছিল আভাষ কুমাৰ গাংগুলী? ❖

## চুড'কুৰ শুদ্ধ উত্তৰ দিয়া শিক্ষাৰ্থীসকল (নৱেম্বৰ, ২০২৩)

প্ৰব্ৰজ্যা প্ৰশস্তি গোস্বামী (পঞ্চম ঘ), নিনাদ নৈঋত প্ৰকাশ, (সপ্তম খ), হিমান দত্ত (সপ্তম খ), ময়ংক পাঠক (নৱম খ), শ্বাছমীন জেছীনা আলিম (ষষ্ঠ ক), সুপ্ৰতীক সঞ্জীৱ ডেকা (পঞ্চম ক), মধুস্মিতা ডেকা (সপ্তম ঘ), জোতিষ্মান চৌধুৰী (চতুৰ্থ খ), নিৰূপম কাশ্যপ (অষ্টম খ), সৃষ্টি শৰ্মা (চতুৰ্থ গ)। ❖

# বন্ধুত্ব

■ ময়ংক পাঠক
নৱম শ্ৰেণী

দ্বাদশ শ্ৰেণীৰ ছাত্ৰ অনুৰাগ শইকীয়া আৰু প্ৰণৱ বৰ্মনৰ বন্ধুত্বৰ কথা চহৰখনত সকলোৱে জানে। সৌৰজগতৰ গ্ৰহ-নক্ষত্ৰৰ কিবা লৰচৰ হ'লেও সিহঁতৰ মাজত বন্ধুত্বৰ হৰণ-ভগন নহয়। লিখা-পঢ়া, খোৱা-লোৱা, আচাৰ-ব্যৱহাৰ সকলোতে যেন সিহঁতৰ তাল-মান ছন্দ মিলি যায়।

অনুৰাগৰ দেউতাক গুৱাহাটীৰ এটা চৰকাৰী কাৰ্য্যালয়ৰ অভিযন্তা আৰু মাক এগৰাকী বেংক কৰ্মচাৰী। অনুৰাগৰ ঘৰৰ অৱস্থাৰ কথা ক'ব লাগিলে চহৰৰ উচ্চ মধ্যবিত্ত পৰিয়াল এটাত যিবোৰ থাকে সেইবোৰ তেওঁলোকৰো আছে। দুখ-কষ্ট, অভাৱ কি অনুৰাগে বুজি নাপায়। জীৱনৰ কি অৰ্থ আছে অনুৰাগে প্ৰায়ে ইয়াকে ভাবি থাকে, তাৰনো কি নাই, সকলো বস্তুৱে প্ৰয়োজনতকৈ অধিক পাইছে সি, তথাপি প্ৰাচুৰ্য্যৰ মাজতো অনুৰাগে কিবা এটা অভাৱ অনুভৱ কৰে। নিজৰ ঘৰখনত থাকিবলৈ তাৰ অকণো ভাল নালাগে। প্ৰণয়হঁতৰ ঘৰখনলৈ গৈ অনুৰাগে বৰ সুখ আৰু আনন্দ উপভোগ কৰে। বিশেষকৈ প্ৰণয়ৰ দেউতাকৰ মৰমসনা মাতযাৰে, মাকৰ হিয়া জুৰ পেলোৱা আব্দাৰবোৰে। কিন্তু অনুৰাগৰ মাক-দেউতাক সম্পূৰ্ণ বেলেগ। প্ৰণয়ে অনুৰাগৰ মাক-দেউতাকৰ পৰা কোনো দিন মৰমৰ মাত বা ভাল ব্যৱহাৰ পোৱা নাই। প্ৰণয়হঁতৰ ঘৰখনলৈ গাঁৱৰ আলহীবোৰ প্ৰায়ে আহি থাকে। চহৰৰ নানা অনুষ্ঠান-প্ৰতিষ্ঠানৰ মানুহবোৰ আহি প্ৰণয়ৰ দেউতাকক মৰম-চেনেহ, শ্ৰদ্ধা যাচে, কিন্তু অনুৰাগৰ দেউতাক উচ্চপদস্থ বিষয়া হ'লেও কোনো অনুষ্ঠানৰ মানুহে মৰম, শ্ৰদ্ধা যাচিবলৈ সিহঁতৰ ঘৰলৈ নাহে। কাৰণ অনুৰাগৰ মাক-দেউতাক ধনৰ গৌৰৱত গৰ্বিত। তেনেহ'লে অনুৰাগৰ মাক-দেউতাকে ইমানবোৰ ধন-সম্পত্তি কাৰ বাবে কৰিছে, তেওঁলোকৰ একমাত্ৰ সন্তান অনুৰাগৰ বাবে নে



অনুৰাগক সুখত ৰাখিবৰ বাবে? সি তাৰ বিলাসী জীৱন এটাৰ বাবে সমাজৰ মৰম, স্নেহ, বন্ধুত্ব ত্যাগ কৰিব নোৱাৰে। অনুৰাগে শিক্ষিত হোৱাৰ লগতে বাস্তৱত এজন ভাল মানুহ হ'ব বিচাৰে। এনেদৰে অনুৰাগে কথাবোৰ ভাবি থাকোঁতে প্ৰণয়ৰ মাক-দেউতাকৰ ৰঙীন ছবি দুখন অনুৰাগৰ দুচকুত ভাহি উঠে।

প্ৰণয়হঁতৰ ঘৰৰ পৰা কিছু দূৰত থকা মূল বজাৰখনতে প্ৰণয়ৰ দেউতাকৰ গেলামালৰ দোকান আছে। দোকানখনৰ উপাৰ্জনেৰে চাৰিজনীয়া পৰিয়ালটো ভালদৰে চলি আছে। সৎ সংস্কাৰেৰে সুন্দৰভাৱে অতিথি আপ্যায়নো কৰি আহিছে। উপাৰ্জন অনুপাতে বস্তুৰ দাম আৰু ইটো-সিটো খৰচ বঢ়া বাবেহে মাজে-সময়ে অলপ কষ্ট হয়।

প্ৰণয়ৰ দেউতাকৰ ধন নাথাকিলেও কিন্তু মনটো ডাঙৰ। দোকানখনৰ উপাৰ্জনেৰে নিজৰ দুটি ল'ৰা-ছোৱালীক স্কুল-কলেজত পঢ়ুওৱাৰ উপৰি ভতিজা-ভাগিন কেইবাজনকো পঢ়া-শুনাৰ বাবে টকা-পইচাৰে

সহায় কৰে। চহৰখনত কেইবাটাও অনুষ্ঠান-প্ৰতিষ্ঠানক দান-বৰঙণি দি নিজৰ ডাঙৰ মনটোৰ পৰিচয় দিছে। প্ৰণয়ৰ দেউতাকৰ নিজৰ বুলিবলৈ অসম আৰ্হিৰ তিনিটা কোঠাৰ ঘৰটোৰ বাহিৰে আৰু একো নাই। দোকানখনৰ বাহিৰে অইন উপাৰ্জনৰ পথো নাই। গতিকে তেনেকৈ সাঁচতীয়া ধনো নাই। কথাবোৰ চিন্তা কৰিলে প্ৰণয়ৰ ভয় লাগে। সিহঁতক কিবা এপদ বস্তু লগা হ'লে হাজাৰবাৰ চিন্তা কৰিব লগা হয়।

অনুৰাগৰ কাৰণে দেউতাকে কি কৰা নাই। চহৰত কেইবাঠাইতো মাটি কিনি থৈছে, অনুৰাগক নিজাকৈ অ'লৈ-ত'লৈ যোৱাৰ বাবে গাড়ী কিনি দিয়াৰ উপৰি খৰচৰ বাবে বেংকত একাউণ্ট খুলি দিছে।

পঢ়া টেবুলত বহি প্ৰণয়ে বহু কথা চিন্তা কৰি আছিল। এনেতে দেউতাকে মাত লগালে, "প্ৰণয়, আমাৰ ঘৰলৈ অনুৰাগ বহুদিন অহা নাই দেখোন, আজি তাক লগত লৈ আহিবি, কচাইজনে ভাল ছাগলীৰ মাংস দিব খুজিছে।" প্ৰণয়ে দেউতাকৰ কথাষাৰ শলাগি পঢ়া টেবুলৰ পৰা উঠিল।

কেইদিনমান হ'ল প্ৰণয়ৰ দেউতাকৰ গা ভাল নহয়। অসুখৰ বাবে দোকানখনো বন্ধ ৰাখিব লগা হৈছে। ওচৰৰ ফাৰ্মাচীৰ পৰা ঔষধ আনি খাই ভাল পোৱা নাই বাবে জিএমচিত দেখুৱালে। চিকিৎসকে সকলো পৰীক্ষা কৰি চাই প্ৰণয়ৰ দেউতাকক বেমাৰৰ বিষয়ে সকলো কথা ভাঙি-পাতি কৈ চিকিৎসালয়ত ভৰ্তি হ'বলৈ পৰামৰ্শ দিলে। ভাবি-চিন্তি চাওঁ বুলি কৈ তেওঁ ঘৰলৈ উভতি আহিল। চিকিৎসালয়ৰ পৰা ঘূৰি অহাৰ পাছত প্ৰণয়ে দেউতাকক সুধিলে, "চিকিৎসকে কি ক'লে দেউতা, ঔষধ-পাতি একো নিদিলে নেকি?" "চিকিৎসকে পৰীক্ষা কৰি একো বেমাৰ নাই বুলি ক'লে আৰু ঔষধো নালাগে বুলি ক'লে।" কথাকেইষাৰ কওঁতে দেউতাকৰ ওঁঠযুৰি কঁপিছিল আৰু চকুকেইটাও চলচলীয়া হৈছিল। প্ৰণয়ে দেউতাকৰ কথাত কিবা ৰহস্য লুকাই থকা যেন অনুমান কৰিলে। পাছদিনা প্ৰণয়ে নিজে গৈ চিকিৎসকক লগ ধৰি গম পালে যে তাৰ দেউতাকৰ ডাঙৰ বেমাৰ আৰম্ভ হৈছে। সোনকালে বাহিৰলৈ নি এবাৰ দেখুৱালে নিশ্চয় ভাল হ'ব। চিকিৎসকৰ কথা শুনি প্ৰণয় বাকৰুদ্ধ হ'ল।

অনুৰাগে লক্ষ্য কৰিলে যে কিছুদিনৰ পৰা প্ৰণয়ৰ মুখখন ম্লান পৰি গৈছে, চকুযুৰিও সেমেকি গৈছে। তাৰ জীৱনলৈ নিশ্চয় কিবা ধুমুহা আহিছে। প্ৰণয়ৰ কি হৈছে বাৰু। প্ৰণয়ৰ কিবা এটা ঘটিলে...। অনুৰাগে খুব ভয় খালে।

কলেজৰ এটা ক্লাছ নকৰাকৈয়ে অনুৰাগে প্ৰণয়ক জোৰ কৰি কলেজৰ পৰা ঘৰলৈ লৈ আহিল। প্ৰণয়হঁতৰ কি হৈছে জানিবৰ বাবে পৰিৱেশটো পাতল কৰাৰ উদ্দেশ্যে ঘৰৰ ভিতৰত সোমাই অনুৰাগে চিঞৰি চিঞৰি মাতিলে, "খুৰীদেউ, বৰ ভোক লাগিছে, ভাত আছেনে খুৰীদেউ?" অনুৰাগৰ কথা শুনি প্ৰণয়ৰ মাক চিন্তিত হ'ল। পুৱাতে ল'ৰা-ছোৱালী দুয়োজনে ৰাতিৰ পঁইতা ভাতকেইটা নিমখ-তেলেৰে মুখত দি স্কুল-কলেজলৈ গৈছিল। এতিয়া কিবা এটা বনাবলৈ ঘৰত একো বস্তু এটা যোগাৰ নাই। ল'ৰাটোক কোন স'তে মই ভাত নাই বুলি ক'ম বাৰু। প্ৰণয়ে মাকৰ অৱস্থা বুজি পাই কাষলৈ আহি "মা, অনুৰাগে পেটৰ ভোকত ভাত বিচৰা নাই, আমাৰ ঘৰতনো কি হৈছে তাৰ প্ৰমাণ চাইছে। পাছে মা, দেউতাক কিবা খুৱালানে?" প্ৰণয়ৰ কথা শুনি অনুৰাগে সুধিলে, "খুৰাদেউ ঘৰতে আছে নেকি? মোক এবাৰো মাত দিয়া নাই কিয়?" প্ৰণয়ৰ মাকে আৰু ৰ'ব নোৱাৰিলে। অনুৰাগৰ সন্মুখত হুকহুকাই কান্দি পেলালে। অনুৰাগ শিল পৰা কপৌৰ দৰে থৰ হৈ ৰ'ল। সকলো কথা জনাৰ পাছত অনুৰাগে প্ৰণয়ক নানা ককৰ্থনা কৰিলে। "তুমি মোক আপোন বুলি নাভাবিলা?" ইমানদিনে অনুৰাগে এইখনকে তাৰ নিজৰ ঘৰ বুলি সান্ত্বনা লভি আহিছিল। খুৰাকৰ বেমাৰৰ খবৰটোৱে অনুৰাগক মৰ্মান্তিক আঘাত দিলে। ইমান ডাঙৰ কথা এটা তাৰ পৰা লুকুৱালে। অনুৰাগৰ কথা শেষ নৌহওঁতেই প্ৰণয়ে তাৰ ডিঙিত সাবটি খুব কান্দিলে, "মোক ক্ষমা কৰিবা, অনুৰাগ।"

অনুৰাগে প্ৰণয়ৰ মাকৰ হাতত টকা অলপ দি প্ৰণয়ক লগত লৈ ঘৰলৈ আহিল। মাক-দেউতাক তেতিয়ালৈকে অফিচৰ পৰা ঘৰ পোৱাহি নাই। দেউতাকে তাক উপহাৰ দিয়া গাড়ীখন সি সিদিনাহে চুই

চালে প্ৰণয়ৰ দেউতাক আৰু অনুৰাগৰ মৰমৰ খুৰাকৰ বাবে। তাৰ পাছত অনুৰাগে আলমাৰিৰ পৰা চেকবুকখন উলিয়াই বেগত ভৰাই লৈ প্ৰণয়, অনুৰাগ দুয়ো গাড়ীখনেৰে বেংকলৈ গ'ল। তাৰ পৰা বাহিৰে বাহিৰে ৰেলৰে ৰিজাৰ্ভেছন কাউণ্টাৰ পালেগৈ। চেন্নাইলৈ তিনিটা টিকট কিনিলে। ঘূৰি আহোঁতে দুয়ো কৃষ্ণ-অৰ্জুন হোটেলত কিবা এটা খাই ল'লে।

আজি অনুৰাগ, প্ৰণয় আৰু দেউতাক বাংগালুৰু এক্সপ্ৰেছেৰে চেন্নাই অভিমুখে ৰাওনা হ'ব। দোকমোকালিতে অনুৰাগৰ মাক-দেউতাক প্ৰণয়হঁতৰ ঘৰত উপস্থিত হৈ যাত্ৰাৰ বাবে আটাইকে শুভেচ্ছা জনালে। অনুৰাগৰ মাকে প্ৰণয় আৰু অনুৰাগক কাষলৈ মাতিলে, "তোমালোকৰ বন্ধুত্ব অতি পৱিত্ৰ, ইয়াক কোনেও অপৱিত্ৰ কৰিব নোৱাৰে। অনুৰাগ, প্ৰণয়ৰ দেউতাকৰ বাবে, তাৰ ঘৰখনৰ বাবে তুমি প্ৰকৃত বন্ধুৰ পৰিচয় দিলা। জীৱনটো কি এতিয়াহে আমি উপলব্ধি কৰিলোঁ।" মাক-দেউতাকৰ কথাখিনিয়ে অনুৰাগৰ হৃদয় চুই গ'ল। ❖

# চোৰ

■ খ্যাতি তৃষ্ণা দেৱী
দশম শ্ৰেণী



প্ৰশান্ত দত্তই তেওঁৰ সত্তৰ বছৰীয়া জীৱন কালত ঘৰখনত এনেকুৱা পৰিস্থিতিৰ সৃষ্টি হোৱা কেতিয়াও দেখা নাছিল। পুত্ৰ-বোৱাৰী, নাতি-নাতিনী আটাইকেইটাৰ এনে উন্মাদপ্ৰায় আচৰণ পূৰ্বে মনত নপৰে। সৌৱা তেওঁৰ পুত্ৰ ৰঞ্জন দত্ত গোসাঁই থানত শৰাই দি আহি পাইছে। ওচৰ-চুবুৰীয়াই আহি এই এঘণ্টা ঘৰখনৰ মানুহকেইটা নাথাকোঁতেই কেনেকৈ ঘৰখনৰ আটাইকেইটা ম'বাইল ফোন পিছফালৰ দুৱাৰ ভাঙি চোৰে চুৰি কৰি লৈ গ'ল সেই কথাৰ নিজা নিজা দৃষ্টিভংগীৰে বিশ্লেষণ আগ বঢ়াই প্ৰশান্ত দত্তৰ পো-বোৱাৰীক সান্ত্বনা দিলেহি।

বাৰাণ্ডাৰ চকীখনত শান্তভাৱে বহি থকা প্ৰশান্ত দত্তই এই যি উত্তেজনা, আৱেগ দেখা পাইছে তাৰ এশ ভাগৰ এভাগো যদি ৰঞ্জনৰ মাক ঢুকাওঁতে দেখা পালেহেঁতেন? উচ্চ ৰক্তচাপ আৰু হৃদৰোগত আকস্মিকভাৱে এই সংসাৰৰ পৰা দুবছৰৰ পূৰ্বে চিৰবিদায় লোৱা প্ৰশান্ত দত্তৰ পৰিবাৰৰ বাবে ৰঞ্জনে এটোপাল চকুলো টোকাৰ বাহিৰে বোৱাৰীয়েক, নাতি-নাতিনীহঁতৰ মানসিক জগতত কোনো প্ৰতিক্ৰিয়াই প্ৰশান্ত দত্তই দেখা পোৱা নাছিল। অথচ এই ঘৰখন, এই পৰিয়ালটোৰ বাবেই ৰঞ্জনৰ মাকে জীৱনৰ সকলোখিনি দি থৈ যোৱা নাছিলনে? পৰিবাৰৰ মৃত্যুৰ দুবছৰৰ ভিতৰতে বেতৰ আৰামী চকীখন ভাগিল। নতুনকৈ এখন আনি দিয়াৰ কথা পো-বোৱাৰীৰ মনলৈ অহা নাই। চছমাযোৰৰ ঠাৰিডাল নাতি দুদুৱে ম'বাইলত গেম খেলি খেলি হঠাৎ আহি ওপৰতে বহি দিয়াত ভাগিল, সেইযোৰ ঠিক কৰাও হোৱা নাই, খবৰ কাগজখন সদায় পঢ়া প্ৰশান্ত দত্তই ভালেমান দিন কাকত-পত্ৰ পঢ়িব পৰা নাই। পত্নী ঢুকোৱাৰ এবছৰৰ পাছত চোতালতে পৰি হাড়ত এবাৰ দুখ পোৱাৰ বাবে শেলুৱৈ ধৰা চোতালখনৰ মাজেৰে খোজ কাঢ়ি বাহিৰলৈ নাযাবলৈ ৰঞ্জনে সকীয়াই দিছে।

"বাহিৰলৈ নাযাব। পিছল খাই পৰিলে কোনে চাব, কাৰ সময় আছে আপোনাক আলপৈচান ধৰিবলৈ?"

চুবুৰীয়া বৰকাকতি আৰু কলিতাও আজিকালি এইফালে আহিবলৈ এৰিলে। এৰা, সকলো নিজক লৈয়েই ব্যস্ত। প্ৰশান্ত দত্তৰ পৰিবাৰে আদৰেৰে দিয়া চাহকাপৰ লগত বোৱাৰীয়েকে অৱজ্ঞা আৰু অনিচ্ছাৰে দিয়া চাহকাপৰ মাজত আকাশ-পাতাল পাৰ্থক্য। নাতি-নাতিনী দুটা ককাকৰ ওচৰলৈ নাহে। স্কুল, হ'মৱৰ্ক, ম'বাইল লৈ সিহঁতৰ নিজস্ব পৃথিৱীখনত প্ৰশান্ত দত্তৰ স্থান আৰু অস্তিত্ব অবৰ্তমান।

"আহাচোন বাবু-মাইনা, মই তোমালোকক এটা ধুনীয়া সাধু ক'ম, মহাভাৰত, ৰামায়ণৰ ধুনীয়া ধুনীয়া ষ্ট'ৰী ক'ম।" নাই নাহে। প্ৰশান্ত দত্তৰ সংগী হ'বলৈ, এই বুঢ়াটোৰ পৰা কিবা শিকিবলৈ কোনো নাহে। একাকীত্ব আৰু সংগীহীনতাৰ যন্ত্ৰণাই প্ৰশান্ত দত্তক বোবা কৰি পেলাইছে।

সেয়ে আজি ৰঞ্জন দত্তৰ প্ৰমোছনৰ বাবে জ্যোতিষীজনে কাষৰ মন্দিৰটোত আগ বঢ়াবলৈ দিয়া শৰাইখন দিবলৈ পো-বোৱাৰী, নাতি-নাতিনীয়েক আটাইকেইটা সন্ধিয়া ওলাই গৈ দুঘণ্টাৰ পাছত ঘূৰি আহিয়েই আৱিষ্কাৰ কৰিলে যে পুতেক-বোৱাৰীয়েক আৰু নাতি দুটাৰ চাৰিওটা ম'বাইল ফোন পিছফালৰ দৰ্জা ভাঙি চোৰে লৈ গৈছে। আগফালে চকীত প্ৰশান্ত দত্তক ঘৰৰখীয়া কৰি থৈ যোৱাৰ একো অৰ্থই নাথাকিল বুলি, দেউতাকক অকৰ্মণ্য, দায়িত্বহীন বুলি চাৰিওটি প্ৰাণীয়ে বৰকৈ ককৰ্থনা কৰিলে।

দুই-তিনিদিন ঘৰখন যেন অচল হৈ পৰিল। ৰঞ্জন দত্তয়ো কিবা জেদত নতুনকৈ ম'বাইল কিনা নাই। শুই উঠাৰ পৰা শোৱালৈকে সকলো কথাতে যে ম'বাইলটোৰ ওপৰতে নিৰ্ভৰশীল আছিল এতিয়াহে যেন বুজি পালে। আসক্ত আছিল গোটেই পৰিয়ালটো 'ম'বাইল'ত।

অৱশেষত আহিল ককাক প্ৰশান্ত দত্তৰ ওচৰলৈ নাতি দুটা সাধু শুনিবলৈ। কেতিয়াও একেলগে বহি ভাত নোখোৱা পৰিয়ালৰ সদস্যসকলেও আজিকালি খোৱা টেবুলত লগ দিয়াৰ সময় আহিল। কেতিয়াও এজনে আনজনৰ লগত ভালকৈ কথা পাতিবলৈ সময় নোপোৱাবোৰেও এতিয়া সময় উলিয়াব পাৰিছে। এক অবিশ্বাস্য পৰিবেশ সৃষ্টি হৈছে এই ঘৰখনত।

ঘটনাটো ঘটাৰ প্ৰায় এসপ্তাহমান হ'বৰ হ'ল। ঘৰখনত সকলোৱে মৰম-আদৰেৰে থাকে। ম'বাইলৰ প্ৰভাৱ নোহোৱা হোৱাৰে পৰা ককাকৰ লগতো নাতি-নাতিনীয়েক দুটাই কথা পতা হৈছে।

এবাৰ প্ৰশান্ত দত্তই ঘৰখনত কোনো নথকাৰ সুযোগ লৈ পিছফালৰ বাৰীত তেওঁ নিজে পলিথিন পেকেটেৰে মেৰিয়াই মাটিত পুতি থোৱাৰ পৰা ম'বাইলকেইটা উলিয়াই গধূলি পুতেক-বোৱাৰীয়েকৰ হাতত দি ক'লে, "তোমালোকৰ ফোনকেইটা চোতালত কোনোবাই পেলাই থৈ গৈছে। কিন্তু ম'বাইল নথকা দিনকেইটা অসুবিধাৰ মাজেৰে চলিব লগা হ'ল যদিও নাতি দুটাৰ বহুখিনি সু-অভ্যাস গঢ়ি উঠিল।"

ৰঞ্জনে দেউতাকলৈ চাই ক'লে, "হয় দেউতা। কোনোবা জ্ঞানী চোৰেই এনে কৰিছে যেন লাগিছে।" ❖

# অভিজ্ঞতা

■ **উজ্জীৱন তালুকদাৰ**
পঞ্চম শ্ৰেণী

২০২৩ বৰ্ষটোত মই কেইবাটাও ভাল-বেয়া অভিজ্ঞতাৰ সন্মুখীন হ'লোঁ। মোৰ অভিজ্ঞতাকেইটা কোৱাৰ আগতে এটা কথা জনাব লাগিব যে এই আটাইকেইটা কথাই মা-দেউতাই প্ৰায়েই মোক কয়। মোৰ মা-দেউতাৰ জন্ম আৰু ডাঙৰ-দীঘল গাঁৱত হৈছিল। সেয়ে তেওঁলোকে কৰা বিভিন্ন ধেমালিৰ কথা

কাহিনীৰ নিচিনাকৈ মোক ৰাতি শোওঁতে প্ৰায়েই কয়। সেই কথাবোৰ মোৰো কৰি চাবলৈ বা জানিবলৈ মন যায়।

এইবাৰ গৰমৰ বন্ধত মাৰ লগত লখিমপুৰলৈ গৈছিলোঁ। মোৰ মামাৰ ঘৰ লখিমপুৰৰ এখন ভিতৰুৱা গাঁৱত। মই মামাৰ ঘৰলৈ গ'লে ডাঙৰ মামাৰ ছোৱালী দেহা বা আৰু চুবুৰিটোৰ কেইবাটাও ল'ৰা-ছোৱালীৰ লগত খেলোঁ। প্ৰতিবাৰৰ দৰে এইবাৰো চোতালৰ আগত কাপোৰেৰে ঘৰ সাজি খেলিছিলোঁ। চোতালখনত আঠটামান বাঁহৰ খুঁটা পুতি লওঁ। তাৰ পাছত খুঁটাবোৰৰ ওপৰত কাপোৰ দি চাল লগাওঁ। আকৌ কাপোৰেৰে বেৰ দিওঁ। তলত অৰ্থাৎ মাটিত এখন পাটী পাৰি লওঁ। পাটীৰ ওপৰত পুৰণা কুছন চাৰিখন পাৰি দিওঁ। এইবাৰৰ আমি সজা ঘৰটো বৰ মজবুত হৈছিল। তাতে আমি আমাৰ দৰকাৰী বস্তু, যেনে—ছবিৰ বহী, পেঞ্চিল, ৰং, পানীৰ বটল, এখন পীৰা, দুটামান কলম আৰু যাৰ যি প্ৰয়োজন সেই মতে লৈ লওঁ। এইবাৰৰ মজাৰ কথাটো হ'ল, মাটিৰ গোন্ধ কেনেকুৱা সেয়া গম পালোঁ। বাৰিষা বতৰ হোৱা বাবে মাটি খান্দি খুঁটি পোতোঁতে আৰু সেই ঘৰটোত বহি থাকোঁতে জেকা মাটিৰ গোন্ধ প্ৰথমবাৰলৈ অনুভৱ কৰিলোঁ। জেকা মাটিৰ পৰা ওলোৱা গোন্ধৰ বিষয়ে মোক মায়ে কৈছিল। গোন্ধটো কেনেকুৱা নিজে অনুভৱহে কৰিব পাৰি, বুজাব নোৱাৰি।

দ্বিতীয় অভিজ্ঞতাটো এনে ধৰণৰ—এইবাৰ মই মোৰ জেঠাইৰ লগত গাঁৱৰ সিটো মূৰৰ পৰা হাতত ডাঙৰ জগ এটা লৈ গাখীৰ আনিবলৈ গৈছিলোঁ। আমি থকাকেইদিন বৰষুণ দি আছিল। ছাতি লৈ গ'লেও মই বৰষুণ ভাল পাওঁ কাৰণে জেঠায়ে তিতিবলৈ দিছিল। যাওঁতে আমি ৰাস্তাৰে যাওঁ, কিন্তু ঘূৰি আহোঁতে পথাৰৰ মাজেৰে বোকা-পানী গচকি তিতি-বুৰি ঘৰ ওলাওঁহি। কথাটো কিন্তু ঘৰৰ বাকীবোৰে গম পোৱা নাছিল। কাৰণ জেঠায়ে মোক মনে মনে বাথৰুমলৈ গৈ গা-পা ধুইহে ওলাই আহিবলৈ দিছিল। এই কথাটো মোৰ গোটেই জীৱনলৈ মনত থাকিব।

এইবাৰ পোৱা আন এটা অভিজ্ঞতা হ'ল এইবাৰ মই পথাৰত নামি ভূঁই ৰুইছিলোঁ। মই ইয়াৰ আগতেও বোকা মাটিত নামিছিলোঁ। কিন্তু এইবাৰৰ দৰে অনুভৱ কৰিব পৰা নাছিলোঁ। সেইদিনা বৰ টান ৰ'দ দিছিল। প্ৰথমে অলপ ভয় লাগিছিল জোকে খাব বুলি। জোক নাই বুলি কোৱাত নিশ্চিন্ত মনেৰে নামি গ'লোঁ। ধানৰ কঠীয়া হাতৰ মুঠিত (বাঁওহাতত) লৈ সোঁহাতেৰে ছয়ৰ পৰা দহডালমান কঠীয়াৰ গুৰিত ধৰি সোঁহাতেৰে টানি আনি পোনকৈ ধৰি বোকাত গুঁজি দিব লাগে। মাহঁতে ৰুওঁতে কম সময়তে ৰুব পাৰিছিল। পথাৰত ৰ'দ আছিল যদিও বৰ ধুনীয়া বতাহ বলি আছিল। পথাৰৰ বোকা-পানীৰ গোন্ধ এয়ে প্ৰথমবাৰলৈ অনুভৱ কৰিছিলোঁ।

ইয়াৰ উপৰি গছত বগোৱা, কুট-কুট খেলা, লুকা-ভাকু, ঢোপ খেল খেলা এইবোৰতো আছেই। অ' আৰু এটা কথা, বকুল মামাহঁতৰ সোণটো দাদাৰ লগত স্কুটি আৰু চাইকেলত উঠি ফুৰিবলৈ গৈছিলোঁ। সোণটো দাদাৰ লগত থাকিলে এটা কথাত মোৰ বৰ ভাল লাগে, কাৰণ সি মোক চিপ্‌ছ, চকলেট আদি মোৰ ভাল লগা বস্তুবোৰ খাবলৈ দিয়ে। মোৰ মামীয়ে (সোণটো দাদাৰ মাক) ৰান্ধি খুওৱা হাঁহৰ মাংসৰ সোৱাদ আছেই।

বেয়া লগা এটা অভিজ্ঞতা হ'ল এইবাৰৰ আমাৰ বিদ্যালয়ৰ বাৰ্ষিক গীত-মাতৰ গধূলিত ভাগ নল'লোঁ। বিভিন্ন শিতানত ভাগ ল'ব পাৰি যদিও মই বহুত আগৰে পৰা ভাগ নলৈ কেৱল অনুষ্ঠানবোৰ চাম বুলি ভাবিছিলোঁ। কিন্তু যেতিয়া ৪ আৰু ৫ নৱেম্বৰ দিন দুটা আহি পাইছিল আৰু লগৰবোৰে অনুষ্ঠান কৰা দেখিছিলোঁ, তেতিয়া মোৰ বৰ বেয়া লাগিছিল। মোৰ মনটো মৰি গৈছিল। মই উপলব্ধি কৰিছিলোঁ যে ভাগ নোলোৱাৰ সিদ্ধান্তটো ভুল আছিল। গতিকে এইবাৰৰ পৰা এনেকুৱা নকৰোঁ বুলি সিদ্ধান্ত ল'লোঁ। অৱশ্যে নিৰ্লোভ, বিদিপ, অনিতা, অভিক, জ্ঞানাংকুৰ, হৰ্ষিত, শ্ৰেয়াষ, নিখিলেশ, টনবীৰ, হৃষিকেশহঁতৰ লগত ঘূৰিলোঁ, বিভিন্ন খোৱাবস্তুৰ সোৱাদো ল'লোঁ। ❖

# মা

■ **পূবাণ্ণী দাস**
পঞ্চম শ্ৰেণী

তোমাৰ বুকুতে মই হ'লোঁ ডাঙৰ-দীঘল
চেনেহেৰে তুমি মোক কৰিছা পালন।
ধুনীয়া ধৰাখন চিনিলোঁ মই তোমাৰ বাবেই
শুই মই ভাল পাওঁ তোমাৰ বুকুতেই।
কবিতা, গল্প আৰু কত কি
জ্ঞান দিবলৈ চেষ্টা কৰা অহৰহ তুমি
পঢ়া-শুনাও তুমিয়েই চোৱা
অংকত বেছি মন দিবলৈ কোৱা,
শিষ্টাচাৰত তুমি কিন্তু খুব গুৰুত্ব দিয়া,
ব্যক্তিত্ব বিকাশৰ পাঠবোৰ তুমিয়েই শিকোৱা
মা, মোৰ সাহস হৈ থাকিবা সদায়
পোহৰৰ বাটেৰে মোক নিবা আগুৱায়। ❖

# গণিত

■ **এমিলী বৰগোহাঞি**
পঞ্চম শ্ৰেণী

হৰণ, পূৰণ, যোগ, বিয়োগ
কৰি ভাল লাগে,
দুই, তিনি, চাৰি, পাঁচৰ
পূৰণ নেওতাও থাকে।
যুগ্ম, অযুগ্ম, মৌলিক, যৌগিক
ধুনীয়া ধুনীয়া নাম,
ভগ্নাংশ ভাগ কৰি কৰি
ততকে নাপাওঁ
সৰুৰ পৰা ডাঙৰলৈ সজাব লাগে
অশুদ্ধকৈ সজালে বৰ বেয়া লাগে।
মিগ্ৰা. ছেগ্ৰা. কিগ্ৰা. আৰু কিছু একক থাকে
এইবোৰ কিন্তু জোখ-মাখতহে লাগে। ❖


# মই অক'মানি পেংগুইন

■ **মূল** : I am a Little Penguin
**কবি** : Allison Correia
■ **অনুবাদ : চতুৰ্থী শিৰম**
পঞ্চম শ্ৰেণী

মই হ'লোঁ অক'মানি পেংগুইন
থাকোঁ মই বৰফত,
চুঁচৰি ফুৰোঁ মই
পেটৰ সহায়ত।

নীলা সাগৰৰ গভীৰত থকা মাছ
খাওঁ মই বুটলি,
আছে মোৰ অক'মানি
ডেউকা দুখনি।

ক'লা-বগা সাজেৰে
দেখিছানে মোক?
মই কেনেনো শুৱনি।
উৰিব নোৱাৰি
থাকোঁ যে মই
সাগৰৰ বুকুত সাঁতুৰি-নাদুৰি। ❖



# মানসিক সামৰ্থ্য বিকাশ

■ ৰবীন্দ্ৰ বৰ্মন

**নিৰ্দেশনা :**

তলৰ প্ৰশ্ন 1 ৰ পৰা 20লৈ প্ৰশ্নবোৰত একোটা শ্ৰেণী দিয়া আছে। বিকল্প উত্তৰবোৰৰ পৰা খালী ঠাইৰ বাবে উপযুক্ত উত্তৰটো নিৰ্ণয় কৰা যাতে শ্ৰেণীটো সম্পূৰ্ণ হয়।

1. AF, BG, CH, –

a) DJ b) JD c) ED d) DI

2. Z, U, P, K, –

a) F b) G c) E d) D

3. LKJ, IHG, FED, –

a) DCB b) CBA c) BAC d) BCA

4. A, K, B, L, C, M, D, –

a) E b) O c) N d) F

5. ST, QR, OP, MN, –

a) KL b) JK c) LM d) IJ

6. ZYX, XWV, VUT, –

a) SRQ b) TSR c) TRS d) SQR

7. Z, W, S, N, –

a) H b) I c) J d) G

8. AP, ZO, YN, –

a) BM b) WQ c) CL d) XM

9. FKP, GLQ, HMR –

a) JOT b) INS c) IOT d) KQV

10. X, W, U, R, N, –

a) J b) I c) K d) H

11. ACF, GIL, MOR, –

a) STV b) TVY c) SUX d) TVX

12. WUY, RPT, MKO, –

| | | | |
|---|---|---|---|
| a) HFJ | b) JGK | c) DBF | d) CAE |

13. BEH, KNQ, TWZ, –

| | | | |
|---|---|---|---|
| a) CFI | b) BDF | c) ADG | d) IJL |

14. AFKP, BGLQ, CHMR, –

| | | | |
|---|---|---|---|
| a) EJOT | b) DINS | c) EJOS | d) CJOT |

15. V, Q, L, –

| | | | |
|---|---|---|---|
| a) F | b) G | c) H | d) I |

16. AZ, CX, FU, –

| | | | |
|---|---|---|---|
| a) IR | b) IV | c) JQ | d) KP |

17. RUZ, BEJ, LOT, –

| | | | |
|---|---|---|---|
| a) UXC | b) WZE | c) VXC | d) UWB |

18. DGJM, EHKN, FILO, –

| | | | |
|---|---|---|---|
| a) GJMP | b) HKNQ | c) ILOR | d) JMPS |

19. YBXC, VEUF, SHRI, –

| | | | |
|---|---|---|---|
| a) OJNK | b) PKOL | c) QJPK | d) PKQL |

20. ABDG, CDFI, EFHK, –

| | | | |
|---|---|---|---|
| a) GHJM | b) HIKM | c) HILN | d) HJMN |

**উত্তৰসমূহ :**

| | | | | | |
|---|---|---|---|---|---|
| 1) (d) | 2) (a) | 3) (b) | 4) (c) | 5) (a) | 6) (b) |
| 7) (a) | 8) (d) | 9) (b) | 10) (b) | 11) (c) | 12) (a) |
| 13) (a) | 14) (b) | 15) (b) | 16) (c) | 17) (c) | 18) (a) |
| 19) (b) | 20) (a) | | | | |

## বিশ্ব সাহিত্যৰ জিলিঙনি

# গী দ্য মোপাছা আৰু তেওঁৰ 'দ্য নেক্‌লেছ'

■ **দোলন বৰা**



ফৰাচী ভাষাৰ এগৰাকী আগশাৰীৰ গল্পকাৰ গী দ্য মোপাছাৰ জন্ম হৈছিল ১৮৫০ চনৰ ৫ আগষ্ট তাৰিখে ফ্ৰান্সৰ নাৰ্মাণ্ডি অঞ্চলত। তেওঁৰ পিতৃৰ নাম আছিল গুষ্টাফ মোপাছা আৰু মাতৃৰ নাম আছিল লঅ'ৰা মোপাছা।

মোপাছাৰ প্ৰথম গল্পটো প্ৰকাশ পাইছিল তেওঁৰ ত্ৰিছ বছৰ বয়সত। তাৰ পাছত মাত্ৰ তেৰ বছৰহে তেওঁ জীয়াই আছিল। এইখিনি সময়তে মোপাছাই তিনিশমান চুটিগল্প, ছখন উপন্যাস, ভালেমান কবিতা আৰু তিনিখন ভ্ৰমণ কাহিনী ৰচনা কৰিছিল। অসুস্থ অৱস্থাত লিখিবলৈ লোৱা দুখন উপন্যাস সমাপ্ত কৰাৰ আগতেই তেওঁ ১৮৯৩ চনৰ ৬ জুলাই তাৰিখে ইহ সংসাৰ ত্যাগ কৰিছিল।

গী দ্য মোপাছাৰ এটা বিশ্ববিখ্যাত আৰু বহুপঠিত গল্প হৈছে 'দ্য নেক্‌লেছ' (The Necklace)। পৃথিৱীৰ প্ৰায়বোৰ ভাষালৈ এই গল্পটো অনুবাদ হৈছে।

'দ্য নেক্‌লেছ' গল্পটোৰ মূল চৰিত্ৰ ম'চিঅ' লোৱাজঁল আৰু মাথিল্ডা লোৱাজঁল। সামান্য উপাৰ্জনেৰে চলি থকা এটা তেনেই সাধাৰণ পৰিয়াল। ভাল খাবলৈ বা ভাল সাজ-পাৰ ল'বলৈ তেওঁলোকৰ অৰ্থৰ অভাৱ। তথাপি ম'চিঅ' লোৱাজঁল মনৰ দুখীয়া নহয়। তাৰ বিপৰীতে মেডাম লোৱাজঁল দেখাত অতি সুন্দৰী; কিন্তু মন আৰু অৰ্থ দুয়ো দিশৰ পৰাই দুখীয়া আৰু অসুখী এগৰাকী মহিলা। মেডাম লোৱাজঁল থকাখিনিক লৈ কোনোদিনে সুখী নাছিল। ভাল কাপোৰ এসাজ পিন্ধিবলৈ নোপোৱা, লগত ভাল গহনা নোহোৱা আদিবোৰ কথাই মেডাম লোৱাজঁলক সদায় দুখ দিছিল। মেডাম লোৱাজঁলে সদায় নথকা সুখ-সুবিধাখিনি পাবলৈ হাবিয়াস কৰিছিল।

ভাল সাজ-পাৰ আৰু গহনা নোহোৱাৰ বাবেই ক'লৈকো যাব নিবিচৰা লোৱাজঁলৰ স্বামীয়ে এদিন এটা লেফাফা হাতত লৈ আহি মেডাম লোৱাজঁলক ক'লে যে শিক্ষা বিভাগৰ মেডামে তেওঁলোকৰ ঘৰত এটি সৰু প্ৰীতিভোজৰ আয়োজন কৰিছে। তাত তেওঁলোক দুয়োৰে উপস্থিতি কামনা কৰিছে। স্বামীয়ে অতি আনন্দেৰে আনি দিয়া এই বাৰ্তাত কিন্তু মেডাম লোৱাজঁল সুখী হোৱাৰ পৰিবৰ্তে দুখীহে হ'ল। কাৰণ যোৱাৰ ইচ্ছা থাকিলেও পিন্ধি যাবলৈ যে তেওঁৰ সকলোৰে লগত মিলা ধৰণৰ কাপোৰ আৰু গহনা নাই। লোৱাজঁলে বুজাবলৈ চেষ্টা কৰিলে যদিও কোনো ফল নধৰিলে। ভাল পোছাক নহ'লে যাবলৈ মেডাম লোৱাজঁল অমান্তি হ'ল। নাটক চাবলৈ গ'লে পিন্ধা সাজযোৰকে পিন্ধাৰ কথা কোৱাত মেডাম লোৱাজঁলৰ সৰসৰাই চকুপানী বৈ আহিবলৈ ধৰিলে। তাৰ পাছত স্বামীয়ে আৰু একো নক'লে। পত্নীৰ এনে দুখ দেখি তেওঁ দুখী হৈ পৰিল। শেষত পত্নীয়ে তালৈ নোযোৱাৰ সিদ্ধান্তকে লৈ ভাল সাজ-পাৰ থকা লোকক সেই নিমন্ত্ৰণীপত্ৰখন দিবলৈ স্বামীক উপদেশ দিলে।

বহু ভাবি-চিন্তি ম'চিঅ' লোৱাজঁলে ঘৈণীয়েকলৈ এসাজ ভাল পোছাক কিনাৰ কথাকে ভাবিলে। বন্দুক কিনিবলৈ সাঁচি থোৱা টকাৰেই তেওঁ এসাজ কাপোৰ কিনিলে। তথাপি কিন্তু সমস্যাৰ ওৰ নপৰিল। এইবাৰ ভাল গহনা নোহোৱাৰ বাবে সমস্যাটো হ'ল। তাৰো এটা

উপায় ওলাল। মেডাম লোৱাজঁলে তেওঁৰ ধনী বান্ধৱী মেডাম ফৰেস্তিয়াৰৰ পৰাই গহনা এপদ ধাৰলৈ আনিবলৈ ঠিক কৰিলে। কথামতেই কাম। সেই বিশেষ দিনটোৰ বাবে লোৱাজঁলে ফৰেস্তিয়াৰৰ পৰা হীৰাৰ হাৰ এডাল ধাৰলৈ আনিলে। অতি উৎসাহেৰে নতুন পোছাক আৰু ধাৰলৈ অনা গহনা পিন্ধি মেডাম লোৱাজঁল স্বামীৰ সৈতে অনুষ্ঠানলৈ গ'ল। মেডাম লোৱাজঁলক সেইদিনা অতি ধুনীয়া দেখা গৈছিল। সকলোৱে তেওঁক প্ৰশংসা কৰিছিল। মেডাম লোৱাজঁলে আনন্দতে মতলীয়া হৈ মুক্ত মনেৰে হেঁপাহ পলুৱাই নাচিছিল। নিৰ্দিষ্ট সময়ত অনুষ্ঠানৰ সামৰণি পৰাত দুয়ো ঘৰলৈ আহিল।

অতি তৃপ্ত মনেৰে ঘৰলৈ উভতি অহা লোৱাজঁলৰ নিজক এবাৰ আৰ্চিৰ সন্মুখত ৰৈ চাবলৈ বৰ মন গ'ল। আৰ্চিখনৰ সন্মুখত থিয় হৈ তেওঁ চঁক খাই উঠিল। ডিঙিত পিন্ধা অলংকাৰপদ নাই। বহুত বিচাৰ-খোঁচাৰ কৰিও তেওঁ হাৰডাল নাপালে। ঠিক একেই হাৰ এডাল ফৰেস্তিয়াৰক কিনি দিয়াৰ বাদে তেওঁলোকৰ হাতত আন উপায় আৰু নাথাকিল। ইফালে ইমান দামী হাৰ এডাল কিনিব পৰা সামৰ্থ্যও তেওঁলোকৰ নাই। আনফালে নিদিলেও নহয়। হাৰডাল কিনিব পৰাকৈ তেওঁলোকৰ ইমানখিনি সাঁচতীয়া ধন নাছিল; গতিকে উচ্চ সুদৰ হাৰত টকা ধাৰলৈ লৈ একেই হাৰ এডাল কিনি তেওঁলোকে বান্ধৱীক ঘূৰাই দিলে।

সাধাৰণভাৱে চলি থকা পৰিয়ালটোত সিদিনাৰ পৰাই বহুত পৰিবৰ্তন আহিল। ধাৰ মাৰিবলৈ তেওঁলোকে ঘৰৰ খৰচ কমাবলগীয়া হ'ল। ঘৰৰ বনকৰা মানুহ আঁতৰাই মেডাম লোৱাজঁলে নিজেই ঘৰৰ সকলো কাম কৰিবলৈ ধৰিলে। বয়-বস্তু কিনোতেও অতি সাৱধান হৈ দৰ-দাম কৰিহে বস্তু কিনা আৰম্ভ কৰিলে। এনেদৰে য'ত যেনেদৰে পাৰে ৰাহি কৰি কম কমকৈ ধাৰ মাৰিবলৈ ধৰিলে। মাচিয় লোৱাজঁলেও ৰাতি ৰাতি অতিৰিক্ত কাম কৰিবলৈ আৰম্ভ কৰিলে। তেওঁলোকে থকা ঘৰটো সলনি কৰি কম ভাৰাৰ ঘৰত থাকিবলৈ ল'লে। এনেদৰে অতি কষ্টেৰে সুদীৰ্ঘ দহ বছৰৰ মূৰত তেওঁলোকে সকলো ধাৰ মাৰি শেষ কৰিলে। এই দহ বছৰৰ কষ্টই মেডাম লোৱাজঁলক বুঢ়ী কৰি পেলালে।

জীৱনৰ সকলোবোৰ দুখকে তুচ্ছ কৰি হ'লেও মানুহ জীয়াই থাকে। লোৱাজঁল দম্পতীও আছিল। এদিন নিজৰ সকলো কাম-বন শেষ কৰি মেডাম লোৱাজঁলে ফুৰিবলৈ ওলাই যাওঁতে বান্ধৱী ফৰেস্তিয়াৰক দেখা পালে। ফৰেস্তিয়াৰ তেতিয়াও সুন্দৰী হৈয়ে আছিল। লোৱাজঁলৰ দৰে দেখাত বয়সিয়াল হৈ পৰা নাছিল। ফৰেস্তিয়াৰক দেখি লোৱাজঁলৰ হৃদয় দুৰু দুৰুকৈ কঁপি উঠিল। তথাপি সকলো সংকোচ আঁতৰাই ফৰেস্তিয়াৰক মাতি সকলো কথা কোৱাটো উচিত বুলি ভাবিলে। সেইমতেই লোৱাজঁল ফৰেস্তিয়াৰৰ কাষলৈ গৈ অভিবাদন জনাই মাত লগালে। কিন্তু প্ৰথম অৱস্থাত ফৰেস্তিয়াৰে লোৱাজঁলক চিনি নাপালে। নিজৰ পৰিচয় দিয়াতহে তেওঁক চিনি পাই আচৰিত হৈ পৰিল।

মেডাম লোৱাজঁলে সেইদিনা সকলো কথাই ফৰেস্তিয়াৰৰ আগত খোলাকৈ কৈ পেলালে। সেইদিনা লোৱাজঁলৰ মনত কোনো ভয় বা সংকোচ নাছিল। কিয়নো ফৰেস্তিয়াৰকো হাৰডাল ঘূৰাই দিয়া হৈছিল আৰু সকলো ধাৰো পৰিশোধ কৰা হৈছিল।

মেডাম লোৱাজঁলৰ এই বৃত্তান্ত শুনি ফৰেস্তিয়াৰ আচৰিত হৈছিল আৰু তেওঁৰ ওচৰত দুখ প্ৰকাশ কৰিছিল। লগতে ইয়াকো কৈছিল যে যিডাল হাৰ কিনিবলৈ তেওঁলোকে ইমান কষ্ট কৰিলে আচলতে সেইডাল নকল হীৰাৰ হাৰহে আছিল। নকলকে আচল বুলি ভাবি তেওঁলোকে ইমান কষ্ট কৰি এডাল আচল হীৰাৰ হাৰ কিনি দিবলৈ গৈ ইমানবোৰ দুখ ভোগ কৰিবলগীয়া হ'ল। লোৱাজঁলে হেৰুওৱা হাৰডালৰ মূল্য পাঁচশ টকাও নাছিল। ❖

## 'তোমালোকৰ বাবে প্ৰশ্ন'ৰ শুদ্ধ উত্তৰ দিয়া শিক্ষাৰ্থী (নৱেম্বৰ)

ৰাগিনী কাশ্যপ (পঞ্চম ঘ) ❖

# হেল্‌থ ইক'নমিক্স

■ অপৰ্ণা দেৱী

ইক'নমিক্স বা অৰ্থবিজ্ঞানৰ বিভিন্ন শাখাসমূহৰ ভিতৰত এটা অন্যতম গুৰুত্বপূৰ্ণ শাখা হৈছে হেলথ্ ইক'নমিক্স। হেল্‌থ ইক'নমিক্সৰ অসমীয়া প্ৰতিশব্দ হৈছে স্বাস্থ্য অৰ্থবিজ্ঞান। স্বাস্থ্য অৰ্থবিজ্ঞান মানুহৰ জীৱন-ধাৰণৰ লগতো জড়িত। স্বাস্থ্য পৰিচৰ্য্যা ব্যৱস্থাপনা, চিকিৎসালয়, জনস্বাস্থ্য উন্নীতকৰণ আদি কাৰ্য্যকলাপৰ জৰিয়তে স্বাস্থ্য অৰ্থনীতিয়ে মানুহৰ সুস্থ জীৱন ধাৰণ শৈলীত অৰিহণা যোগায়। সকলোৰে বাবে স্বাস্থ্য (health for all) নিশ্চিতকৰণৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যাবোৰ পদ্ধতিগতভাৱে পৰীক্ষা কৰাৰ এক প্ৰায়োগিক অধ্যয়ন হ'ল স্বাস্থ্য অৰ্থবিজ্ঞান।




স্বাস্থ্য অৰ্থবিজ্ঞানে স্বাস্থ্য পৰিচৰ্য্যা শিতানৰ সম্পদৰ আবণ্টন (allocation), দক্ষতা, সেই শিতানৰ ব্যক্তি আৰু সংগঠনৰ আচৰণৰ লগতে স্বাস্থ্য পৰিচৰ্য্যা শিতানৰ নীতি আৰু কাৰ্য্যপন্থাৰ প্ৰভাৱ বিশ্লেষণ কৰে তথা তাৰ মূল্য সংযোজন কৰে। স্বাস্থ্য পৰিচৰ্য্যা সেৱাসমূহ কেনেকৈ উপলব্ধ হয় তথা কেনেকৈ বিতৰণ কৰা হয়, কেনেকৈ ক্ৰয় কৰা হয় আদিৰ অধ্যয়নৰ সৈতে স্বাস্থ্য অৰ্থবিজ্ঞান জড়িত।

স্বাস্থ্য অৰ্থবিজ্ঞানত স্বাস্থ্য পৰিচৰ্য্যা শিতানত অন্তৰ্ভুক্ত থকা অৰ্থনৈতিক ধাৰণাসমূহ অধ্যয়ন কৰা হয়। সেই অৰ্থনৈতিক ধাৰণা বা উপাদানসমূহ হৈছে সম্পদৰ আবণ্টন, স্বাস্থ্য পৰিচৰ্য্যা বজাৰ, স্বাস্থ্য আঁচনিৰ বিশ্লেষণ, স্বাস্থ্য পৰিচৰ্য্যাৰ বিত্তীয় ব্যৱস্থা আৰু বীমাকৰণ ইত্যাদি।

আমি স্বাস্থ্য পৰিচৰ্য্যাৰ বাবে কেনেকৈ খৰচ কৰোঁ, সেই খৰচ কেনেদৰে কি প্ৰক্ৰিয়াৰ মাজেৰে হয়, কেনেদৰে বিশ্বৰ স্বাস্থ্য খণ্ডক নতুনকৈ গঠন কৰিব পৰা যায়—সেই সকলোবোৰ কথাৰ বাবে স্বাস্থ্য অৰ্থবিজ্ঞানে বৰ্তমান গুৰুত্ব লাভ কৰিছে। স্বাস্থ্য অৰ্থবিজ্ঞান কিছুমান বিশ্বব্যাপী চৰ্চিত বিষয়ৰ সৈতেও জড়িত। সেই বিষয়বোৰ হ'ল—প্ৰব্ৰজন, জলবায়ু পৰিবৰ্তন, মহামাৰী, প্ৰতিষেধক টিকাকৰণ, মেদবহুলতা ইত্যাদি। স্বাস্থ্য অৰ্থবিজ্ঞানে স্বাস্থ্য পৰিচৰ্য্যা শিতানত ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডত অৰ্থবিজ্ঞানৰ নীতি প্ৰয়োগ কৰাৰ চেষ্টা চলায়।

আমাৰ সমাজৰ কিছুসংখ্যক ব্যক্তি আৰু প্ৰতিষ্ঠানে স্বাস্থ্য অৰ্থবিজ্ঞান বিশেষভাৱে অধ্যয়ন কৰা প্ৰয়োজন। উদাহৰণস্বৰূপে, চিকিৎসক, নাৰ্ছ আৰু তেওঁলোকৰ সহায়কাৰীয়ে স্বাস্থ্য অৰ্থবিজ্ঞানৰ জৰিয়তে নতুন চিকিৎসা পদ্ধতি বিশ্লেষণ কৰিব পাৰে আৰু বিভিন্ন সেৱাৰ মূল্য নিৰ্ধাৰণ কৰিব পাৰে। স্বাস্থ্যসেৱা প্ৰদানকাৰীসকলে স্বাস্থ্যসেৱা উন্নীতকৰণত স্বাস্থ্য অৰ্থবিজ্ঞানৰ ভূমিকা সম্পৰ্কে অৱগত হোৱা উচিত। যিসকল আঞ্চলিক, ৰাজ্যিক তথা আন্তঃৰাষ্ট্ৰীয় স্তৰৰ নীতি-নিৰ্ধাৰণৰ সৈতে জড়িত সেইসকলৰ বাবেও স্বাস্থ্য অৰ্থবিজ্ঞান এটা গুৰুত্বপূৰ্ণ বিষয়।

স্বাস্থ্য অৰ্থবিজ্ঞান কেইটামান দিশৰ লগত বিশেষভাৱে জড়িত হ'বলগীয়া হয়। সেয়া হ'ল স্বাস্থ্য শিতানত কৰা ব্যয়, ৰোগীৰ ভূমিকা, স্বাস্থ্য প্ৰদানকাৰীৰ ভূমিকা, বীমা আৰু ক্ষতিসাধন, মজুৰি সংস্কাৰ ইত্যাদি।

স্বাস্থ্য অৰ্থবিজ্ঞান হৈছে এক প্ৰায়োগিক অধ্যয়ন, যি অধ্যয়নে স্বাস্থ্যসেৱা সহজে উপলব্ধ হোৱা তথা গ্ৰহণযোগ্য হোৱাত সহায় কৰে। স্বাস্থ্য অৰ্থবিজ্ঞানীসকলে স্বাস্থ্য পৰিচৰ্য্যা প্ৰদানকাৰী, ৰোগী, বীমা কোম্পানী, চৰকাৰী এজেন্সি, কৰ্পʼৰেছন তথা ৰাজহুৱা সংগঠনত জড়িতসকলে স্বাস্থ্য পৰিচৰ্য্যা ব্যয়ৰ ভূমিকা বুজি পোৱা উচিত বুলি বিবেচনা কৰে। ❖

# চুড'কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড'কু ১৯৯

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 1 | 6 | 7 | 5 | 3 | 4 | 2 | 8 | 9 |
| 5 | 8 | 9 | 7 | 1 | 2 | 4 | 6 | 3 |
| 3 | 2 | 4 | 8 | 9 | 6 | 5 | 7 | 1 |
| 8 | 9 | 2 | 3 | 6 | 7 | 1 | 5 | 4 |
| 4 | 7 | 1 | 9 | 2 | 5 | 8 | 3 | 6 |
| 6 | 3 | 5 | 1 | 4 | 8 | 9 | 2 | 7 |
| 7 | 4 | 8 | 6 | 5 | 1 | 3 | 9 | 2 |
| 2 | 5 | 3 | 4 | 7 | 9 | 6 | 1 | 8 |
| 9 | 1 | 6 | 2 | 8 | 3 | 7 | 4 | 5 |

## চুড'কু ২০০

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 7 | | | | | 5 | | 9 | |
| | 4 | | | 8 | | | | |
| | 2 | | 4 | | 1 | 5 | 3 | 6 |
| 4 | | 7 | | | | | 5 | |
| | | | 8 | 5 | | | | |
| | | | 1 | | | 4 | | 3 |
| | | | | 9 | | | 8 | |
| 9 | | | | | 6 | | | 7 |
| | | | | | | | 2 | 5 |

## তোমালোকে জানানে?

# ভাৰতৰ প্ৰথম বিশ্বকাপ বিজয়

ভাৰতীয় ক্ৰিকেটৰ ইতিহাসত ১৯৮৩ চনটো বিশেষভাৱে উল্লেখযোগ্য। সেই বছৰতে ইংলণ্ডত অনুষ্ঠিত বিশ্বকাপ ক্ৰিকেটত ভাৰতে ক্ৰিকেট বিশেষজ্ঞসকলক আচৰিত কৰি 'আণ্ডাৰ ডগ' হিচাপে চেম্পিয়নশ্বিপ অৰ্জন কৰে। সেয়া আছিল ২৫ জুন, ১৯৮৩ চন। ভাৰতৰ গৰ্বিত অধিনায়ক আছিল কপিলদেৱ।

ভাৰতৰ আৰম্ভণি আছিল বেছ নিৰাশাজনক। এখন লীগ খেলত জিম্বাব'ৱেইয়েতো ভাৰতৰ ছেমি ফাইনেল খেলাৰ আশাই প্ৰায় নিঃশেষ কৰি পেলাইছিল। প্ৰথমে বেট ধৰিবলৈ গৈ ভাৰতে ১৭ ৰানতে পাঁচটা উইকেট হেৰুৱাইছিল। পাছত কপিলদেৱে ১৭৫ (অপৰাজিত) ৰানৰ এক অভিলেখ সৃষ্টিকাৰী ইনিংছ খেলি ভাৰতক এক সন্মানজনক অৱস্থালৈ নিয়ে আৰু ভাৰতে জিম্বাব'ৱেক পৰাজিত কৰে। ছেমি ফাইনেলত ভাৰত সন্মুখীন হয় শক্তিশালী ইংলণ্ড দলৰ। অৱশ্যে ভাৰতে সেইখনত খেলত সহজেই জয়লাভ কৰি ফাইনেলত আগৰ দুবাৰৰ চেম্পিয়ন ৱেষ্ট ইণ্ডিজৰ সন্মুখীন হয়। ৬০ অভাৰৰ ফাইনেল খেলখনতো ভাৰতে প্ৰথমে বেট ধৰি ১৮৩ ৰানহে কৰিবলৈ সক্ষম হয়। কৃষ্ণমাচাৰী শ্ৰীকান্তৰ ৩৮ ৰানেই আছিল সৰ্বাধিক। প্ৰত্যুত্তৰত ৱেষ্ট ইণ্ডিজে দৃঢ়তাৰে ইনিংছ আৰম্ভ কৰিলেও মহিন্দৰ অমৰনাথ, মদন লালৰ বলিঙৰ সন্মুখত দিশহাৰা হৈ ৫২ অভাৰত ১৪০ ৰানৰ ইনিংছৰ সমাপ্তি ঘটায় আৰু ভাৰত ৪৩ ৰানত বিজয়ী হয়। ফাইনেল খেলৰ 'মেন অৱ দ্য মেচ' হয় মহিন্দৰ অমৰনাথ। ইয়াৰ পাছত ২০১১ চনত মহেন্দ্ৰ সিং ধোনীৰ নেতৃত্বত ভাৰতে দ্বিতীয়বাৰ বিশ্বকাপ ক্ৰিকেটৰ বিজয়ীৰ সন্মান লাভ কৰে। ❖

*(উৎস : শান্তনু কৌশিক বৰুৱাৰ 'জ্ঞানাঞ্জন'।*

# Heidi

■ Nisha Devi

*(Continued from November Issue, 2023)*

Clara's Grandmama comes and meets Clara and Heidi. Heidi greets her as Mrs. Madam and Grandmama finds it very funny. Housekeeper Fraulein tells Grandmama about Heidi's difficulty with reading. In Grandmama's room Heidi finds a picture book and she begins to look through the book. As she sees a picture of a green pasture filled with animals, she bursts into tears. Grandmama consoles her and asks her how she is doing with her studies. Heidi tells Grandmama that she cannot learn to read because her friend Peter told her that it is too difficult. Grandmama tells Heidi that she knows that Heidi can read and takes her downstairs to find Clara's books.




Heidi now realizes that she cannot go home anytime she wants. Grandmama notices her sadness and encourages her to talk to God about her troubles. Heidi comes to her room, folds her hands and begs God to let her go home to Grandfather.

The following week the tutor tells Grandmama that Heidi is suddenly making tremendous progress with her reading. That night Grandmama gives Heidi a large book with beautiful pictures. Heidi is very happy and asks Grandmama if she can bring it to her home with Grandfather. Clara again tells Heidi that she cannot go home for years because she wants Heidi to be with her. That night Heidi spends time looking at the pictures in the book and dreaming of her home with Grandfather far away.

Each afternoon Grandmama spends time with Heidi while Clara rests. They read and play with Grandmama's pretty dolls. Grandmama tells Heidi to never forget God as Heidi is still sad.

The day for Gandmama's departure arrives. Heidi and Clara are sad to see her go and promise her to read together every afternoon.

Several weeks pass. Heidi's homesickness grows as winter turns to spring. She thinks about the flowers on the mountain. She thinks about Peter going out with the goats each day. Heidi struggles alone against the homesickness that is her constant companion.

There is a new development at the Sesemann residence. Fraulein, the strict housekeeper believes that there is a ghost in the house. She had also shared this with the household staff. ❖

# The Moon is Drifting Away from the Earth

■ Neha Bora



Yes! The Moon is gradually drifting away from Earth at a rate of 4 cm per year approximately. This phenomenon is caused by the Moon pulling on Earth's oceans creating tidal forces that produce a bulge of water on the side of Earth facing the Moon.

This bulge in turn, creates a gravitational pull on the Moon causing it to accelerate slightly and move further away from Earth each year. This gradual drift is not noticeable on a day-to-day basis but over millions of years, it can have a significant effect on Earth's rotation.

Most scientists believe that the Moon is Earth's child since a large body collided with Earth, destroying its mantle and sending materials into orbit from which the moon was formed. Hence it explains why Moon's rocks are similar to that of Earth's. ❖

# Tibetan Plateau is Earth's 'third pole'




The Tibetan Plateau is often regarded to as the 'third pole' of the earth owing to the amount of freshwater reserve it contains, with over 46,000 glaciers, more than North and South poles.

These glaciers feed the rivers that run through the region including Mekong, Yangtze and Yellow river acting as the vital source of water in China and Southeast Asia. However, due to the rising temperature, the Tibetan glaciers are under threat causing the glaciers to melt at an unprecedented rate.

New findings state that values of ice lost from the Himalayan glaciers during 2000 to 2020 were, on an average, estimated to be 6.5%. This discovery has critical implications for predicting the demise of the region's glaciers and for managing critical water resources. ❖

# নেন’বিজ্ঞান আৰু নেন’প্ৰযুক্তিবিদ্যা

■ **নৰজ্যোতি তালুকদাৰ**



নেন’ (nano) শব্দৰ অৰ্থ হ’ল ১০$^{-৯}$, অৰ্থাৎ ১০ কোটি ভাগৰ এভাগ। দূৰত্বৰ এছআই একক ১ মিটাৰক ১০ কোটি সমান (১০০০০০০০০০) ভাগ কৰিলে তাৰ এটা ভাগেই হ’ব ১ নেন’মিটাৰ।

পৃথিৱীৰ সকলো পদাৰ্থ নেন’ আকাৰলৈ ৰূপান্তৰ কৰিব পাৰি বা প্ৰাকৃতিকভাৱে পাব পাৰি। নেন’ আকাৰৰ পদাৰ্থ কণিকাবোৰক নেন’ কণিকা আৰু নেন’ কণিকাৰে গঠিত পদাৰ্থক নেন’ পদাৰ্থ বোলা হয়। বিজ্ঞানৰ যি বিভাগত নেন’ পদাৰ্থৰ বিভিন্ন ধৰ্ম অধ্যয়ন কৰা হয়, তাক নেন’বিজ্ঞান বোলে। নেন’বিজ্ঞানৰ প্ৰায়োগিক দিশক নেন’প্ৰযুক্তি বোলে।

জাপানৰ টকিঅ’ বিজ্ঞান বিশ্ববিদ্যালয়ৰ অধ্যাপক নৰিঅ’ টানিগুচিয়ে (Norio Taniguchi) প্ৰথমে নেন’ প্ৰযুক্তি শব্দটোৰ অৱতাৰণা কৰিছিল। আমেৰিকাৰ পদাৰ্থবিজ্ঞানী ৰিচাৰ্ড ফাইনমেনে ১৯৫৯ চনৰ ২৯ ডিচেম্বৰত কেলিফ’ৰ্নিয়া ইন্সটিটিউট অব টেকন’লজিত আমেৰিকান ফিজিকেল ছ’চাইটিৰ সন্মিলনত 'There's Plenty of Room at the Bottom' শীৰ্ষক বক্তৃতাত এই নতুন প্ৰযুক্তিৰ সূচনা কৰিছিল। বৰ্তমান পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান আদি বিজ্ঞানৰ সকলো শাখাতে নেন’ প্ৰযুক্তিৰ প্ৰয়োগ বহুলভাৱে ব্যৱহাৰ হ’বলৈ ধৰিছে।

ক্ৰমান্বয়ে নেন’প্ৰযুক্তিৰ বিষয়ে পৰ্য্যায়ক্ৰমে মানুহৰ ৰাপ বাঢ়ি আহিছে আৰু তাৰ ফলস্বৰূপে আমেৰিকাত ‘নেছনেল নেন’প্ৰযুক্তিবিদ্যা ইন্সটিটিউট’ৰ জন্ম হয়। এতিয়া ভাৰতকে ধৰি পৃথিৱীৰ সকলো আগশাৰীৰ দেশতে নেন’প্ৰযুক্তিৰ গৱেষণাৰ বহুতো প্ৰতিষ্ঠানৰ জন্ম হৈছে আৰু ইয়াৰ প্ৰায়োগিক দিশৰ গৱেষণাই অধিক সফল ৰূপ পাইছে। এই ক্ষেত্ৰত ভাৰতীয় বিজ্ঞানী চিএনআৰ ৰাওৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

## নেন’ পদাৰ্থৰ ধৰ্ম

এটা সাধাৰণ পদাৰ্থৰ নেন’ ৰূপৰ অৰ্থাৎ নেন’ পদাৰ্থৰ ধৰ্ম পদাৰ্থৰ সাধাৰণ ৰূপতকৈ বহু বেলেগ হয়। কিছুমান পদাৰ্থ নেন’ ৰূপত থাকিলে সেইবোৰৰ পৰা পোহৰ নিৰ্গত হয়, কিন্তু স্বাভাৱিক ৰূপত পোহৰ নিৰ্গত নহয়। ছিলিকন তেনে এবিধ পদাৰ্থ। সোণৰ স্বাভাৱিক ৰং সোণালী কিন্তু নেন’ আকাৰলৈ ৰূপান্তৰ কৰিলে সি ৰঙা, নীলা বা হালধীয়াও হ’ব পাৰে। আমাৰ চৌপাশৰ বিভিন্ন ৰঙৰ ফুলবোৰৰ ৰঙো পদাৰ্থৰ নেন’ ৰূপৰ বাবে হয়।

নেন’ পদাৰ্থৰ গলনাংক আৰু জ্বলনাংকৰো পৰিৱৰ্তন হয়। যেনে—টাটেনিয়ামৰ জ্বলনাংক ১৪০০ ডিগ্ৰী ছেলছিয়াছ, কিন্তু নেন’ ৰূপত মাত্ৰ ৬০০ ডিগ্ৰী ছেলছিয়াছ। উষ্ণতা বাঢ়িলে বেছিভাগ সাধাৰণ পদাৰ্থৰ বৈদ্যুতিক ৰোধ বাঢ়ে কিন্তু নেন’ ৰূপত ৰোধ কমে।

## নেন’ টিউব (nano tube)

কাৰ্বনৰ বহুৰূপ ফুলাৰিন বা বাকিবলত ৬০টা কাৰ্বন পৰমাণু থাকে। এই পৰমাণুবোৰ ২০টা ষড়ভুজ

আৰু ১২টা পঞ্চভুজ সৃষ্টি কৰি এটা গোলক আকৃতিৰ গাঁথনিৰে আবদ্ধ হৈ থাকে। সাধাৰণ অৱস্থাত ফুলাৰিন বিদ্যুতৰ কুপৰিবাহী কিন্তু তাৰ গোলক আকৃতিৰ গাঁথনিটোৰ ভিতৰত যদি উপযুক্ত প্ৰকৃতিৰ অণু বা পৰমাণু সুমুৱাই দিয়া হয় তেন্তে সি পৰিবাহী, অৰ্ধপৰিবাহী বা অতিপৰিবাহীও হৈ উঠিব পাৰে। এনেকুৱা প্ৰকৃতি সম্ভৱতঃ আন কোনো পদাৰ্থতে দেখা নাযায়।

১৯৯১ চনত জাপানৰ ছুমিঅ' ইজিমা নামৰ এগৰাকী বিজ্ঞানীয়ে ফুলাৰিনৰ নেন' টিউব বা নেন' নলিকা প্ৰস্তুত কৰি উলিয়াইছিল। সকলো ধৰণৰ নেন' টিউবৰ ভিতৰত কাৰ্বন নেন' টিউবেই আটাইতকৈ বেছি মজবুত। তীখাৰ তুলনাত ই ১০০ গুণ বেছি মজবুত। ছিলভাৰতকৈ কাৰ্বন নেন' টিউব প্ৰায় ১০০০ গুণ বেছি পৰিবাহী।

### ব্যৱহাৰ

ব্যতিক্ৰমী ধৰ্মৰ বাবে নেন' কণিকাক ভিন ভিন কামত ব্যৱহাৰ কৰা হয়।

নেন' কণিকাৰ আকাৰ সৰু হোৱা বাবে নেন' কণিকাৰে প্ৰস্তুত কৰা সূতাৰ কাপোৰ চাফা কৰাৰ প্ৰয়োজন নহয়, কাৰণ মলিৰ কণিকাবোৰ নেন' কণিকাতকৈ ডাঙৰ হয়।

নেন' টিউবৰ দ্বাৰা প্ৰথমে ছেমছাং কোম্পানীয়ে চেপেটা পেনেলৰ টিভি উৎপাদন কৰিছিল। জাপানী কোম্পানীয়ে নেন' পদাৰ্থ ব্যৱহাৰ কৰি ভেকুৱাম টিউব লাইট প্ৰস্তুত কৰিছে। সৰু এলইডি লাইট প্ৰস্তুত হৈছে। জিংক অক্সাইডৰ নেন' তাঁৰ প্ৰস্তুত কৰি সেই তাঁৰ আলোকীয় তন্তু (optical fibre) হিচাপে ব্যৱহাৰ কৰা হৈছে। নেন' পদাৰ্থ ব্যৱহৃত গাড়ীৰ গাত আৰু কাচত লাগি থকা কুঁৱলী নিজে নিজে আঁতৰি যায়। নেন' কণিকাৰে তৈয়াৰী ঔষধ আৰু ৰবটেৰে বিভিন্ন দুৰাৰোগ্য বেমাৰৰ চিকিৎসা আৰম্ভ হৈছে। কাৰ্বন নেন' কণিকাৰ সহায়ত লিউকেমিয়া নামৰ তেজৰ ৰোগৰ চিকিৎসা সম্ভৱ হৈছে। ছিলভাৰৰ নেন' কণিকাই পোৰা ঘা সোনকালে শুকুৱায়। খোৱাপানী পৰিশোধনতো নেন' কণিকা ব্যৱহাৰ কৰা হয়। নেন' প্ৰযুক্তিৰে পূৰ্বতকৈ বহু বেছি দক্ষতাৰ বেটাৰী তৈয়াৰ কৰা হৈছে। নেন' ফিল্টাৰ ব্যৱহাৰ কৰি উদ্যোগ, কাৰখানাৰ পৰা নিৰ্গত কাৰ্বন ডাইঅক্সাইড পৃথক কৰিব পাৰি। উদ্ভিদৰ পাতৰ দৰে নেন' পদাৰ্থৰ পাট সাজি কাৰ্বন ডাইঅক্সাইড শোষণ কৰিব পাৰি। যুদ্ধক্ষেত্ৰৰ বাবে কথমপিহে দেখা পোৱাকৈ সৈনিকৰ ইউনিফৰ্ম প্ৰস্তুত কৰিব পাৰি। সৈনিকৰ ৰক্তচাপ, হৃদস্পন্দন আদি ধৰা পেলাব পৰাকৈ নেন' চেঞ্চৰ তৈয়াৰ কৰা হৈছে। টেনিছ বল, ৰেকেট, কম্পিউটাৰৰ চিপ, টিভি আদি প্ৰস্তুত কৰা হৈছে। খেতিৰ বিভিন্ন কীটনাশক আদি প্ৰস্তুত কৰা হৈছে।

বিজ্ঞানীসকলে মত পোষণ কৰে যে ব্যয়বহুলতা হ্ৰাস পালে নেন' প্ৰযুক্তিয়ে পৃথিৱীত অন্য এক শিল্প বিপ্লৱৰ সূচনা কৰিব। ইতিমধ্যে ব্যয়বহুলতা কম কৰাৰ বাবে বিভিন্ন বৈজ্ঞানিক গৱেষণা চলি আছে। ❖

## কুইজৰ উত্তৰসমূহ

১। ১৯৮৭ চনত ২। মাৰ্টিন ক্ৰ' ৩। ৱেষ্ট ইণ্ডিজ ৪। ১৯৭৩ ৫। শ্ৰীলংকা ৬। আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত টাইমড আউট হোৱা প্ৰথম খেলুৱৈৰূপে পৰিগণিত হয়। ৭। এখন বিশ্বকাপৰ ছেমিফাইনেল আৰু ফাইনেল উভয়তে মেন অৱ দ্য মেচ লাভ কৰা খেলুৱৈ এইসকল ৮। মহম্মদ চামী ৯। দক্ষিণ আফ্ৰিকা, নামিবিয়া আৰু জিম্বাব'ৱে ১০। বাউণ্ডাৰীৰ লেখেৰে জয়ী হৈছিল ১১। হেটট্ৰিক কৰা ১২। হাৰ্চেল গিবছ ১৩। শচীন তেণ্ডুলকাৰ ১৪। অষ্ট্ৰেলিয়াৰ গ্লেন মেকগ্ৰাথ ❖

# প্ৰাকৃতিক ভাস্কৰ্য্য

■ নিবেদিতা তালুকদাৰ



স্থাপত্য কলা হ'ল স্থপতিবিদে শিল, ইটা আদিৰ লগতে অন্যান্য থলুৱা সামগ্ৰীৰে মঠ-মন্দিৰ, দুৰ্গ-অট্টালিকা, দৌল-দেৱালয় আদি নিৰ্মাণ কৰা প্ৰণালী। আনহাতে স্থপতিবিদে নিৰ্মাণ কৰা সেই শিল্পকৰ্মসমূহৰ ওপৰত খোদিত কৰা বিভিন্ন নক্সা, মূৰ্তি আদিয়েই হ'ল ভাস্কৰ্য্য কলা। কিন্তু প্ৰকৃতিত এনে কিছুমান উপাদান আছে যিবোৰ কোনো স্থপতিবিদৰ হাত নলগাকৈয়ে নিজে নিজেই একোটা ভাস্কৰ্য্যৰ উদাহৰণ হৈ আছে। এই ভাস্কৰ্য্যবোৰ প্ৰকৃতিৰ নিজা সৃষ্টি। প্ৰকৃতিৰ বিভিন্ন প্ৰাকৃতিক উপাদানৰ প্ৰভাৱত এনে আপুৰুগীয়া ভাস্কৰ্য্যৰ সৃষ্টি হোৱা বুলি ভূতত্ত্ববিদসকলে অনুমান কৰিছে। প্ৰকৃতিত নিজে সৃষ্টি হোৱা বাবে এনে ভাস্কৰ্য্যক প্ৰাকৃতিক ভাস্কৰ্য্য বোলে। প্ৰাকৃতিক ভাস্কৰ্য্যৰ কেইটামান উদাহৰণ এই প্ৰবন্ধটিত দাঙি ধৰা হ'ল।

**এলিফেন্ট ৰক** (elephant rock)

আইচলেণ্ডৰ হিমাই দ্বীপত (Heimaey) থকা শিল এটাৰ আকৃতি এটা হাতীৰ দৰে। এনে লাগে যে এটা জীৱন্ত হাতী পানীৰ সোঁতত শুই আছে। এই শিলটুকুৰাৰ গঠন আৰু আকৃতি হাতী এটাৰ লগত বহুতো সাদৃশ্য আছে। আনকি, শিলটুকুৰাৰ ৰং আৰু হাতীৰ ৰং একে। সেয়েহে এই শিলটুকুৰাক এলিফেন্ট ৰক বোলা হয়। এই শিলটুকুৰাক লৈ বহুত কাহিনী আছে। স্থানীয় লোকে ভাবে যে জীৱন্ত হাতী এটাই পানী খাবলৈ আহি শিলত পৰিণত হৈছে। আন কিছুমানৰ মতে উদ্দেশ্যমূলকভাৱে এই শিলটোৰ আকাৰ হাতীৰ দৰে কৰা হৈছে। বিজ্ঞানীসকলে ধাৰণা কৰা মতে, ১৯১৩ চনত এই দ্বীপত ভয়ংকৰ আগ্নেয়গিৰিৰ উদ্‌গিৰণ ঘটিছিল, যাৰ ফলত শিলটুকুৰাৰ আকাৰ এটা হাতীৰ লেখীয়া হ'ল। যিয়েই নহওক, এই শিলটো চোৱাৰ মানসেৰে প্ৰতি বছৰ হাজাৰ হাজাৰ পৰ্য্যটক এই ঠাইলৈ আহে।

**ৰেড ফ্ৰুট গুহা** (Red Fruit cave)

৬০০ বছৰ আগতে সৃষ্টি হোৱা এই ভাস্কৰ্য্য চীনত অৱস্থিত। এই গুহাৰ ভিতৰৰ অপৰূপ ভাস্কৰ্য্য পৰ্য্যটকসকলৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু। এই গুহাৰ ভিতৰেৰে ৭৩০ ফুট দীঘল এটা ৰাস্তা আছে। ইয়াৰ বৈশিষ্ট্য হ'ল ইয়াৰ ভিতৰত বিভিন্ন ৰঙৰ শিল পোৱা যায়, যিয়ে এই গুহাটোক ৰঙীন কৰি তোলে। সেয়ে ইয়াক ৰেড ফ্ৰুট গুহা বোলা হয়।

**ৰিঙিং ৰক** (ringing rock)

আমেৰিকাৰ পেনছিলভেনিয়াত থকা এই ঠাইৰ শিলবোৰক আঘাত কৰিলে এটা মধুৰ ধ্বনিৰ সৃষ্টি হয়। পৰ্য্যটকসকলে এই মনোমোহা শব্দ শুনিবলৈ এই ঠাইলৈ আহে। এই শব্দৰ আঁৰৰ ৰহস্য বৰ্তমানলৈ উদ্‌ঘাটন হোৱা নাই। এই শিলবোৰ প্ৰাকৃতিক ভাস্কৰ্য্যৰ শাৰীত ধৰা নহয় যদিও এই শিলবোৰ পৰ্য্যটকৰ এক অন্যতম আকৰ্ষণ।

**ফিংগেল কেভ** (fingal cave)

স্কটলেণ্ডৰ ফিংগেল কেভৰ নক্সাবিলাক দেখি মনত ভাব হ'ব পাৰে কোনোবা অভিযন্তাই সৃষ্টি কৰা বুলি, কিন্তু সেয়া মুঠেই নহয়। এয়া সৃষ্টিকৰ্তাই সৃষ্টি কৰিছে, সম্পূৰ্ণ প্ৰাকৃতিক। শুনিলে আচৰিত লাগিলেও, এইটো সঁচা যে এই আকাৰ আগ্নেয়গিৰিৰ প্ৰভাৱত হৈছে। এই গুহাৰ মাজেৰে বতাহ চলাচল কৰিলে এটা মধুৰ শব্দৰ সৃষ্টি হয়।

তদুপৰি আমেৰিকাৰ গ্ৰেণ্ড কেনিয়নৰ কাষত থকা পাখি মেলি থকা ঈগলৰ দৰে আকৃতিৰ ঈগল পইণ্ট পাহাৰ, আইচলেণ্ডৰ আইচ কেভ আদিও অন্যতম প্ৰাকৃতিক ভাস্কৰ্য্য।

মানুহে বহুতো বস্তু সৃষ্টি কৰিছে, নানা ধৰণৰ নক্সা তৈয়াৰ কৰিছে, কিন্তু প্ৰকৃতিয়ে নিজৰ ক্ষমতাৰে আনৰ সহায় নোলোৱাকৈ অনেক বছৰ আগেয়ে তাৰ প্ৰতিভা প্ৰদৰ্শন কৰিছে। ❖

# গীনিজ ৱৰ্ল্ড ৰেকৰ্ডছ

■ নিভা ৰাণী ৰায়

মধ্যপ্ৰদেশৰ ভিন্দ জিলাৰ এদল হস্তশিল্পীয়ে যোৱা আগষ্ট মাহত তৈয়াৰ কৰিছিল এডাল বৃহদাকায় ৰাখী। বিশ্বৰ সৰ্ববৃহৎ ৰাখী হিচাপে গীনিজ ৱৰ্ল্ড ৰেকৰ্ডছত অভিলেখ নথিভুক্ত কৰাৰ উদ্দেশ্যেই তৈয়াৰ কৰা হৈছিল ৰাখীডাল। একেখন ৰাজ্যৰে নন্দিনী আগৰৱাল নামৰ ১৯ বছৰীয়া যুৱতীগৰাকীয়ে আকৌ নভবাকৈয়ে গঢ়িছে অন্য এক গীনিজ অভিলেখ। ১০ বছৰ বয়সতে প্ৰবেশিকা পৰীক্ষা উত্তীৰ্ণ হোৱা নন্দিনীয়ে বিশ্বৰ সৰ্বকনিষ্ঠ মহিলা চাৰ্টাৰ্ড একাউন্টেণ্ট হিচাপে স্বীকৃতি লাভ কৰিছে। চলিত বৰ্ষৰ আগষ্ট মাহতে টনী ছ'লমন নামৰ নাইজেৰিয়ান যুৱক এজনে গীনিজ ৱৰ্ল্ড ৰেকৰ্ডছত নিজৰ নাম লিপিবদ্ধ কৰিবলৈ সক্ষম হয় চিৰি বগাই। চিৰি বগাই অভিলেখ? এৰা, চিৰি বগাই অভিলেখ এইকাৰণেই কৰিবলৈ সক্ষম হৈছে টনীয়ে, কাৰণ তেওঁৰ চিৰি বগোৱাৰ ধৰণ উলা-মুলা নহয়। মূৰত ফুটবল এটা সন্তুলন কৰি ৰাখি ১৫০টা চিৰি বগাই যাবলৈ সক্ষম হৈছে তেওঁ। বিহাৰৰ শশীকান্ত প্ৰজাপতি নামৰ ২৫ বছৰীয়া শিল্পীগৰাকীৰ অভিলেখ আকৌ অন্য। কলমৰ নিব এটাতকৈও সৰু কাঠৰ চামুচ এখন তৈয়াৰ কৰিছে তেওঁ। ১.৬ মিমি. জোখৰ সেই চামুচখন তৈয়াৰ কৰি তেওঁ নিজৰ নাম গীনিজ ৱৰ্ল্ড ৰেকৰ্ডছত নথিভুক্ত কৰিলে ২০২৩ চনৰ আগষ্ট মাহত।

গীনিজ ৱৰ্ল্ড ৰেকৰ্ডছৰ লেখ-জোখহীন আজব অভিলেখৰ মাজৰ এই তিনিটা শেহতীয়া উদাহৰণ মাত্ৰ। এনে কত ৰকমৰ অভিলেখ সৃষ্টিৰ বাবে বিশ্বৰ বিভিন্ন প্ৰান্তত কত লোকে যে চেষ্টা কৰি আছে, তাৰ লেখ নাই। কোনোবাই খাদ্য খাই, কোনোবাই আকৌ কিবা খেল দেখুৱাই, কোনোবাই কিবা সাজি, কোনোবাই হয়তো নাচি, কোনোৱে দৌৰি, কোনোৱে নখ-চুলি দীঘল কৰি, কোনোৱে ডাড়িৰে গধুৰ বস্তু দাঙি, কোনোৱে হয়তো দাঁতেৰে কামুৰি ৰছীৰে বন্ধা গাড়ী এখনেই টানি নিছে, কোনো এজোপা গছ হয়তো বিশ্বৰ ভিতৰতে বৃহদাকায়। মুঠতে অভিলেখৰ কোনো ধৰা-বন্ধা সীমা-পৰিধি নাই। বিশ্বৰ ভিতৰত সৰ্বকনিষ্ঠ ন'বেল প্ৰাপকগৰাকীৰ নামো গীনিজ বুকত লিপিবদ্ধ হ'ব, আকৌ বিশ্বৰ আটাইতকৈ ওখ ব্যক্তিগৰাকীৰ নামো তাত লিখা ৰ'ব। মানৱীয় কৃতি অথবা প্ৰাকৃতিক বিস্ময়, যিকোনো বিষয় গীনিজৰ বিষয়বস্তু হ'ব পাৰে। চলিত বৰ্ষত আমাৰ অসমেও বিহু নাচি গীনিজত নিজৰ নাম লিখোৱাৰ কথাটো সকলোৰে জ্ঞাত।

গীনিজ বুক হৈছে এখন বিশেষ গ্ৰন্থ; য'ত বিশ্বৰ সকলো প্ৰান্তৰ ব্যক্তিৰ বিভিন্ন দিশৰ সাফল্য বা অভিলেখ লিপিবদ্ধ থাকে। কোনো ব্যক্তিয়ে যিকোনো বিষয়তে কিবা নহয় কিবা এটা সুকীয়া কাম কৰিলে সেয়া এই গ্ৰন্থখনত উল্লেখ কৰা হয়। গীনিজত নাম লিখিবলৈ হ'লে কি কৰিব লাগে? প্ৰথমেই 'গীনিজ ৱৰ্ল্ড ৰেকৰ্ডছ'ৰ ৱেবছাইটলৈ গৈ নাম লিখাব বিচৰা ব্যক্তি বা প্ৰতিষ্ঠানে নিজৰ প্ৰাথমিক তথ্যসমূহ দিব লাগে। ৱেবছাইটটোত একাউণ্ট খোলাৰ পাছত নিৰ্দিষ্ট লিংকলৈ গৈ অভিলেখ নথিভুক্ত কৰাৰ বাবে আবেদন জনাব লাগে।

এই যে পৃথিৱীৰ যিকোনো আজব অথবা উল্লেখনীয় কথা-কাণ্ড লিপিবদ্ধ কৰি ৰখা দৰকাৰ, এই চিন্তাটো প্ৰথমে আহিছিল হিউ বীভাৰ নামৰ অসামৰিক

অভিযন্তা এজনৰ মনত। দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গত জন্ম হোৱা বীভাৰ কৰ্মসূত্ৰে লণ্ডনৰ বাসিন্দা আছিল। ১৯৫৫ চনত, আয়াৰলেণ্ডৰ প্ৰখ্যাত আৰ্থাৰ গীনিজ পৰিয়ালৰ ‘গীনিজ ব্ৰীৱেৰিজ’ নামৰ প্ৰতিষ্ঠানটোৰ পৰিচালন সঞ্চালক হিচাপে কাম কৰি থকা সময়তে তেওঁ এদিন হাৰ্বাৰৰ শ্লেনী নৈৰ পাৰলৈ চৰাই চিকাৰ খেল খেলিবলৈ গৈছিল। এটা গোল্ডেন প্লোভাৰ চৰাইলৈ টোঁওৰা গুলীটো ব্যৰ্থ হোৱাৰ পাছত হঠাতে তেওঁৰ মনলৈ আহিল, বিশ্বৰ আটাইতকৈ দ্ৰুততম খেল পক্ষী কোনটো হ’ব পাৰে? এই বিষয়ে লগৰীয়াসকলৰ লগতো আলোচনা কৰিলে যদিও সঠিক উত্তৰ কাৰো ওচৰত নাছিল। কোনো প্ৰসংগ পুথি অবিহনে এনে এটা প্ৰশ্নৰ উত্তৰ উলিওৱা সম্ভৱো নাছিল। অথচ তেতিয়ালৈ তেনে ধৰণৰ প্ৰশ্নৰ উত্তৰ সম্বলিত কিতাপ বিশ্বত নাছিলেই। পৃথিৱীৰ বিভিন্ন বিষয়ৰ শ্ৰেষ্ঠতাৰ অভিলেখ লিপিবদ্ধ হৈ থাকিব পৰা কিতাপ এখনৰ প্ৰয়োজনীয়তা সেইদিনাই অনুভৱ কৰে বীভাৰে। নিজৰ মনৰ কথা ক্ৰিষ্টোফাৰ চেটৰে নামৰ সহকৰ্মীগৰাকীক কোৱাত তেওঁ তেওঁৰ বিশ্ববিদ্যালয়ৰ সহপাঠী ৰছ আৰু মৰিছ মেকওৱেইটাৰ নামৰ দুই যমজ ভাতৃৰ সৈতে কথাটো আলোচনা কৰে। এই দুই ভাতৃয়ে নিজাববীয়াকৈ এটা তথ্য অনুসন্ধান সংস্থা চলাই আছিল। অৱশেষত বীভাৰৰ পৰিকল্পনাৰে দুয়ো ১৯৫৫ চনৰ আগষ্ট মাহত গীনিজ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ডছ শীৰ্ষক এখন প্ৰসংগ গ্ৰন্থ প্ৰকাশ কৰাৰ সিদ্ধান্ত লয়। সেই বৰ্ষৰ বৰদিনৰ সময়ত প্ৰকাশ পোৱা এই গ্ৰন্থখনৰ প্ৰথমটো সংস্কৰণেই আমেৰিকা যুক্তৰাষ্ট্ৰত সৰ্বাধিক বিক্ৰী হোৱা গ্ৰন্থৰ তালিকাত শীৰ্ষ স্থান দখল কৰে। পৰবৰ্তী বৰ্ষত গ্ৰন্থখন আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত মুকলি কৰা হয় আৰু গ্ৰন্থখনৰ ৭০,০০০ কপি বিক্ৰী হয়। ২০২২ চনত ৬৭ সংখ্যক সংস্কৰণ প্ৰকাশ পোৱা এই গ্ৰন্থখন এতিয়ালৈকে বিশ্বৰ ১০০খন দেশৰ ৩৭টা ভাষাত প্ৰকাশ পাইছে। ১০০ নিযুতৰো অধিক কপি বিক্ৰী হৈছে গ্ৰন্থখনৰ। হিউ বীভাৰৰ চিন্তাপ্ৰসূত এই গ্ৰন্থখনৰ নাম ১৯৯৯ চনলৈকে ‘গীনিজ বুক অব ৱৰ্ল্ড ৰেকৰ্ডছ’ আছিল যদিও তাৰ পাছত ইয়াৰ নাম ‘গীনিজ ৱৰ্ল্ড ৰেকৰ্ডছ’ ৰখা হয়।

গীনিজত নথিভুক্ত অভিলেখৰ কোনো নিৰ্দিষ্ট প্ৰকাৰ নাই যদিও গ্ৰন্থখনৰ সাম্প্ৰতিক সংস্কৰণসমূহত ব্যক্তিৰ দ্বাৰা সৃষ্ট অভিলেখ বা কৃতিত্বত অধিক গুৰুত্ব দিয়া দেখা গৈছে। অলিম্পিক ভাৰোত্তোলন কৰাজনৰ পৰা বিশ্বৰ সকলো দেশ ভ্ৰমণ কৰা সৰ্বকনিষ্ঠ ব্যক্তিজনলৈকে বিভিন্ন অভিলেখ লিপিবদ্ধ হৈছে। অৱশ্যে ইয়াত নথিভুক্ত অভিলেখৰ তালিকা স্থিৰ বা চিৰস্থায়ী নহয়। পূৰ্বে স্থাপন হোৱা কোনো এটা অভিলেখ কোনোৱে ভংগ কৰাৰ পাছত সেইটো পুনৰ নতুনকৈ লিপিবদ্ধ হয়।

১৯৫৫ চনত লণ্ডনৰ ১০৭ ফ্লীট ষ্ট্ৰীটৰ লজেট হাউছৰ দুটা কোঠাত স্থাপন হোৱা ‘গীনিজ বুক অব ৱৰ্ল্ড ৰেকৰ্ডছ’ এতিয়া এক আন্তৰ্জাতিক সংস্থাত পৰিণত হৈছে। নিউয়ৰ্ক, বেইজিং, ট’কিঅ’ আৰু ডুবাইত কাৰ্য্যালয় স্থাপন হোৱা সংস্থাটোৰ অধীনত বিশ্বজুৰি ৩০ সহস্ৰাধিক কৰ্মচাৰী আছে। গীনিজ এতিয়া কেৱল গ্ৰন্থৰ পাততেই সীমাবদ্ধ হৈ থকা নাই। ১৯৭১ চনত সংস্থাটোৱে ‘ডিজিটেলি’ তথ্য সংৰক্ষণৰ পদক্ষেপ লৈছিল।

অভিলেখৰ তথ্য সংগ্ৰহ তথা সংৰক্ষণেৰে লেখৰ কাম কৰি অহা গীনিজ ৱৰ্ল্ড ৰেকৰ্ড নিজেই আচলতে এক অভিলেখ। পাছে গীনিজ অভিলেখ মানে কোনো বঁটা-বাহন বা পুৰস্কাৰ নহয়। এয়া কেৱল এক অভিলেখ স্থাপনৰ স্বীকৃতি মাত্ৰ। গীনিজ ৱৰ্ল্ড ৰেকৰ্ডৰ লক্ষ্যই হৈছে সৰ্বসাধাৰণৰ মাজৰ পৰা কোনো বিশেষ কথা বা কামক উৎসাহিত কৰা, তথ্য সংগ্ৰহ-সংৰক্ষণ কৰা আৰু মানুহক মনোৰঞ্জন দিয়া। আৰম্ভণিৰে পৰাই গীনিজ ৱৰ্ল্ড ৰেকৰ্ডছে বিশ্ববাসীৰ আগ্ৰহ আৰু সঁহাৰি পাবলৈ সক্ষম হৈ আহিছে যদিও সামাজিক মাধ্যমসমূহৰ প্ৰচলনৰ পাছৰে পৰা গীনিজৰ জনপ্ৰিয়তা পূৰ্বতকৈ বহুগুণে বৃদ্ধি পায়। ফেচবুক আৰু ইনষ্টাগ্ৰামে গীনিজক যেন নতুন জীৱনহে দিলে। এই দুয়োটা মাধ্যমেৰে গীনিজ নামটো বিশ্বৰ সৰ্বত্ৰে আৰু অধিক মানুহৰ ওচৰ চাপিবলৈ সক্ষম হৈছে। ২০০৫ চনৰ পৰা গীনিজ কৰ্তৃপক্ষই ১০ নৱেম্বৰৰ দিনটো গীনিজ ৱৰ্ল্ড ৰেকৰ্ড দিৱস হিচাপে পালন কৰিবলৈ লয়। ❖

## শিক্ষাৰ্থীয়ে আঁকা ছবি




ধানিসা ডেকা, চতুৰ্থ খ



জিজ্ঞাসা ডেকা, পঞ্চম ক



নবৰঞ্জন ডেকা, নৱম ক



তৃষ্ণা মণি বৰুৱা, নৱম ক



এমিলী বৰগোহাঞি, পঞ্চম ঘ



বাণীস্নিগ্ধা হালৈ, ষষ্ঠ ঘ



সন্দিপন ডেকা, চতুৰ্থ খ

এই ছবিকেইখনৰ একোটা বিশেষত্ব আছে। ছবিকেইখন মনোযোগ দি চোৱা আৰু বিশেষত্বটো মন কৰা।

